● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

জীৱনটো এটা সমস্যা নহয়, যাক সমাধানৰ প্ৰয়োজন। ই এক বাস্তৱ, যাৰ অভিজ্ঞতা গ্ৰহণ কৰাৰ প্ৰয়োজন।

ছ'ৰেণ কাৰ্কিগাৰ্ড
*ডেনমাৰ্কৰ দাৰ্শনিক*



www.dainikagradoot.in

৭ মূল্যবৃদ্ধিৰ মাধমাৰ, সাত কোটি হ'ব দৰিদ্ৰ
১৫ তিমিৰাচ্ছন্ন সৰুসজাই ঃ অসম যুৱ অলিম্পিক আৰম্ভ
৪ ধৰ্মীয় বিশ্বাসৰ উৰ্দ্ধত বিজ্ঞান আৰু প্ৰযুক্তি

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২৮৩তম সংখ্যা ● গুৱাহাটী ● শনিবাৰ ৬ শাওণ ১৪২৯ ভাস্কৰাব্দ ২৩ জুলাই ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Saturday 23 July 2022 মূল্য ঃ ৯.০০ টকা

■ ৰাষ্ট্ৰপতি নিৰ্বাচনত ক্ৰছ ভোটিঙৰ পাছত উপ-ৰাষ্ট্ৰপতি নিৰ্বাচনতো মতানৈক্য ■ দ্ৰৌপদী মুৰ্মুক ভোটদান বিৰোধী শিবিৰৰ শতাধিক বিধায়কৰ ■ ক্ৰছ ভোটিং কৰিলে কমেও ১৭জন সাংসদেও

# পুনৰ মৰীচিকাত পৰিণত বিৰোধী ঐক্য



*খৰাং সদৃশ পৰিৱেশৰ পৰা পৰিত্ৰাণ বিচাৰি বৰষুণৰ আশাৰে ভেকুলী বিয়া পাতিছে গঞাই, কৃষ্ণাইত শুকুৰবাৰে।*

■ ভোটদানৰ পৰা বিৰত থকাৰ তৃণমূলৰ স্থিতিক লৈ সমালোচনা বিৰোধী প্ৰাৰ্থী আলভাৰ

■ নিউজ ব্যুৰ'

নতুন দিল্লী, ২২ জুলাই ঃ ৰাষ্ট্ৰপতি নিৰ্বাচনত ক্ৰছ ভোটিঙৰ অভিযোগক লৈ তল-ওপৰ হৈছে দেশৰ ৰাজনীতি। দেশৰ পঞ্চদশ ৰাষ্ট্ৰপতিৰূপে দ্ৰৌপদী মুৰ্মুৰ ঐতিহাসিক বিজয়ত বিৰোধী শিবিৰৰ ক্ৰছ ভোটিঙৰ বিষয়টোৱে তুমুল হৈ-চৈৰ সৃষ্টি কৰাৰ সময়তে এইবাৰ উপ-ৰাষ্ট্ৰপতি নিৰ্বাচনত বিৰোধীৰ মাজত ফাট মেলাৰ পৰিৱেশৰ সৃষ্টি হৈছে। যি সময়ত অনাগত ২০২৪ৰ লোকসভা নিৰ্বাচনৰ পূৰ্বে বিৰোধী শিবিৰ একত্ৰিত হোৱাৰ কথা কোৱা হৈছে সেই সময়ত ৰাষ্ট্ৰপতি আৰু উপ-ৰাষ্ট্ৰপতি নিৰ্বাচনৰ



ভোটদানত বিৰোধীৰ মাজত সৃষ্টি হোৱা মতানৈক্য, স্থিতি সলনি আদিয়ে অনাগত সময়ত শুভ ইংগিত বহন কৰা নাই বুলিও ৰাজনৈতিক বিশ্লেষক মহলে কয়। ৰাষ্ট্ৰপতি আৰু উপ-ৰাষ্ট্ৰপতি নিৰ্বাচনত ২০২৪ৰ আগন্তুক নিৰ্বাচনৰ পূৰ্বে জোঁটবন্ধনক লৈ বিৰোধী শিবিৰে বহু কুচকাৱাজ চলালে যদিও ই এক অৰ্থহীন বাগাৰম্বড় হ'ব বুলিও সন্দেহৰ সৃষ্টি হৈছে।

পঞ্চদশ ৰাষ্ট্ৰপতি হিচাপে দ্ৰৌপদী মুৰ্মুৰ নিৰ্বাচনত দলৰ অৱস্থানৰ বিপৰীত মেৰুত খোজ দি বিৰোধী শিবিৰৰ বহু সংখ্যক বিধায়কে এনডিএৰ প্ৰাৰ্থীক *১০ পৃষ্ঠাত চাওক*

## ত্ৰিপুৰাৰ ভুৱা আধাৰ কাৰ্ডৰে দিল্লীলৈ সৰবৰাহৰ চেষ্টা দুষ্টচক্ৰৰ

### মালিগাঁৱত ধৃত চাৰি বাংলাদেশী যুৱতী

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২২ জুলাই ঃ** ত্ৰিপুৰাৰ পৰা দিল্লীলৈ সৰবৰাহৰ চেষ্টা কৰা চাৰিগৰাকী বাংলাদেশী কিশোৰী-যুৱতীক স্থানীয় ৰাইজৰ তৎপৰতাত কামাখ্যা ৰেল আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। দুজন মানৰ সৰবৰাহকাৰীয়ে চাকৰি দিয়াৰ প্ৰলোভনেৰে ৰেলযোগে লৈ অহা যুৱতীকেইগৰাকীয়ে মালিগাঁও অঞ্চলত ঘূৰি থকা প্ৰত্যক্ষ কৰি কথা-বাৰ্তাত স্থানীয় লোকৰ সন্দেহ ওপজাত আৰক্ষীক খবৰ দিয়ে আৰু আৰক্ষীয়ে যুৱতীকেইগৰাকীক আটক কৰি লৈ অনাৰ পাছত সকলো তথ্য *১০ পৃষ্ঠাত চাওক*

ৰাষ্ট্ৰপতি নিৰ্বাচনত ক্ৰছ ভোটিঙে জোঁকাৰিছে অসমৰ ৰাজনীতি ■ প্ৰতাৰক বিধায়কক দিবলৈ আখ্যা বিচাৰি পোৱা নাই ভূপেন বৰাই!

## কংগ্ৰেছৰ ১৫-১৬ জন বিধায়কে এনডিএক ভোট দিছে ঃ দাবী মুখ্যমন্ত্ৰীৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২২ জুলাই ঃ** অসমত ৰাজ্যসভাৰ যোৱা নিৰ্বাচনত সংঘটিত ক্ৰছ ভোটিঙৰ বিতৰ্ক অব্যাহত থকাৰ মাজতে সদ্যসমাপ্ত ৰাষ্ট্ৰপতি নিৰ্বাচনতো একেই ঘটনাই ৰাজ্যৰ ৰাজনৈতিক মহলত জোঁকাৰণিৰ সৃষ্টি কৰিছে। বিৰোধীৰ কোন কোন বিধায়কে যশৱন্ত সিন্‌হাক 'প্ৰতাৰণা' কৰি এনডিএৰ প্ৰাৰ্থী দ্ৰৌপদী মুৰ্মুক ভোট দিলে তাক লৈ চলিছে ব্যাপক জল্পনা কল্পনা। প্ৰদেশ কংগ্ৰেছৰ নেতৃত্বই নিশ্চিত কৰিছে তেওঁলোকৰ দলৰ কে'বাটাও ভোট এনডিএ প্ৰাৰ্থীৰ পক্ষত পৰিছে। তাৰ বিপৰীতে এআইইউডিএফে এতিয়ালৈকে নিজৰ দলৰ বিধায়কৰ সন্দৰ্ভত তেনে কোনো বক্তব্য আগবঢ়োৱা নাই। ইয়াৰ লগতে সন্দেহৰ আঙুলি উঠিছে চিপিএমৰ *১০ পৃষ্ঠাত চাওক*



## বিষ পান কৰি দুই সন্তানসহ মাতৃৰ আত্মহত্যা

**অগ্ৰদূত বাৰ্তা**

**সোণতলী, ২২ জুলাই ঃ** কামৰূপ জিলাৰ টপাৰ পথাৰ গাঁৱত এগৰাকী দুই সন্তানৰ মাতৃয়ে বিষ পান কৰে। টপাৰ পথাৰ গাঁৱৰ মহিদুল ইছলামৰ পত্নী তথা দুই সন্তানৰ মাতৃ মিনুৱাৰা পাৰবিন ওৰফে হীৰাই নিজ গৃহত ঘৰৰ দৰ্জা বন্ধ কৰি প্ৰথমে নিজে বিষ পান কৰাৰ লগতে দুই কণমানি সন্তানকো বিষ *১০ পৃষ্ঠাত চাওক*


■ ছেছা-ডিৰাং পথৰ পাহাৰৰ নামনিত উদ্ধাৰ মৃতদেহ ■ শিলাময় পাহাৰৰ তলত সন্ধান ওলাল বিধ্বস্ত বাহনৰ ■ দুঃসাহসিক ক্ৰীড়াপ্ৰেমী বাইক ৰাইডাৰৰ মৃত্যুত গভীৰ শোকৰ ছাঁ

## অৰুণাচলৰ দ' খাৱৈত মৃত্যু চাৰি যুৱকৰ

১৯ জুলাইৰ পৰা সন্ধানহীন ■ ঘন কুঁৱলিৰ বাবে বাহন পিছল খোৱা বুলি সন্দেহ আৰক্ষীৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ/বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**

**ইটানগৰ/গুৱাহাটী/নগাঁও/তেজপুৰ/সোণাপুৰ, ২২ জুলাই ঃ** অতি দুখৰ সংবাদ বহন কৰি *১০ পৃষ্ঠাত চাওক*




## চালকক হত্যা কৰি তেলভৰ্তি টেংকাৰ চুৰিৰ চেষ্টা চলোৱা দুই দুৰ্বৃত্ত ধৃত

### মূল অভিযুক্ত এতিয়া পলাতক কেনেকৈ?

**অগ্ৰদূত বাৰ্তা**

**নুমলীগড়, ২২ জুলাই ঃ** নুমলীগড় আৰক্ষী চকীৰ অধীনৰ পংকাগ্ৰান্ট আমলখি তল অঞ্চলৰ পৰা যোৱা নিশা আৰক্ষীয়ে তেলচুৰিৰ লগত জড়িত গংগা মাহাতো আৰু বিৰাজ প্ৰধানক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে জনোৱা মতে, এক লোমহৰ্ষক ঘটনা সংঘটিত হৈছিল যোৱা ফেব্ৰুৱাৰীত। নুমলীগড় শোধনাগাৰৰ পৰা *১০ পৃষ্ঠাত চাওক*

'প্ৰথমবাৰৰ বাবে অসম ৰাইজে ইমান ভালকৈ সা-সুবিধা পাইছে' ■ শিলচৰৰ দিব্যাংগ যুৱকে প্ৰধানমন্ত্ৰী মোদীক পোট্ৰেইট উপহাৰ দিলে

## বানৰ সাহায্যত মই কোনো অসুবিধা পোৱা নাই ঃ দিল্লীত ক'লে ড° শৰ্মাই





**অগ্ৰদূত প্ৰতিবেদক**

**নতুন দিল্লী, ২২ জুলাই ঃ** ৰাজ্যৰ শেহতীয়া বানত ক্ষতিগ্ৰস্তক সহায় কৰাত কোনো অসুবিধা পোৱা নাই বুলি দাবী কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰী হিচাপে এই ক্ষেত্ৰত কিবা অসুবিধা পালে ৰাইজক জনাব বুলি ড° শৰ্মাই কয়। কে'বাটাও কাৰ্যসূচী লৈ আজি নতুন দিল্লীত উপস্থিত হোৱা মুখ্যমন্ত্ৰীয়ে কয়, 'বানৰ সময়ত অসমৰ মানুহে প্ৰথমবাৰৰ বাবে ইমান ভালকৈ চৰকাৰৰ পৰা সা-সুবিধা পাইছে। আজিৰ পৰা মন্ত্ৰীসকলে জিলাই জিলাই গৈ ক্ষতিগ্ৰস্ত ঘৰৰ তালিকা পৰীক্ষাৰ কামো আৰম্ভ কৰিছে। ১০-১২ আগষ্টৰ ভিতৰত ক্ষতিগ্ৰস্ত ঘৰৰ পুঁজিও মোকলাই দিম। আমাৰ হাতত পুঁজি *১০ পৃষ্ঠাত চাওক*

ক'ভিডৰ দুবছৰীয়া বিৰতিৰ পাছত ঘোষিত ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা

## নিজ প্ৰযোজিত ছবিৰ বাবে যুটীয়াভাৱে শ্ৰেষ্ঠ অভিনেতাৰ বঁটা অজয় দেৱগনলৈ

■ **নিউজ ব্যুৰ'**

**নতুন দিল্লী, ২২ জুলাই ঃ** ৬৮ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ পুৰস্কাৰ আজি ঘোষিত হ'ল। নিজ প্ৰযোজিত ছবি 'তনহাজী ঃ দ্য আনছাং ৱাৰিঅ'ৰ'ৰ বাবে শ্ৰেষ্ঠ অভিনেতাৰ মুকুট পৰিধান কৰিলে অজয় দেৱগনে। দক্ষিণাত্যৰ *১০ পৃষ্ঠাত চাওক*

■ মোৰ দৰে সাধাৰণ ছোৱালীয়ে ৰাষ্ট্ৰীয় বঁটা লাভ কৰাটো ডাঙৰ কথা ঃ আইমী ■ এনে সন্মান সৌভাগ্য ঃ খঞ্জন

## ডিমাছা-কাৰ্বিসহ অসমৰ চাৰিখন ছবিয়ে আঁজুৰি আনিলে ৰাষ্ট্ৰীয় বঁটা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২২ জুলাই ঃ** আজি ঘোষিত ৬৮ সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাই অসমৰ বাবে কঢ়িয়াই আনিলে একাধিক সুখবৰ। অসমৰ চাৰিখনকৈ ছবিয়ে লাভ কৰিলে সন্মান। শ্ৰেষ্ঠ অসমীয়া ছবিৰ বঁটা লাভ কৰিছে 'ব্ৰীজ'-এ। তদুপৰি অভিনেত্ৰী আইমী বৰুৱা পৰিচালিত 'ছেমখৰ'-এ লাভ কৰে দুটাকৈ বঁটা। এই ছবিখনে ডিমাছা ভাষাৰ শ্ৰেষ্ঠ ছবি হিচাপে ৰজতকমল বঁটা লাভ কৰাৰ লগতে অভিনেত্ৰী আইমী বৰুৱালৈ জুৰীৰ বিশেষ বঁটা আগবঢ়োৱা হয়। আনহাতে, *১০ পৃষ্ঠাত চাওক*







| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩১° | ২৬° |
| ডিব্ৰুগড় | ৩২° | ২৬° |
| দিল্লী | ৩১° | ২৭° |
| কলকাতা | ৩০° | ২৭° |
| মুম্বাই | ২৯° | ২৬° |
| চেন্নাই | ৩২° | ২৭° |
| বাংগালুৰু | ২৬° | ১৯° |
| শ্বিলং | ২৪° | ১৯° |

*২২ জুলাই, ২০২২*

সাধাৰণ বিসংগতিতে গেৰেজত সোমোৱা বাছ পুনৰ সহজতে নচলে

■ এএছটিচিৰ আস্থান-কাৰখানাত দ'ম বান্ধিছে বহুমূলীয়া বিকল বাছে

## ভয়াৱহ অপচয় ঃ পৰিবহণ বিভাগ কেৱল নতুন বাছ ক্ৰয়তহে আগ্ৰহী

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২২ জুলাই ঃ** ৰাজহুৱা ধনৰ অপচয় কৰা অসম চৰকাৰৰ বিভাগবোৰৰ অন্যতম হ'ল পৰিবহণ বিভাগ। এই বিভাগৰ অন্তৰ্গত অসম ৰাজ্যিক পৰিবহণ নিগম (এএছটিচি)ত ৰাইজৰ ধনৰ কেৱল শৰাধ হৈ আহিছে। এফালে নিগমৰ আস্থান আৰু কাৰাখানাত বিকল হৈ পৰা বাছৰ সংখ্যা বাঢ়িছে আৰু আনফালে নতুন নতুন বাছ ক্ৰয়ৰ সিদ্ধান্ত লোৱা হৈছে। বেয়া হৈ পৰি থকা বাছবোৰৰ সদগতি



বুলিবলৈও একো নাই। এএছটিচি হ'ল এনে এক প্ৰতিষ্ঠান য'ত কেইদিনমান চলাচল কৰাৰ পাছতে দামী বাছ একোখন বিকল হৈ পৰে। তদুপৰি সাধাৰণ কাৰণত বিকল হৈ পৰা গাড়ী এখন এবাৰ আস্থান অথবা কাৰখানাত সুমুৱাই দিয়াৰ পাছত সেইখন আৰু ভাল হৈ সহজতে ৰাজপথলৈ ওলাই নাহে। সেই কাৰণে সাধাৰণ ৰঙা বাছৰ পৰা আৰম্ভ কৰি নতুনকৈ ক্ৰয় কৰা ভাৰত বেঞ্জ (মাৰ্চিডিজ)ৰ দৰে দামী আৰু বিলাসী বাছ মাহৰ পাছত *১০ পৃষ্ঠাত চাওক*

## অৰুণাচলত সন্ধানহীন হোৱা শ্ৰমিকৰ পৰিয়ালৰ তীব্ৰ প্ৰতিবাদ

### আৰক্ষী থানা ঘেৰাও

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ২২ জুলাই ঃ** বাগসাৰ শালবাৰীৰ আনন্দবজাৰ আৰক্ষী চকী প্ৰাংগণত আজি এক উত্তেজনাপূৰ্ণ পৰিস্থিতিৰ সৃষ্টি হয়। আনন্দবজাৰ আৰক্ষী চকীৰ অন্তৰ্গত ভকুৱামাৰীৰ তিনিজন শ্ৰমিকক কাম কৰাৰ ছলেৰে অৰুণাচলৰ ইটানগৰত দুমাহে সন্ধানহীন কৰি ৰখা ভকুৱামাৰীৰ *১০ পৃষ্ঠাত চাওক*

ছোনিয়া গান্ধীক হাৰাশাস্তিৰ বিৰুদ্ধে তেজপুৰত কংগ্ৰেছৰ প্ৰতিবাদ ■ মূল্যবৃদ্ধিয়ে কোঙা কৰিছে দেশবাসীক ■ আক্ৰোশমূলক ৰাজনীতি

## জনতাই বুকুত ধৰি শাসনৰ পৰা নমাই দিব স্বেচ্ছাচাৰী বিজেপিক ঃ ভূপেন

### প্ৰতিবাদকাৰীৰ ওপৰত লাঠিচালনা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ২২ জুলাই ঃ** 'বিজেপি চৰকাৰে কংগ্ৰেছ নেত্ৰী ছোনিয়া গান্ধীৰ বিৰুদ্ধে ৰাজনৈতিক ষড়যন্ত্ৰৰ অংশৰূপেই প্ৰৱৰ্তক সঞ্চালকালয় (ইডি) নামৰ সংস্থাটোক ব্যৱহাৰ কৰিছে। বিজেপিয়ে কংগ্ৰেছক লৈ শংকিত হৈ থকা বাবেই এইদৰে ষড়যন্ত্ৰত লিপ্ত হৈছে।' তেজপুৰত আজি এই মন্তব্য কৰে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই। আজি মূল্যবৃদ্ধি ৰোধৰ দাবীত আৰু অনুসন্ধানকাৰী *১০ পৃষ্ঠাত চাওক*



**চেঙা তেল**



*কোনফালে যাও! এফালে ওলালে কৰ'নাই খেদে, আনফালে আকৌ এই এনকেফেলাইটিছে ধৰে!*

ৰাজহ সংগ্ৰহৰ লক্ষ্য পূৰণৰ বাবে চিটিবাছক লক্ষ্য কৰে পৰিবহণ বিভাগে ■ লঘু অপৰাধত অত্যধিক জৰিমনা বিহা কাৰ্যৰ বিৰোধিতাৰে ক্ষুব্ধ চালক-হেণ্ডিমেনৰ আকস্মিক ধৰ্মঘট

## হঠাৎ অন্তৰ্ধান চিটিবাছ, দুৰ্ভোগ জনতাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২২ জুলাই ঃ** পৰিবহণ বিভাগৰ বিৰুদ্ধে প্ৰতিবাদ কৰি মহানগৰীৰ একাংশ চিটিবাছ চালক-হেণ্ডিমেনে আজি হঠাতে ধৰ্মঘট পালন কৰাত ৰাজপথত পৰ্যাপ্ত চিটিবাছৰ অভাৱত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হয় সাধাৰণ জনতাৰ মাজত। একমাত্ৰ চিটিবাছক সাৰথি কৰি শিক্ষানুষ্ঠানকে ধৰি বিভিন্ন কাৰ্যালয়লৈ পুৱাই ওলাই অহা শিক্ষাৰ্থী তথা সাধাৰণ নাগৰিকসকলে



চিটিবাছৰ অভাৱত ঘণ্টা ঘণ্টা জুৰি অপেক্ষা কৰিবলগীয়া হয়। এনে পৰিস্থিতিয়ে উৎকট গৰমত বাৰুকৈয়ে জুলাকলা খুৱায় মহানগৰীৰ বাসিন্দাসকলক। উল্লেখ্য যে আজি হঠাৎ বশিষ্ঠ-খানাপাৰাৰ পৰা চলাচল কৰা চিটিবাছসমূহৰ চালক-হেণ্ডিমেনে পৰিবহণ বিভাগে অত্যধিক জৰিমনা বিহা কাৰ্যৰ বিৰোধিতাৰে ধৰ্মঘট কাৰ্যসূচী পালন কৰি বাছসমূহ *১০ পৃষ্ঠাত চাওক*

## জাবৰ নিষ্কাসনৰ নামত গুৱাহাটী পৌৰ নিগমত ২.২১ কোটিটকীয়া কেলেংকাৰি

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২২ জুলাই ঃ** মহানগৰীৰ জাবৰ নিষ্কাসনৰ নামত গুৱাহাটী পৌৰ নিগমত সংঘটিত হৈছে কোটিটকীয়া বিত্তীয় কেলেংকাৰি। নিগমৰ তদন্তত এই তথ্য পোহৰলৈ অহাৰ পাছতে এই সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষত গোচৰ তৰা হৈছে। উল্লেখ্য যে বিগত এপ্ৰিল-মে'ত গুৱাহাটী পৌৰ নিগমৰ স্বচ্ছতা বিভাগে ডাম্পাৰেৰে জাবৰ নিষ্কাসনৰ *১০ পৃষ্ঠাত চাওক*



**মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষত গোচৰ ঃ দুমাহতে ভুৱা বিলিৰে ধন আত্মসাতৰ অভিযোগ**

দৈনিক অগ্ৰদূত
গুৱাহাটী, ২৩ জুলাই, ২০২২শনিবাৰ পৃষ্ঠা তিনি

## বিদ্যালয় প্ৰাদেশিকীকৰণ আইনখন সংশোধনৰ কোনো প্ৰস্তাৱ নাই চৰকাৰৰ ঃ ডাঃ পেগু

**বিশেষ সংবাদদাতা**

**বৰপেটা, ২২ জুলাই ঃ** 'বিদ্যালয় প্ৰাদেশিকীকৰণ আইনখন সংশোধনৰ কোনো প্ৰস্তাৱ ৰাজ্য চৰকাৰৰ হাতত নাই।' এই মন্তব্য ৰাজ্যৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ। বৰপেটা জিলাত হোৱা বানত ক্ষয়-ক্ষতিৰ বুজ লোৱাৰ উদ্দেশ্যে আজি বৰপেটা জিলাত উপস্থিত হোৱা শিক্ষামন্ত্ৰীজনে ৰাষ্ট্ৰীয় শিক্ষানীতি আৰু বিদ্যালয় প্ৰাদেশিকীকৰণ বিষয়টো সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত কেতবোৰ গুৰুত্বপূৰ্ণ মন্তব্য কৰে। সংবাদ মাধ্যমৰ আগত মন্ত্ৰীজনে কয় যে বিদ্যালয় প্ৰাদেশিকীকৰণ আইনখন সংশোধন সন্দৰ্ভত ৰাজ্য চৰকাৰৰ ওচৰত কোনো ছয় পৃষ্ঠাত চাওক

## লাহৰীঘাটৰ বোৱালগুৰিত ড্ৰাগছসহ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ

**অগ্ৰদূত বাৰ্তা**

**লাহৰীঘাট, ২২ জুলাই ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট আৰক্ষী থানাৰ অন্তৰ্গত বোৱালগুৰিৰ পৰা পুনৰ এজন ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰে আৰক্ষীয়ে। গোপন খবৰৰ ভিত্তিত কালি মৰিগাঁও আৰু লাহৰীঘাট আৰক্ষীয়ে যৌথভাৱে বোৱালগুৰিত অভিযান চলাই নজৰুল ইছলাম নামৰ ড্ৰাগছ সৰবৰাহকাৰীজনক আটক কৰাৰ লগতে তেওঁৰ পৰা ড্ৰাগছ ভৰ্তি এটা চাবোনৰ বাকচ জব্দ কৰে। ধৃত ড্ৰাগছ ছয় পৃষ্ঠাত চাওক

## বৰপেটাৰ বাতৰি কাকতৰ এজেন্সী জয়ন্তী ষ্টোৰ্ছৰ স্বত্বাধিকাৰী নৃপেন্দ্ৰ নাথ গোস্বামীৰ মৃত্যু



**বিশেষ সংবাদদাতা**

**বৰপেটা, ২২ জুলাই ঃ** বাতৰি কাকতৰ প্ৰখ্যাত এজেন্সী বৰপেটা চহৰৰ জয়ন্তী ষ্টোৰ্ছৰ স্বত্বাধিকাৰী, অসম সাহিত্য সভাৰ আজীৱন সদস্য, গণককুছি নসত্ৰ নিবাসী নৃপেন্দ্ৰ নাথ গোস্বামীৰ (৭৫) আজি পুৱা ৬-১৫ বজাত বৰপেটা চিকিৎসা মহাবিদ্যালয় হাস্পতালত দেহাৱসান ঘটে। প্ৰয়াত দীননাথ গোস্বামীৰ পুত্ৰ নৃপেন্দ্ৰ নাথ গোস্বামীয়ে মৃত্যুৰ সময়লৈকে বাসুদেৱ দেৱালয়ৰ সত্ৰাধিকাৰ আছিল। হৃদৰোগত আক্ৰান্ত হৈ কিছুদিন ধৰি অসুস্থ হৈ থকা গোস্বামীক কালি দুপৰীয়া বৰপেটা চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰোৱা হৈছিল যদিও আজি পুৱা মৃত্যু হয়। গোস্বামী পৰিয়ালে ১৯৮৪তে বাতৰি কাকত আৰু আলোচনীৰ এজেন্সী খুলি ধাৰাবাহিকভাৱে এজেন্সীটো চলাই আছিল। জয়ন্তী ষ্টোৰ্ছত অসমৰ পৰা প্ৰকাশিত সকলো বাতৰি কাকত আৰু আলোচনী উপলব্ধ হৈ আছিল। গোস্বামীয়ে অপ্ৰাদেশীকৃত পুতুলকণ হাইস্কুলত শিক্ষকতা কৰিছিল আৰু পাছলৈ বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতিও আছিল। কিন্তু গোস্বামীয়ে বিদ্যালয়খন প্ৰাদেশিকীকৰণ নৌহওঁতে অৱসৰ গ্ৰহণ কৰাত দৰমহাৰ মুখ নেদেখাকৈয়ে মৃত্যুক আঁকোৱালি ল'লে । তেওঁক বাসুদেৱ দেৱালয়ৰ পিছফালে দেৱালয়ৰ মাটিত অগণন গুণমুগ্ধ আৰু শুভাকাংক্ষীৰ উপস্থিতিত আজি দুপৰীয়া সৎকাৰ কৰা হয়। গোস্বামীৰ মৃত্যুত অগ্ৰদূত প্ৰকাশন গোষ্ঠীয়ে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোক সন্তপ্ত ছয় পৃষ্ঠাত চাওক

## শিৱসাগৰ লোক নিৰ্মাণ বিভাগৰ কামৰ নমুনা ঃ ৰাইজৰ ব্যাপক সমস্যাৰ সন্মুখীন

# গড়ভগাত ভাগিল গ্ৰাম্য চড়ক যোজনাৰ পথ

**অগ্ৰদূত বাৰ্তা**

**দিচাংমুখ, ২২ জুলাই ঃ** শিৱসাগৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত দিচাংমুখৰ দিচাং মথাউৰিৰ পৰা গড়ভগালৈ শিৱসাগৰ লোক নিৰ্মাণ বিভাগ আৰু প্ৰধানমন্ত্ৰী গ্ৰাম্য চড়ক যোজনাৰ অধীনত নিৰ্মাণ কৰা এটা পথ বাৰিষাৰ সময়ত বানত বুৰ গৈ থকাত যাতায়াতৰ ক্ষেত্ৰত ৰাইজৰ ব্যাপক সমস্যাৰ সৃষ্টি হৈছে। অনুসন্ধান কৰি প্ৰাপ্ত তথ্য মতে, প্ৰধানমন্ত্ৰী গ্ৰাম্য চড়ক যোজনাৰ অধীনত দিচাং এমব্ৰেকমেণ্টৰ পৰা গড়ভগালৈ ১.৮৩৫ কিঃমিঃ পথ পেভাৰ ব্লক দি নিৰ্মাণ কৰাৰ বাবে ভাৰত চৰকাৰৰ গ্ৰাম্য উন্নয়ন মন্ত্ৰণালয়ৰ তিনি কোটি ২৩ লাখ ৭৫ হেজাৰ ৮৮৩ টকাৰ বিত্তীয় অনুদান আগবঢ়ায়। পেকেজ নম্বৰ এ এছ-২১-৪০০ৰ অধীনত পথটোৰ নিৰ্মাণৰ দায়িত্ব লাভ কৰে বি কে মুজিকা নামৰ ঠিকাদাৰজনে। পথটো নিৰ্মাণ কৰাৰ বাবে ৮৯৪৭.১০ ঘন মিটাৰ মাটি, গ্ৰেনুলাৰ ছাব বেছৰ পৰিমাণ ১০৯০.২২ ঘন মিটাৰ, ডব্লিউ বি এমৰ পৰিমাণ প্ৰতিটো ৭.৫ ছেঃমিঃৰত ৫০৫.১৫ ঘন মিটাৰ আৰু আই চি বি পিৰ পৰিমাণ ৬৭৪৬.৭৫ ঘন মিটাৰ নিৰ্ধাৰণ কৰা হৈছিল বুলি তথ্য ফলকত উল্লেখ আছে। উল্লেখ্য যে গ্ৰাম্য চড়ক যোজনাৰ অধীনত নিৰ্মাণ কৰা এটা পথৰ তথ্য ফলকত কাম আৰম্ভ কৰা আৰু শেষ কৰাৰ তথ্য সৰ্বসাধাৰণ ৰাইজে দেখাকৈ লিখা থাকিব লাগে। অথচ শিৱসাগৰ লোক নিৰ্মাণ বিভাগৰ শিৱসাগৰ সংমণ্ডলত এনে একাংশ বিষয়া আৰু কৰ্মচাৰীয়ে কাৰ্যনিৰ্বাহ কৰি আছে যিসকলে কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশনাকো ভৰিৰে মোহাৰি আৰু ঠিকাদাৰৰ লগতে গোপন বুজাবুজিৰে কাম আৰম্ভ কৰা আৰু শেষ কৰাৰ তাৰিখ উল্লেখ নকৰাকৈ তথ্য ফলক লগোৱাৰ পাছতো কাৰ্যবাহী অভিযন্তাজনে ঠিকাদাৰৰ বিৰুদ্ধে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰা বুলি ৰাইজে ক্ষোভৰে সংবাদ মাধ্যমক জানিবলৈ দিছে। পথটোৰ নিৰ্মাণ কাৰ্য আৰম্ভ কৰাত ৰাইজে যথেষ্ট সন্তোষ প্ৰকাশ কৰিছিল। কিয়নো পথটোৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হৈ উঠিলে গড়ভগা, অফলা, চৰাইপৰা আৰু স'ৰাগুৰি অঞ্চলৰ ৰাইজৰ শিৱসাগৰ নগৰলৈ যাতায়াত কৰাত যথেষ্ট চমু পথৰূপে বিবেচিত হৈছিল। কিন্তু অতি নিম্ন মানৰে পথটো নিৰ্মাণ কৰাৰ লগতে ছয় পৃষ্ঠাত চাওক



বিভিন্ন সমস্যা সমাধানৰ দাবীত আদিবাসী ছাত্ৰ সন্থা আৰু একাধিক সংগঠনৰ যৌথ প্ৰতিবাদ, শুক্ৰবাৰে।



■ মানাহ ৰাষ্ট্ৰীয় উদ্যান-ব্যাঘ্ৰ প্ৰকল্পত প্ৰৱেশ মাচুল বৃদ্ধি

## পাণবাৰী বনাঞ্চলিক কাৰ্যালয়ৰ সন্মুখত প্ৰতিবাদ ১৪ টা সংগঠনৰ উমৈহতীয়া মঞ্চৰ

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ২২ জুলাই ঃ** মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ সংৰক্ষণ আৰু পৰ্যটনৰ উন্নয়নৰ বাবে ১৪ টা সংগঠনৰ উমৈহতীয়া মঞ্চ গ্ৰেটাৰ মানাহ কনজাৰভেছন এণ্ড টুৰি'জিম ডেভলপ'মেণ্ট ছ'চাইটিৰ উদ্যোগত চিৰাং জিলাৰ বিজনী মহকুমাৰ পাণবাৰীস্থিত বন বিভাগৰ পাণবাৰী বনাঞ্চলিক কাৰ্যালয়ৰ সন্মুখত আজি গণ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বিটিচি প্ৰশাসনে জাৰি কৰা এক জাননীৰ জৰিয়তে মানাহ ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ প্ৰকল্পত অত্যধিক হাৰত প্ৰৱেশ মাচুল বৃদ্ধি কৰাৰ প্ৰতিবাদত ছয় পৃষ্ঠাত চাওক

## ৰাজ্যত পুনৰ তিনি তালাকৰ ঘটনা

## যৌতুক নিদিয়াৰ বাবে ছমহীয়া কন্যা সন্তানৰ মাতৃক তিনি তালাক

**অগ্ৰদূত বাৰ্তা**

**যমুনামুখ, ২২ জুলাই ঃ** ৰাজ্যত পুনৰ তিনি তালাকৰ ঘটনা সংঘটিত হৈছে। এইবাৰ ঘটনাৰ স্থান হৈছে হোজাই জিলাৰ ডবকা আৰক্ষী থানাৰ অন্তৰ্গত পূব বুঢ়ীগাঁৱত। যৌতুকৰ বাবে এগৰাকী ছমহীয়া কন্যা সন্তানসহ মাতৃক তালাক দিলে স্বামী জাকিৰ হুছেইনে। অভিযোগ অনুসৰি, বিবাহৰ পাছৰে পৰা স্বামী জাকিৰ হুছেইন আৰু পৰিয়ালে বোৱাৰীগৰাকীৰ পৰা দাবী কৰি আহিছিল যৌতুক। যৌতুক দিবলৈ অসমৰ্থ হোৱাৰ হেতুকে বোৱাৰীগৰাকীৰ ওপৰত প্ৰায়ে নিৰ্যাতন চলাই আহিছিল স্বামী তথা পৰিয়ালে। অৱশেষত যৌতুক লাভ কৰাৰ আশা ক্ষীণ দেখি স্বামী জাকিৰ হুছেইনে তিনি তালাক দি পত্নীক নিজ ঘৰৰ পৰা খেদি দিয়ে। নিৰুপায় হৈ বোৱাৰীগৰাকীয়ে নিজ পিতৃ গৃহ ডবকা মিকিৰ পাৰাত আশ্ৰয় গ্ৰহণ কৰে। বৰ্তমান বোৱাৰীগৰাকীয়ে কোলাত কেঁচুৱা লৈ ন্যায়ৰ আশাত আৰক্ষীৰ দুৱাৰে দুৱাৰে ঘূৰি ফুৰিছে। আৰক্ষী প্ৰশাসনৰ পৰা ন্যায় বিচাৰি বোৱাৰীগৰাকীয়ে কাতৰ আহ্বান জনাইছে। ছমহীয়া কন্যা সন্তানৰ মাতৃগৰাকীক ন্যায় প্ৰদানৰ ক্ষেত্ৰত আৰক্ষীয়ে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া লক্ষ্যণীয় হ'ব।

## মাজুলীত অসমৰ সত্ৰ ভূমি সমস্যা পৰ্যবেক্ষণ আৰু পৰীক্ষণ আয়োগৰ দল

**অগ্ৰদূত বাৰ্তা**

**কমলাবাৰী, ২২ জুলাই ঃ** অসমৰ সত্ৰৰ ভূমি সমস্যা পৰ্যবেক্ষণ আৰু পৰীক্ষণ আয়োগৰ অধ্যক্ষ তথা বিধায়ক প্ৰদীপ হাজৰিকা, আয়োগৰ সদস্য তথা বিধায়ক ৰূপক শৰ্মা, অসম চৰকাৰৰ সহকাৰী সচিব পুলিন শৰ্মা সহিতে এটা দল ২০ জুলাইত মাজুলীত উপস্থিত হয়। মাজুলীত উপস্থিত হৈ দলটোৱে জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত মাজুলীৰ সত্ৰাধিকাৰসকলৰ স'তে সত্ৰসমূহৰ ভূমি বেদখল আদি সম্পৰ্কে বিস্তৃতভাৱে আলোচনা কৰে।

### সত্ৰাধিকাৰৰ স'তে মত বিনিময়

আয়োগৰ দলটো ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীদক্ষিণপাট সত্ৰ, ভোগপুৰ সত্ৰ, বেঙেনাআটী সত্ৰ, আউনীআটী সত্ৰ, নতুন কমলাবাৰী সত্ৰ, উত্তৰ কমলাবাৰী সত্ৰ আদি এলেঙী সত্ৰ পৰিদৰ্শন কৰাৰ পাছত সন্ধিয়া শ্ৰীশ্ৰীগড়মূৰ সত্ৰ পৰিদৰ্শন কৰে। সত্ৰত প্ৰৱেশ কৰি দলটোৱে প্ৰথমে শ্ৰীশ্ৰীগোপাল মহাপ্ৰভুৰ চৰণত আশিস লয়। তাৰ পাছতে দলটো সত্ৰাধিকাৰ চ'ৰাত উপস্থিত হোৱাৰ লগে লগে সত্ৰাধিকাৰ পৰমানন্দ দেৱগোস্বামীয়ে আয়োগৰ অধ্যক্ষ হাজৰিকা, সদস্য তথা বিধায়ক শৰ্মা, সহকাৰী সচিব পুলিন শৰ্মাৰ লগতে সংগ দিয়া বিষয়াসকলক চেলেং, গামোচাৰে সম্বৰ্ধনা জনায়। সত্ৰাধিকাৰৰ লগতে বৈষ্ণৱসকলে সত্ৰৰ ভূমি বেদখল, সত্ৰই পাবলগীয়া বছৰেকীয়া ক্ষতিপূৰণৰ টকা বন্ধ হৈ থকা, সত্ৰৰ মাটি চিলিং আইনত চৰকাৰে অধিগ্ৰহণৰ পাছতো সত্ৰই ছয় পৃষ্ঠাত চাওক

### মৃতকৰ সংখ্যা পাঁচজনলৈ বৃদ্ধি

## জাপানীজ এনকেফেলাইটিছ ৰোগত এজনৰ মৃত্যু দৰঙত

**অগ্ৰদূত বাৰ্তা**

**মঙলদৈ, ২২ জুলাই ঃ** দৰং জিলাত জাপানীজ এনকেফেলাইটিছ আৰু এনকেফেলাইটিছ সদৃশ ৰোগে শেহতীয়াকৈ গুৰুতৰ ৰূপ লোৱা পৰিলক্ষিত হৈছে। জাপানী এনকেফেলাইটিছ ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন অৱস্থাত জিলাখনৰ এজন লোকৰ কালি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। মঙলদৈৰ লেঙেৰীপাৰা নিবাসী ৰতন ৰয় নামৰ ৫০ বছৰীয়া লোকজন ২০ দিনৰো অধিক সময় চিকিৎসালয়ত ভৰ্তি হৈ আছিল। ইয়াকে লৈ জিলাখনত চলিত বৰ্ষত জাপানীজ এনকেফেলাইটিছত আক্ৰান্ত হৈ মৃত্যু হোৱা লোকৰ সংখ্যা তিনিজনলৈ বৃদ্ধি পায়। ইফালে, জিলাখনত আন দুজন লোকৰ এনকেফেলাইটিছ সদৃশ ৰোগত আক্ৰান্ত হৈ মৃত্যু হয়। জিলা মেলেৰিয়া বিভাগৰ তথ্য অনুসৰি, জিলাখনত এই পৰ্যন্ত মুঠ ১৭ জন লোক জাপানীজ এনকেফেলাইটিছ আৰু এনকেফেলাইটিছ সদৃশ ৰোগত আক্ৰান্ত হৈছে। জিলাখনত শেহতীয়াকৈ হৈ যোৱা প্ৰলয়ংকৰী বানৰ পাছতে ঠাই বিশেষে এই ভয়ানক ৰোগ বিধৰ প্ৰাদুৰ্ভাৱ ঘটে। মেলেৰিয়া বিভাগে ৰোগ প্ৰতিৰোধৰ নামত দুই এঠাইত ধোঁৱা দি বা কিছু তেজৰ নমুনা পৰীক্ষা কৰায়েই দায়িত্ব সামৰিছে বুলি অভিযোগ উঠিছে।

## মিছামাৰীৰ ননকে বেলশিৰিত ৰেলৰ খুন্দাত বৃদ্ধাৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**ঠেলামৰা, ২২ জুলাই ঃ** শোণিতপুৰ জিলাৰ মিছামাৰী আৰক্ষী থানাৰ অন্তৰ্গত ননকে বেলশিৰিত এক অঘটন সংঘটিত হয়। ৰেলৰ খুন্দাত এগৰাকী বৃদ্ধা মহিলাৰ থিতাতে মৃত্যু হয়। প্ৰাপ্ত তথ্য মতে, আজি দিনৰ ১১ মান বজাত ৰঙিয়া-ৰঙাপৰা অভিমুখী যাত্ৰীবাহী ৰেলখনৰ খুন্দাত থানেশ্বৰী দৈমাৰী নামৰ এগৰাকী ৬০ ঊৰ্দ্ধৰ মহিলাৰ কৰুণ মৃত্যু হয়। দৈমাৰীয়ে ননকে বেলশিৰি নৈৰ ওপৰত থকা ৰেল দলঙেৰে ঘৰৰ পৰা বেলশিৰি ষ্টেছন দিশে গৈ থকা ছয় পৃষ্ঠাত চাওক

## তিনিচুকীয়া মাকুমৰ হাপজানত চোৰাং তেলৰ টেংকাৰ জব্দ

**অগ্ৰদূত বাৰ্তা**

**ডুমডুমা, ২২ জুলাই ঃ** তিনিচুকীয়া জিলাৰ মাকুমৰ সমীপৰ হাপজানত চোৰাং তেলৰ ট্ৰেংকাৰ জব্দ হোৱা বুলি জানিব পৰা গৈছে। অইলৰ নিৰাপত্তাৰক্ষীৰ নাকৰ তলেৰে নিশা হ'লেই চুৰি হৈ আহিছিল হেজাৰ হেজাৰ লিটাৰ খাৰুৱা তেল। মাকুম চহৰৰ সমীপৰ হাপজান চাহ বাগিচাৰ ভিতৰত তেল পৰিবাহী পাইপত সংযোগ স্থাপন কৰি দ' গাঁত খান্দি চোৰে এখন টেংকাৰত খাৰুৱা তেল চুৰি কৰি থকাৰ সময়ত মাকুম আৰক্ষী উপস্থিত হৈ জব্দ কৰে টেংকাৰখন। জব্দকৃত চোৰাং তেলভৰ্তি টেংকাৰখনৰ নম্বৰ এএছ-২৩ জি-২২৩২। উল্লেখ্য যে দীৰ্ঘদিন ধৰি অঞ্চলটোত অইল নিৰাপত্তাৰক্ষীৰ দুৰ্বলতাৰ সুযোগ লৈ অইলৰ ব্যাপক হাৰত তেলচুৰি হৈ আহিছিল বুলি স্থানীয় ৰাইজে অভিযোগ উত্থাপন কৰিছিল। তিনিচুকীয়া জিলাত আৰক্ষী অধীক্ষক দেৱজিৎ দেউৰীৰ নেতৃত্বত চোৰাং তেল চোৰৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে।

### বৰপেটাত সমবায় সমিতিৰ দুৰ্নীতিৰ বিৰুদ্ধে আমছুৰ সংবাদমেল

## দুহেজাৰ কুইণ্টল চাউল কেলেংকাৰি সংঘটিত কৰাৰ অভিযোগ সভাপতি-সম্পাদকৰ বিৰুদ্ধে



**অগ্ৰদূত বাৰ্তা**

**আলোপতি, ২২ জুলাই ঃ** বৰপেটা জিলাৰ বাঘবৰ সমষ্টিৰ অন্তৰ্গত বাঘমাৰাচৰ সমবায় সমিতিত সংঘটিত বৃহৎ দুৰ্নীতি কেলেংকাৰিৰ বিৰুদ্ধে সৰৱ হৈ পৰিছে আমছু। আমছুৰ আলোপতি মাজৰচৰ আঞ্চলিক সমিতিয়ে আলোপতি মাজৰচৰ বজাৰ কমিটীৰ কাৰ্যালয়ত আজি আয়োজন কৰা এক সংবাদমেলত সমবায় সমিতিৰ সভাপতি ফজল হক চৌধুৰী আৰু সম্পাদক ৰিপন আলী সৰকাৰৰ বিৰুদ্ধে কে'বাটাও গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। সংবাদমেলত ছাত্ৰ সংগঠনটোৰ নেতৃবৃন্দই অভিযোগ কৰা মতে, সমবায় সমিতিৰ সম্পাদকে জুলাইৰ ৫,৭০০ কুইণ্টল চাউল গোৱালপাৰাস্থিত ভাৰতীয় খাদ্য নিগমৰ গুদামৰ পৰা উঠাই আনে যদিও কোনো এজন এজেণ্টৰ মাজত এই চাউল বিতৰণ কৰা নাই। ইয়াৰ উপৰি সমবায় সমিতিৰ ৩৪ জন এজেণ্টৰ নামত ভুৱা কেছমেম' কাটি উক্ত এজেণ্টসকলক চাউল বিতৰণ কৰা দেখুৱাইছে। বিভাগীয় তদন্তত সমবায় সমিতিৰ গুদামঘৰত ১০,৪০০ বস্তা চাউল মজুত থকা বুলি দেখুৱাইছে যদিও প্ৰকৃততে গুদাম ঘৰত চাউল মজুত আছে ৮,৪০০ বস্তাহে। অৰ্থাৎ প্ৰায় দুহেজাৰ বস্তা চাউল বেছিকৈ দেখুৱাই যোগান বিভাগৰ তদন্তকাৰী বিষয়াই সম্পাদক সৰকাৰক সাৰি যোৱাৰ পথ প্ৰশস্ত কৰি দিয়াৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে আমছুৱে। তদুপৰি আমছুৰ অভিযোগ, জুনত সমবায় সমিতিৰ প্ৰায় তিনি ছয় পৃষ্ঠাত চাওক

## ছোনিয়া-ৰাহুলক ইডিৰ জেৰাৰ দেশজুৰি প্ৰতিবাদ কংগ্ৰেছৰ

**শিলচৰ, ২২ জুলাই ঃ** নেচনেল হেৰাল্ড গোচৰত ঘনাই ছোনিয়া গান্ধী আৰু ৰাহুল গান্ধীক প্ৰৱৰ্তক সঞ্চালকালয়ৰ কাৰ্যালয়লৈ মাতি নি জেৰা কৰা ঘটনাত দেশজুৰি ক্ষোভত ফাটি পৰিছে কংগ্ৰেছ। কংগ্ৰেছ সভানেত্ৰী ছোনিয়াৰ লগতে সৰ্বভাৰতীয় নেতা ৰাহুলক ইতিমধ্যে একাধিকবাৰ প্ৰৱৰ্তক সঞ্চালকালয়ে জেৰা কৰিছে আৰু সোমবাৰে পুনৰ জেৰা কৰিব। আজি শিলচৰতো বিক্ষোভ প্ৰদৰ্শন কৰে কংগ্ৰেছ কৰ্মী আৰু সদস্যসকলে। কংগ্ৰেছে প্ৰতিবাদত মুখৰ কৰি তোলাৰ সময়তে আৰক্ষীয়ে কৰ্মী-সদস্যসকলক আটক কৰে। ইপিনে, কংগ্ৰেছৰ নেতা-কৰ্মীসকলে নিজ কাৰ্যালয়ৰ পৰা সমদল কৰি গৈ উপায়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত প্ৰতিবাদ সাব্যস্ত কৰে। আনকি ৰাজপথৰ ওপৰত শুই পৰিও তেওঁলোকে প্ৰতিবাদ কৰে। আৰক্ষীয়ে বলপূৰ্বক তেওঁলোকক অস্থায়ী বন্দী শিবিৰলৈ নিয়ে। প্ৰতিবাদী কাৰ্যসূচী চলি থকাৰ সময়তে শিলচৰ জিলা কংগ্ৰেছৰ সভাপতি তমালকান্তি বণিকে কয়, 'স্বেচ্ছাচাৰী চৰকাৰৰ প্ৰতিটো কামেই গণ বিৰোধী। ইয়াৰ উপৰি ইডি, চিবিআই, তদন্তকাৰী সংস্থাসহ বিভিন্ন বিভাগক চাপত ৰাখি মানুহৰ বিৰুদ্ধে যি কামত লগোৱা হৈছে, সেয়া গণতন্ত্ৰ বিৰোধী। এইদৰেই ইটোৰ পাছত সিটোকৈ গণতন্ত্ৰ বিৰোধী কাম কৰি আছে চৰকাৰে।' বণিকে লগতে কয় যে নেচনেল হেৰাল্ড হৈছে পৰাধীন দেশৰ এখন সংবাদপত্ৰ। ১৯৩৯ত জন্মৰ পৰাই দেশৰ স্বাধীনতাৰ আন্দোলনত মানুহক ঐক্যবদ্ধ ছয় পৃষ্ঠাত চাওক

## মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মৰ গাড়ীক খুন্দা মাৰিলে ক্ৰেটা বাহনে

**অগ্ৰদূত বাৰ্তা**

**কোকৰাঝাৰ, ২২ জুলাই ঃ** কোকৰাঝাৰ সদৰ চহৰৰ জেডি ৰোডৰ বড়োসা প্ৰেছৰ ওচৰত আজি বিয়লি এক পথ দুৰ্ঘটনা সংঘটিত হয়। কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মৰ ৰখাই থোৱা ইন'ভা গাড়ী (এছ-১৬ এইছ-৬৪১৬)ত প্ৰচণ্ড জোৰেৰে এছ-২৬ ডি-৮২২১ নম্বৰৰ ক্ৰেটা বাহন এখনে খুন্দা মৰাৰ ফলত দুয়োখন ছয় পৃষ্ঠাত চাওক

## অবৈধ বিলাতী সুৰাৰ বিৰুদ্ধে ৰূপহীহাট আৰক্ষীৰ অভিযান

**অগ্ৰদূত বাৰ্তা**

**ৰূপহীহাট, ২২ জুলাই ঃ** যোৱা নিশা ৰূপহীহাট আৰক্ষী থানাৰ আৰক্ষীয়ে গোপন সূত্ৰৰ পম খেদি হাতীপাৰাত চলাইছিল অবৈধ বিলাতী সুৰাৰ বিৰুদ্ধে অভিযান। আৰক্ষীয়ে অভিযান চলাই বুজন পৰিমাণৰ বিলাতী সুৰা জব্দ কৰিবলৈ সক্ষম হয়। ৰছিদুল ইছলাম নামৰ লোকজনে দীৰ্ঘদিনৰ পৰা চলাই আছিল অবৈধ সুৰাৰ ৰমৰমীয়া বেহা। ৰছিদুলৰ বাসগৃহত ১৪০ টা অবৈধ সুৰাৰ বটল মজুত কৰি ৰাখিছিল। আৰক্ষীৰ অভিযানৰ উমান পাই ঘৰ এৰি পলায়ন কৰে সুৰা ব্যৱসায়ী ৰছিদুল ইছলামে।

## টিহুৰ মাখিবাহাৰ প্ৰণৱ শৰ্মাৰ হত্যাকাৰী নীৰেন শৰ্মাক জেললৈ প্ৰেৰণ

**অগ্ৰদূত বাৰ্তা**

**টিহু, ২২ জুলাই ঃ** টিহুৰ মাখিবাহাত কালি এক লোমহৰ্ষক হত্যাকাণ্ড সংঘটিত হয়। মাখিবাহাৰ অধ্যাপক পাৰা চুবুৰিৰ প্ৰণৱ শৰ্মা নামৰ এজন যুৱকক দিন দুপৰতে একে চুবুৰিৰে নীৰেন শৰ্মা নামৰ এজন লোকে হানি-খুঁচি হত্যা কৰে। আজি টিহু আৰক্ষীয়ে হত্যাকাৰী নীৰেন শৰ্মাক নলবাৰী জেললৈ প্ৰেৰণ কৰে। আনফালে, আজি বিয়লিৰ ভাগত সাধাৰণ ৰঙৰ কাম কৰি পৰিয়ালটোক ভোৰণ-পোষণ দিয়া প্ৰণৱ শৰ্মাৰ মৃতদেহ নলবাৰী অসামৰিক চিকিৎসালয়ত মৰণোত্তৰ পৰীক্ষা কৰি ঘৰলৈ অনাৰ পাছত অসংখ্য লোকৰ উপস্থিতিত শোকাকুল পৰিৱেশত অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়।

## বঙাইগাঁৱৰ যুৱকৰ সৰলপাৰাত মৃত্যু



**বঙাইগাঁও, ২২ জুলাই ঃ** কোকৰাঝাৰ জিলাৰ সৰলপাৰাত বন্ধুৰ স'তে ফুৰিবলৈ গৈ নৈত গা ধুবলৈ গৈ বঙাইগাঁও চহৰৰ এগৰাকী মেধাৱী ছাত্ৰৰ সলিল সমাধি ঘটে । ঘটনাটো বৃহস্পতিবাৰৰ । বঙাইগাঁও চহৰৰ পৰা যোৱা মুঠ আঠজনীয়া বন্ধু দলে দুপৰীয়া পৰত সৰলপাৰাত নৈত গা ধুই থাকোতে শিলৰ পৰা পিছলি পৰি মনোৰঞ্জন দাস নামৰ ২১ বছৰীয়া যুৱকজন পানীত উটি যায়। ভূটানৰ পৰা নামি অহা খৰস্ৰোতা নৈৰ সোঁতত যুৱকজন বহু দূৰলৈ উটি যোৱাৰ পাছত স্থানীয় লোকৰ সহযোগত উদ্ধাৰ কৰা হয়। পাছলৈ বন্ধু দলে যুৱকজনক বঙাইগাঁও লৱাৰ আসাম হাস্পতাল এণ্ড ৰিচাৰ্চ চেণ্টাৰত ভৰ্তি কৰে। ইতিমধ্যে মৃত্যু হোৱা যুৱকজনক চিকিৎসকে মৃত বুলি ঘোষণা কৰে। বঙাইগাঁও মহাবিদ্যালয়ৰ বাণিজ্য বিভাগৰ স্নাতক বৰ্ষৰ ছাত্ৰ মনোৰঞ্জন দাসৰ ঘৰ বঙাইগাঁও বৰপাৰাত। জীৱন বীমা নিগমৰ বঙাইগাঁও মাণ্ডলিক কাৰ্যালয়ৰ কৰ্মচাৰী ৰূপেশ্বৰ দাসৰ পুত্ৰ মনোৰঞ্জন দাসৰ মৃতদেহ আজি বঙাইগাঁও আৰক্ষীয়ে উল্লিখিত চিকিৎসালয়ৰ পৰা বঙাইগাঁও অসামৰিক চিকিৎসালয়ত মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰি পৰিয়ালৰ লোকক চমজাই দিয়ে।

### দৰং জিলা সাহিত্য সভাৰ ৫০সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

## অসমীয়া সাহিত্য-সংস্কৃতি-সভ্যতা ভাৰতীয় সাহিত্য-সংস্কৃতি-সভ্যতাৰ পৰা পৃথক নহয় ঃ মৃণালিনী দেৱী

**বিশেষ সংবাদদাতা**

**মঙলদৈ, ২২ জুলাই ঃ** গৌৰৱোজ্জ্বল শতবৰ্ষ অতিক্ৰম কৰা অসম সাহিত্য সভাৰ অন্যতম শক্তিশালী আৰু সক্ৰিয় জিলা সভাৰূপে খ্যাতি লাভ কৰি দুবাৰকৈ অসম সাহিত্য সভাৰ শ্ৰেষ্ঠ জিলাৰ সন্মান লাভ কৰিবলৈ সক্ষম হোৱা দৰং জিলা সাহিত্য সভাৰ ২১ জুলাইত ৫০সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপনৰ লগতে গৌৰৱোজ্জ্বল সোণালী জয়ন্তীৰ বৰ্ষজোৰা উৎসৱৰ আৰম্ভণি কৰা হয়। ১৯৭৩ৰ এপ্ৰিলত অসম সাহিত্য সভাৰ তদানীন্তন সভাপতি গিৰিধৰ শৰ্মাৰ পৰা সভাৰ সংগঠকৰূপে লিখিত দায়িত্ব পাই ডাঁহী সাহিত্য সভাৰ সম্পাদক ভৱ কান্ত বৰাই সেই বৰ্ষৰে ২১ জুলাইত আহ্বান কৰি টংলা হাইস্কুলত মঙলদৈ মহকুমা (বৰ্তমানৰ দৰং আৰু ওদালগুৰি জিলা)ৰ প্ৰতিনিধিৰে অনুষ্ঠিত ৰাজহুৱা সভাত জন্মলাভ কৰে তেতিয়াৰ মঙলদৈ জিলা সাহিত্য পৰিষদ, পাছলৈ দৰং জিলা সাহিত্য পৰিষদ আৰু বৰ্তমানৰ দৰং জিলা সাহিত্য সভাই। মুক্তিযুঁজাৰু, সাহিত্যসেৱী ৰত্নেশ্বৰ শৰ্মাক সভাপতি আৰু শিক্ষাবিদ, সাহিত্যিক ফুলেন্দ্ৰ নাথ চহৰীয়াক সম্পাদকৰূপে লৈ গঠন কৰা এই মৰ্যাদাসম্পন্ন জিলা সভাখনৰ এই মনোজ্ঞ অনুষ্ঠানৰ আৰম্ভ হয় পুৱা ৮-৫৫ বজাত অসম সাহিত্য সভাৰ ৫০খন পতাকা উত্তোলনেৰে। জিলা সাহিত্য সভাৰ সভাপতিৰ সাময়িক দায়িত্ব পালন কৰি থকা উপ-সভাপতি বৰদা শইকীয়াই অসম সাহিত্য সভাৰ মূল পতাকা উত্তোলন কৰাৰ সমান্তৰালভাৱে জিলা সভাৰ প্ৰাক্তন সভাপতি সকল ক্ৰমে অধ্যাপক ইদ্ৰিছ আলী, ডাঃ অমৰেন্দ্ৰ নাৰায়ণ দেৱ, ফুলেন্দ্ৰনাথ চহৰীয়া, ড° নগেন্দ্ৰ নাথ শৰ্মা, পৃথুৰাম বৰুৱা, ভাৰত ভূষণ ছয় পৃষ্ঠাত চাওক

## কলিয়াবৰত গৰুভৰ্তি বাহন জব্দ ঃ চালক আটক

**অগ্ৰদূত বাৰ্তা**

**কলিয়াবৰ, ২২ জুলাই ঃ** কলিয়াবৰ আৰক্ষীয়ে আজি পুৱতি নিশা অভিযান চলাই অবৈধভাৱে সৰবৰাহ কৰা এখন গো-ভৰ্তি বাহন জব্দ কৰিবলৈ সক্ষম হয়। বিশেষ খবৰৰ ভিত্তিত কলিয়াবৰ আৰক্ষীয়ে তালাচীৰ জৰিয়তে জব্দ কৰে বাহনখন। জব্দকৃত বাহনখনৰ পৰা আৰক্ষীয়ে ৩৫ টাকৈ গৰু উদ্ধাৰ কৰিবলৈ সক্ষম হয়। আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰা মতে, বোকাখাতৰ পৰা নিশা সোণাপুৰলৈ গো-ধনখিনি আনি থকা সময়তে আৰক্ষীৰ জালত পৰে গো-সৰবৰাহকাৰী। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে আটক কৰে চালক জিদুল আলীক। জব্দকৃত বাহনখনৰ নম্বৰ হৈছে এএছ-০১ জেচি-৯২৫৬। ইতিমধ্যে ঘটনা সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে।

দৈনিক অগ্ৰদূত

যোৰহাট শনিবাৰ ৬ শাওণ ১৪২৯ ভাস্কৰাব্দ ২৩ জুলাই ২০২২



# খাদ্য সামগ্ৰীত জিএছটি

**কেন্দ্ৰীয়** চৰকাৰে পেকেটত বিক্ৰী কৰা নিত্য ব্যৱহাৰ্য কেতবোৰ খাদ্য সামগ্ৰীত পাঁচ শতাংশ সামগ্ৰী আৰু সেৱা কৰ (জিএছটি) আৰোপ কৰিলে। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে ঘোষণা কৰা অনুসৰি, বজাৰত পেকেটত বিক্ৰী কৰা গাখীৰ, দৈ, দাইল, আটা, চাউল, বেচন, মুড়ী, চুজি, ঘেঁহু ইত্যাদি খাদ্য সামগ্ৰীত পাঁচ শতাংশ জিএছটি আদায় দিব লাগিব। একেদৰে 'টেট্ৰা' পেকেটত বিক্ৰী কৰা খাদ্যৰ জিএছটি পূৰ্বৰ ১২ শতাংশৰ পৰিৱৰ্তে ১৮ শতাংশলৈ বৃদ্ধি কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ এই সিদ্ধান্তৰ ইতিমধ্যে তীব্ৰ বিৰোধিতা কৰিছে কংগ্ৰেছ, তৃণমূল কংগ্ৰেছ, আম আদমী পাৰ্টিসহ প্ৰায়বোৰ বিৰোধী ৰাজনৈতিক দলে। চৰকাৰে এইদৰে নিত্য ব্যৱহাৰ্য খাদ্য সামগ্ৰীক জিএছটিৰ অধীনলৈ অনাৰ ফলত দেশত খাদ্য দ্ৰব্যৰ অধিক মূল্যবৃদ্ধি নিশ্চিত হ'ল। ইতিমধ্যে দেশৰ সৰ্ববৃহৎ দুগ্ধজাত সামগ্ৰী উৎপাদক প্ৰতিষ্ঠান আমুলে দৈ, লচ্চী, গাখীৰ আদিৰ মূল্য পাঁচ শতাংশ বৃদ্ধিৰ কথা ঘোষণা কৰিছে। বাণিজ্যিক বিশেষজ্ঞৰ মতে, চৰকাৰে জিএছটি আৰোপ কৰাত এতিয়া দেশত নিত্য ব্যৱহাৰ্য এনেবোৰ খাদ্য সামগ্ৰীৰ মূল্য পাঁচৰ পৰা আঠ শতাংশ পৰ্যন্ত বৃদ্ধি পাব। 'টেট্ৰা' পেকেটৰ খাদ্যত জিএছটিৰ পৰিমাণ ১৮ শতাংশলৈ বৃদ্ধিৰ ফলত এনেবোৰ খাদ্যৰো মূল্য অধিক হোৱাটো অৱধাৰিত হৈ পৰিল। উল্লেখ্য যে বৰ্তমানে বজাৰত প্ৰায়বোৰ পানীয়, ফলৰ ৰস, গাখীৰ, ক্ৰীম, লচ্চী, অ' আৰ এছ, ছচ, তেল ইত্যাদি 'টেট্ৰা' পেকেটত বিক্ৰী হয়। কংগ্ৰেছৰ অভিযোগ অনুসৰি, কেন্দ্ৰৰ চৰকাৰে দৰিদ্ৰৰ আহাৰ মুঠিও কাঢ়ি নিবলৈ খাদ্য সামগ্ৰীক এইদৰে জিএছটিৰ অন্তৰ্ভুক্ত কৰিলে। তৃণমূল কংগ্ৰেছেও খাদ্য সামগ্ৰীত জিএছটি আৰোপৰ বিৰোধিতা কৰি শীঘ্ৰে এই সিদ্ধান্ত প্ৰত্যাহাৰৰ দাবী জনাইছে।

ইফালে, কেন্দ্ৰৰ চৰকাৰে খাদ্য সামগ্ৰীত জিএছটি আৰোপৰ এই সিদ্ধান্ত সঠিক দাবী কৰাৰ লগতে নিত্য ব্যৱহাৰ্য খাদ্য দ্ৰব্যত কৰ আৰোপ নতুন সিদ্ধান্ত নহয় বুলি যুক্তি দৰ্শাইছে। কেন্দ্ৰীয় বিত্তমন্ত্ৰী সীতাৰমণে কৈছে দেশত প্ৰথমবাৰলৈ খাদ্য সামগ্ৰীত কৰ আৰোপ কৰা বুলি প্ৰচাৰিত বাতৰি শুদ্ধ নহয়। জিএছটি আৰোপৰ পূৰ্বৰে পৰা ৰাজ্যসমূহে খাদ্য সামগ্ৰীৰ পৰা ৰাজহ আহৰণ কৰি আহিছে বুলি দাবী কৰি সীতাৰমণে কয় যে 'পঞ্জাৱ পাৰচেজ টেক্স'ৰ নামত পঞ্জাৱ চৰকাৰে খাদ্য সামগ্ৰীৰ জৰিয়তে দুহেজাৰ কোটি টকাৰো অধিক ৰাজহ আহৰণ কৰিছিল। একেদৰে উত্তৰ প্ৰদেশ চৰকাৰেও একে ধৰণৰ কৰৰ জৰিয়তে নিত্য ব্যৱহাৰ্য খাদ্য সামগ্ৰীৰ পৰা সাতশ কোটি টকাৰ ৰাজহ লাভ কৰিছিল। কেন্দ্ৰীয় বিত্তমন্ত্ৰীগৰাকীয়ে লগতে কয় যে যেতিয়া জিএছটি ব্যৱস্থা দেশত প্ৰৱৰ্তন কৰা হৈছিল, সেই সময়ত ব্ৰেণ্ডেড খাদ্য দ্ৰব্য যেনে দাইল, আটা ইত্যাদিত পাঁচ শতাংশ কৰ আৰোপ কৰা হৈছিল। পাছত এই সিদ্ধান্ত সলনি কৰি কেৱল পঞ্জীকৃত ব্ৰেণ্ডৰ খাদ্য সামগ্ৰীত জিএছটি আৰোপ কৰা হৈছিল; কিন্তু একাংশ ব্ৰেণ্ডে অপকৌশল অৱলম্বন কৰাত এনেবোৰ ব্ৰেণ্ডৰ জৰিয়তে আহৰণ কৰা জিএছটিৰ ৰাজহ যথেষ্ট হ্ৰাস পায়। সেয়েহে চৰকাৰে পেকেট কৰা আৰু লেবেল থকা খাদ্য সামগ্ৰীত পাঁচ শতাংশ জিএছটি আৰোপৰ সিদ্ধান্ত লোৱা হৈছে বুলি সীতাৰমণে কাৰণ দৰ্শাইছে। মন্ত্ৰীগৰাকীয়ে এই কথাও কৈছে যে পেকেট অবিহনে খোলাকৈ বিক্ৰী কৰা নিত্য ব্যৱহাৰ্য খাদ্য যেনে চাউল, দাইল, আটা, চেনি, চুজি, বেচন, মুড়ী, দৈ ইত্যাদিত কোনো কৰ গ্ৰাহকে আদায় দিব নালাগে।

সাধাৰণতে বজাৰত পেকেট অবিহনে খোলাকৈ বিক্ৰী কৰা খাদ্য সামগ্ৰীসমূহক অস্বাস্থ্যকৰ গণ্য কৰা হয়। ইয়াৰ বিপৰীতে পেকেটত বিক্ৰী খাদ্য স্বাস্থ্যসন্মত আৰু সুৰক্ষিত বুলি ভবা হয়। 'ব্ৰেণ্ডেড' অৰ্থাৎ প্ৰসিদ্ধ প্ৰতিষ্ঠানৰ খাদ্য সামগ্ৰী হ'লে সেইসমূহ উপভোক্তাৰ অধিক আস্থাৰ হয়। চৰকাৰে পেকেটৰ খাদ্যত জিএছটি আৰোপৰে দেশৰ কোটি কোটি সাধাৰণ নাগৰিকৰ বাবে নিত্য ব্যৱহাৰ্য খাদ্য সামগ্ৰী অতি মহঙা কৰি তুলিলে। এই সিদ্ধান্তৰে চৰকাৰে দৰিদ্ৰ নাগৰিকক পেকেটৰ উন্নতমানৰ খাদ্যৰ পৰিৱৰ্তে খোলা বজাৰৰ অস্বাস্থ্যকৰ খাদ্য সামগ্ৰী ক্ৰয় কৰিবলৈ বাধ্য কৰা নহ'ল নে? চৰকাৰে যদি ৰাজহ বৃদ্ধিৰ বাবেই এই সিদ্ধান্ত লৈছে, তেন্তে নিত্য ব্যৱহাৰ্য খাদ্য সামগ্ৰীৰ পৰিৱৰ্তে অতি বিলাসী সামগ্ৰী, নিচা জাতীয় সামগ্ৰীত কৰৰ পৰিমাণ বৃদ্ধি নকৰিলে কিয়? সাধাৰণ নাগৰিকৰ আৰ্থিক বোজা জিএছটি আৰোপৰ ফলত নাবাঢ়ে বুলি চৰকাৰে দাবী কৰিলেও এই কথা ব্যাখ্যাৰ প্ৰয়োজন নাই যে দেশৰ দৰিদ্ৰ আৰু মধ্যবিত্তসকলেই সৰ্বাধিক প্ৰভাৱিত হ'ব, কিয়নো বজাৰত এতিয়া প্ৰায় সকলোবোৰ খাদ্য সামগ্ৰীয়ে পেকেটতে বিক্ৰী কৰা হয়। এফালে, চৰকাৰে খাদ্য সামগ্ৰীৰ মান ৰক্ষাৰ বাবে উন্নত পেকেজিঙত গুৰুত্ব দিছে আৰু আনহাতে পেকেটৰ খাদ্যত উচ্চ কৰ আৰোপৰে নিত্য ব্যৱহাৰ্য সামগ্ৰী মহঙা কৰি তুলিছে। এনেয়ে সৰ্বসাধাৰণে মূল্যবৃদ্ধিৰ জুৰুলা হৈছে, তাতে এইবাৰ খাদ্য সামগ্ৰীতো জিএছটিৰ মাধমাৰ শোধালে চৰকাৰে।

## খোলা মঞ্চ

## অৰ্ধ-শতাব্দী অতিক্ৰম কৰা 'অগ্ৰদূত' সম্পৰ্কে আপোনাৰ ধাৰণা




**খনীন্দ্ৰ নাথ দাস,** লেখক

**মই** অগ্ৰদূত আৰু দৈনিক অগ্ৰদূত কাকতৰ এজন নিয়মীয়া পাঠকৰূপে পৰিচিত। যদিও প্ৰথমখন কাকত নিয়মীয়াকৈ পঢ়া নাছিলো। কোনোবা শুভাকাংক্ষীয়ে ক'লেহে বোলে, আজি অগ্ৰদূতত কিবা ভাল প্ৰবন্ধ এটি ওলাইছে, তেতিয়াহে কিনি আনি পঢ়ি, মই পঢ়োৱা বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক তাৰ সম্যক আভাষ দিয়াৰ লগতে নিৱন্ধকাৰৰ বিষয়েও জানি বুজি তেওঁলোকৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিলো। ইজৰাইলে উগাণ্ডালৈ বিমান অপহৰণ কৰি নিয়া ১২০ জন যাত্ৰীসহ নিজ দেশৰ নাগৰিকৰ এটোপোল তেজৰ ক্ষতি নোহোৱাকৈ ২-৩ জন নাগৰিকৰ বাহিৰে সকলোকে উদ্ধাৰ কৰি বিশ্বক চমক খুৱাইছিল তাৰ কাহিনী অগ্ৰদূতৰ পাতত পঢ়ি এফালে ইজৰাইল চৰকাৰৰ বুদ্ধিমত্তা দেশ-প্ৰেম আৰু আনফালে 'অগ্ৰদূত' কাকতৰ আন্তঃৰাষ্ট্ৰীয় দৃষ্টি-ভংগীৰ বিচাৰ বিবেচনাৰে প্ৰকাশ কৰা সেই অপহৰণ কাণ্ডৰ যৱনিকা, ছাত্ৰ-ছাত্ৰী আৰু বাতৰি বলীয়া পঢ়ুৱৈৰ বাবে বৰ আশাপ্ৰদ তথা মনৰ পৰা মচ নোখোৱা বাতৰি। ইডি-আমিনৰ দৰে ৰাষ্ট্ৰপতি। তেওঁ ব্যৱহাৰ কৰা ক'লা ৰঙৰ গাড়ী বেণ্ড পাৰ্টিৰ বন্দোবস্ত বিষয়া তথা নাৰ্ছসকলৰ প্ৰাক প্ৰশিক্ষণ আদি সকলো সঁচাৰকাঠি যেন লাগিছিল যেতিয়া বিমান অপহৃত যাত্ৰীসকলক নিজ দেশলৈ উভতাই আনিছিল। ভৱিষ্যতেও তেনে ধৰণৰ বা-বাতৰি অগ্ৰদূত কাকতে প্ৰকাশ কৰি থাকক। তেনে ধৰণৰ বাতৰি প্ৰকাশে মনত বল, শক্তি সঞ্চাৰ, বুদ্ধিমত্তা জীৱনৰ প্ৰতি দায়বদ্ধতা আদি কঢ়িয়াই আনে। আনহাতে, 'অগ্ৰদূত' কাকতৰ সম্পাদক কনকসেন ডেকাই বহু শিক্ষিত যুৱক-যুৱতীক লেখা-মেলাৰ প্ৰতি উদ্‌গণি দিয়াৰ ফল স্বৰূপে বহু ডেকা-গাভৰুৱে নিজকে লেখক-লেখিকা হিচাপে গঢ় দিব পাৰিছে। এজন সম্পাদকৰ চৰিত্ৰৰ ভূষণ 'মিঠা-মাত' আৰু সদুপদেশ। অসম তথা পূৰ্বাঞ্চলৰ জ্বলন্ত সমস্যাৰাজি, অসমৰ পৰা বিদেশী-বিতাৰণ, অসমীয়া ৰাজ্যিক ভাষা হিচাপে ১৯৬০ৰ ভাষা আইন প্ৰয়োগ, এ পি এছ চি, আৰক্ষীৰ এছ আই কেলেংকাৰি, ট্ৰাইবেল বেল্ট ব্লকত অবৈধ লোকৰ অনুপ্ৰৱেশ আৰু ইয়াৰ বিষময় ফল, নিবনুৱাক সংস্থাপন, জলবিবাদ (ব্ৰহ্মপুত্ৰৰ পানী বোৱাই নিয়া) অসমক এৰাবাৰীত পৰিণত কৰি চুবুৰীয়া ৰাজ্যসমূহৰ স'তে সীমা বিবাদ, নগাৰ আগ্ৰাসন, আঞ্চলিক দলৰ চৰকাৰ আৰু ইয়াৰ ভৱিষ্যৎ, নাৰী নিৰ্যাতন, শিশুক পুষ্টিকৰ খাদ্য বিতৰণ, খেলত পাৰিবাৰিক ধ্যান ধাৰণা আঁতৰাই ৰাখি যোগ্য আৰু পাৰদৰ্শী খেলুৱৈৰ দ্বাৰা দল গঠন কৰা, বনজ সম্পদ ৰক্ষা কৰা, দুৰ্নীতি ঘোচ-খোৰ, দালাল ৰাজ, বস্তু বাহানিৰ দাম নিয়ন্ত্ৰণ, পুলিচি ৰাজ নিয়ন্ত্ৰণ আদিৰ ওপৰত প্ৰকাশিত বা-বাতৰি আৰু সম্পাদকীয় শিতানে পঢ়ুৱৈ সমাজক খুব দৃঢ়ভাৱে আকৰ্ষণ কৰি আহিছে সৌ ১৯৭১ৰে পৰা। আমি অসমৰ একেবাৰে পশ্চিম প্ৰান্তত বসবাসকাৰী এজন সচেতন পাঠক হিচাপে কাকতখন পঢ়ি আনকো পঢ়িবলৈ উদগনি দি আনন্দ অনুভৱ কৰো। সম্পাদকীয় স্তম্ভই মোৰ দৰে বহু পাঠকক সন্মোহিত কৰে। দেশ-জাতি-মাটি-ভাষা-সংস্কৃতি-সভ্যতা-সাহিত্য আদি ৰক্ষা আৰু প্ৰচাৰ প্ৰসাৰত 'অগ্ৰদূত' কাকতখনে আমাৰ হিয়াৰ আমঠু দেহ লাউ। কাকতখনৰ জয়যাত্ৰা চিৰপ্ৰবাহমান ব্ৰহ্মপুত্ৰৰ দৰে প্ৰবাহিত হৈ যাতে থাকে তাকেই আন্তৰিকতাৰে কামনা কৰো। লগতে দৈনিক অগ্ৰদূত কাকতখন যেন ৰাতিপুৱা ছয় বজাৰ ভিতৰত অসমবংগ সীমান্তৰ বিভিন্ন ভিতৰুৱা অঞ্চলত প্ৰৱেশ কৰাই কাকতখন বিচৰা লোকৰ চাহিদা পূৰণ কৰে তাৰ বাবে কাকতগোষ্ঠীক অনুৰোধ জনালো।

# ধৰ্মীয় বিশ্বাসৰ ঊৰ্ধ্বত বিজ্ঞান আৰু প্ৰযুক্তি

## বিশ্বত পলিঅ' ডিপথেৰিয়া, প্লেগ, কলেৰা আদি মহামাৰীৰ প্ৰতিষেধক বিজ্ঞানীয়ে আৱিষ্কাৰ কৰিছে, ঈশ্বৰে কৰা নাই



বিক্ষিপ্ত চিন্তা

ড° জয়কান্ত শৰ্মা




**ভা**ৰতৰ দৰেই দ্বিতীয় বিশ্বযুদ্ধৰ পাছত স্বাধীনতা লাভ কৰা আন এখন দেশ হ'ল ইণ্ডোনেছিয়া। দেশ দুখনৰ মাজত সাদৃশ্যৰ অন্যতম বিন্দু হিন্দু-সংস্কৃতি, সেইটোও তাৎপৰ্যপূৰ্ণ। প্ৰায় ত্ৰয়োদশ শতিকালৈকে ইণ্ডোনেছিয়াত হিন্দু পৰম্পৰাই প্ৰাধান্য লাভ কৰি আছিল। কালক্ৰমত ইছলামীয় আগ্ৰাসনৰ ফলত দেশখনৰ ৮৮ শতাংশ লোকেই মুছলমান হ'ল; পিছে বিশ্বৰ সৰ্বাধিক মুছলমান জনসংখ্যাৰ দেশ হৈও ইণ্ডোনেছিয়াবাসীয়ে হিন্দু সংস্কৃতি ত্যাগ নকৰিলে। আজিও দেশখনৰ মুদ্ৰা 'ৰূপয়া', ছপানোটৰ ওপৰত গণেশৰ ছবি, ৰাজহুৱা বিমান সেৱাৰ নাম 'গৰুড়' ইত্যাদি। তদুপৰি ইণ্ডোনেছিয়াৰ ভালেমান অঞ্চলত প্ৰায় নিয়মিতভাৱে ৰামায়ণী সাহিত্যৰ চৰ্চা হয়। ইণ্ডোনেছিয়াবাসীয়ে প্ৰদৰ্শন কৰা এনে সাংস্কৃতিক উদাৰতাই বিশ্বৰ মহান পৰম্পৰাৰূপে স্বীকৃতি পাইছে। ইয়াৰ মূলতে আছে দেশখনত আধুনিক শিক্ষাৰ প্ৰসাৰ। ইণ্ডোনেছিয়াত সাক্ষৰতাৰ হাৰ ৯৪ শতাংশ; শিক্ষিতা মহিলাৰ সংখ্যাও নিচেই কম নহয় (৯০ শতাংশ)। একে ধৰণৰ পৰিসংখ্যা ছৌদি আৰৱ, কাটাৰ আদি মুছলমান দেশতো পৰিলক্ষিত হয়। পিছে সংযুক্ত আৰৱ ৰাজতন্ত্ৰত (ইউ এ ই) পুৰুষতকৈও মহিলাৰ সাক্ষৰতাৰ হাৰহে বেছি। তাৰ সুফলো দেশখনে লাভ নকৰাকৈ থকা নাই। আজি আৰৱৰ মহিলা বিজ্ঞানীসকলেই মহাকাশ গৱেষণাৰ নেতৃত্ব লৈছে। কৃত্ৰিম উপগ্ৰহ কক্ষপথত .স্থাপন কৰিবলৈ সক্ষম হৈছে। আৰৱ এমিৰেটে ইহুদী ৰাষ্ট্ৰ ইজৰাইলৰ স'তে শত্ৰুতা ত্যাগ কৰি সহযোগিতাৰ পথ আঁকোৱালি লৈছে। এই দেশখনত জনসংখ্যাৰ ১৩ শতাংশ খ্ৰীষ্টান, সাত শতাংশ হিন্দু আৰু দুই শতাংশ বৌদ্ধ। তৎসত্ত্বেও হিন্দুসকলৰ বাবে এটা শিৱমন্দিৰ স্থাপন কৰিবলৈ অনুমতি দিয়া হৈছে, সেইটো তাৎপৰ্যপূৰ্ণ।

ইয়াৰ বিপৰীতে আফগানিস্তানত সাক্ষৰতাৰ হাৰ ৩৮ শতাংশ মাথোন; শিক্ষিতা মহিলাৰ সংখ্যা একেবাৰে কম। কাৰণ মৌলবাদী মুছলমানসকল নাৰী শিক্ষাৰ বিৰোধী। এইখন দেশৰ পৰাই মুছলমান সমাজলৈ সন্ত্ৰাসবাদৰ জৰিয়তে বিশ্বক এখন খলিফা শাসিত দেশলৈ ৰূপান্তৰিত কৰাৰ বাৰ্তা প্ৰেৰণ কৰা হয়; কিন্তু আফগানী মহিলাই তালিবানী শাসন ব্যৱস্থাৰ বিৰোধিতা কৰিছে। তেওঁলোকে বিচাৰে আধুনিক শিক্ষা আৰু বাহিৰত কাম কৰাৰ অধিকাৰ। তাত বন্দুকৰ ভয় দেখুৱাইহে মহিলাৰ আন্দোলন দমন কৰা হৈছে। আনহাতে, ৰাষ্ট্ৰসংঘয়ো স্পষ্ট কৰি দিছে, মহিলাক সম-অধিকাৰ প্ৰদান নকৰা পৰ্যন্ত তালিবান চৰকাৰক স্বীকৃতি দিয়া নহ'ব।

পিছে পাকিস্তান আৰু বাংলাদেশৰ স্থিতি কি। দুয়োখন দেশতে মহিলা নেতাই ৰাজনীতিত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰি থকা সত্ত্বেও মহিলাৰ সাক্ষৰতাৰ হাৰ ৪০ শতাংশ বা তাৰ ওচৰে-পাঁজৰে। আনহাতে, পাকিস্তানৰ ৰাজনীতি সততে মৌলবাদী শক্তিৰ হাতৰ মুঠিত। তাত সামৰিক বাহিনীৰ সদিচ্ছাতহে অসামৰিক চৰকাৰ চলিব পাৰে।

আমি এনেবোৰ পৰিসংখ্যাৰ মাজেৰে উপস্থাপন কৰিবলৈ বিচৰা বিষয়টো হ'ল, ধৰ্মীয় সহিষ্ণুতা আৰু আধুনিক শিক্ষাৰ মাজৰ পাৰস্পৰিক নিৰ্ভৰশীলতা। এক কথাত, আধুনিক শিক্ষাই মৌলবাদ দূৰ কৰে আৰু এই ক্ষেত্ৰত নাৰী শিক্ষাৰ বিশেষ প্ৰভাৱ পৰিলক্ষিত হয়। কাৰণ এইটো প্ৰতিপন্ন হৈছে যে বিজ্ঞান আৰু প্ৰযুক্তিৰ বিকাশে মানৱ সমাজৰ উত্তৰণ সুনিশ্চিত কৰে। এই ক্ষেত্ৰত নাৰী শক্তিৰ যোগদান অপৰিহাৰ্য। পিছে এই ক্ষেত্ৰত ভাৰতীয় মুছলমান সমাজৰ সঁহাৰি সন্তোষজনক বুলি ক'ব নোৱাৰি। তথাকথিত ছেকুলাৰ দলবোৰে মুছলমানক ইমানদিনে ভোট বেংকৰূপেহে ব্যৱহাৰ কৰি আহিছে। আবুল কালাম আজাদ 'মৌলানা' হৈও ভাৰতৰ শিক্ষামন্ত্ৰীৰূপে আধুনিক শিক্ষাৰ বাটকটীয়া হৈছিল, কিন্তু তাৰ পৰা মুছলমান সমাজে একো প্ৰেৰণা ল'ব নোৱাৰিলে। ছাছৰ সমিতিৰ প্ৰতিবেদনত ভাৰতীয় মুছলমানৰ অনগ্ৰসৰতাৰ বিষয়ে তন্ন তন্ন বিশ্লেষণ আছে।

তাৰ বিপৰীতে নৰেন্দ্ৰ মোদীৰ চৰকাৰে মুছলমান যুৱক-যুৱতীক এহাতে কোৰান আৰু আনহাতে কম্পিউটাৰ ল'বলৈ আহ্বান জনাই আধুনিক শিক্ষাৰ পথ দেখুৱাইছে; মুছলমান ছাত্ৰীৰ বাবে বিশেষ জলপানিৰ ব্যৱস্থাও কৰিছে। পিছে মুছলমান সমাজত সংস্কাৰ সাধন কাৰ্যসূচীৰ তীব্ৰ বিৰোধিতা কৰি আছে ছেকুলাৰবাদীৰ ভেমত মৌলবাদী শক্তিয়ে। শেহতীয়া ঘটনাৰাজি তাৰেই ইংগিত।

(দুই)

ইণ্ডোনেছিয়াৰ পাছতে ভাৰতবৰ্ষ দ্বিতীয় মুছলমানবহুল দেশ; দহ হেজাৰ বছৰীয়া হিন্দু সংস্কৃতিৰ প্ৰাচীন দেশখনত মুছলমানসকল মূলতঃ আক্ৰমণকাৰীৰ ৰূপত প্ৰৱেশ কৰিলেও মূৰকত অধিকাংশই হিন্দুৰ ধৰ্মীয় সহিষ্ণুতাৰ দ্বাৰা প্ৰভাৱান্বিত নোহোৱাকৈ থকা নাই। তাৰে উজ্জ্বল দৃষ্টান্ত হ'ল চুফীবাদ দৰ্শন। পিছে দেশখনৰ সাম্প্ৰদায়িক বিভাজনে তাত আউল নলগোৱাকৈ নাথাকিল। একাংশ গোড়া মুছলমানে ধৰ্মীয় শিক্ষাৰ ওপৰত গুৰুত্ব দিবলৈ ধৰিলে আৰু এনেদৰেই বিকাশৰ পথত পিছ পৰি ৰ'ল মুছলমান সমাজ।

ধৰ্মীয় সহিষ্ণুতা হিন্দু সংস্কৃতিৰ ঐতিহ্য। ইয়াত নাস্তিক দৰ্শনৰ পণ্ডিতেও ঋষিৰ মৰ্যাদা পায় আৰু বিদূষী মহিলাই ঋষিৰ সভাত সন্মানজনক স্থান লাভ কৰাৰ অনেক উদাহৰণ আছে। পন্থ নিৰপেক্ষতাই হ'ল হিন্দুত্বৰ কেন্দ্ৰবিন্দু। কোনো ধৰ্মৰ প্ৰতি বিদ্বেষভাৱ পোষণ কৰাটো বা কোনো এগৰাকী ধৰ্ম প্ৰৱৰ্তকক তুচ্ছ-তাচ্ছিল্য কৰাটো হিন্দু সমাজত গ্ৰহণীয় নহয়। নিঃসন্দেহে শ্ৰীৰামচন্দ্ৰ আৰু শ্ৰীকৃষ্ণক হিন্দুসকলে ঈশ্বৰৰ অৱতাৰ বুলি বিশ্বাস কৰে, সেই বুলি গৌতম বুদ্ধ, যীশুখ্ৰীষ্ট, হজৰত মহম্মদ, গুৰু নানককে ধৰি আন পন্থৰ ঈশ্বৰ পুৰুষসকলকো অস্বীকাৰ নকৰে। প্ৰতিগৰাকীয়ে মানৱ সমাজৰ উত্তৰণৰ উদ্দেশ্যেৰে একো একোটা ধৰ্মমত প্ৰচাৰ কৰিছে, সমাজত শৃংখলা ৰক্ষাৰ বাট দেখুৱাইছে। মানৱ জাতিৰ বৌদ্ধিক বিকাশৰ পথ উন্মোচন কৰি তেওঁলোকে মানসিক শক্তি দিবলৈ আধ্যাত্মিক দৰ্শন আগবঢ়াইছে, তাকো ইতিহাসত একো একোটা জটিল সন্ধিক্ষণত। সেইবাবে মানৱ সমাজ তেওঁলোকৰ ওচৰত ঋণী।

**ধৰ্মীয় সহিষ্ণুতা হিন্দু সংস্কৃতিৰ ঐতিহ্য। ইয়াত নাস্তিক দৰ্শনৰ পণ্ডিতেও ঋষিৰ মৰ্যাদা পায় আৰু বিদূষী মহিলাই ঋষিৰ সভাত সন্মানজনক স্থান লাভ কৰাৰ অনেক উদাহৰণ আছে। পন্থ নিৰপেক্ষতাই হ'ল হিন্দুত্বৰ কেন্দ্ৰবিন্দু। কোনো ধৰ্মৰ প্ৰতি বিদ্বেষভাৱ পোষণ কৰাটো বা কোনো এগৰাকী ধৰ্ম প্ৰৱৰ্তকক তুচ্ছ-তাচ্ছিল্য কৰাটো হিন্দু সমাজত গ্ৰহণীয় নহয়।**

কিন্তু ধৰ্মীয় দৰ্শন বিজ্ঞান-বিৰুদ্ধ হ'ব পাৰেনে? উদাহৰণস্বৰূপে কোনো এখন ধৰ্মগ্ৰন্থত উল্লেখ আছে, ৰাজহাঁড়ৰ পৰাই পুৰুষৰ বীৰ্য উৎপাদিত হয়; আকৌ আন এখন ধৰ্মগ্ৰন্থত আছে, প্ৰকৃতিৰ সমস্ত সম্পদ মাথোন তোমাৰ আৰু তোমাৰ (মানুহৰ) উপভোগৰ বাবেই উপলব্ধ। এনে ধৰ্মীয় দৰ্শন বিজ্ঞানভিত্তিক সমাজত গ্ৰহণযোগ্য নহয়। যদিহে মহিলাক আধুনিক শিক্ষাৰ পৰা বঞ্চিত কৰি ৰখা হয়, তেনেহ'লে মহিলা আৰু শিশুৰ স্বাস্থ্য ৰক্ষাৰ বাবে চিকিৎসক-বিজ্ঞানীৰ দল ক'ৰ পৰা ওলাব? এতিয়া 'ঈশ্বৰেই জন্ম দিছে, ঈশ্বৰেই আমাৰ সন্তানৰ লালন-পালন কৰিব' ধাৰণা অচল। এইখন বিশ্বত পলিঅ' ডিপথেৰিয়া, প্লেগ, কলেৰা আদি মহামাৰীৰ প্ৰতিষেধক বিজ্ঞানীয়ে আৱিষ্কাৰ কৰিছে, ঈশ্বৰে কৰা নাই। শেহতীয়াভাৱে বিশ্বত কৰ'না মহামাৰীয়ে তাণ্ডৱ চলোৱাৰ সময়তো বিজ্ঞানীসকলেহে ছিটা আৱিষ্কাৰ কৰিছে; ভাৰতে উদ্ভাৱন কৰা দুটাকৈ প্ৰতিষেধক ছিটাত বিনামূলীয়া যোগান লাভ কৰিছে মধ্য প্ৰাচ্যৰ মুছলমান দেশবোৰেও; কাৰণ বিজ্ঞান আৰু প্ৰযুক্তিত সাম্প্ৰদায়িকতাৰ স্থান নাই।

(তিনি)

এইটো স্বীকাৰ কৰিবই লাগিব যে বাওঁপন্থী বুদ্ধিজীৱীসকলে আগবঢ়োৱা বিশ্লেষণৰ সদায়েই এটা সুকীয়া মাত্ৰা থাকে আৰু নিঃসন্দেহে তেওঁলোক ধৰ্মীয় গোড়ামিৰ বিৰুদ্ধে। পিছে স'ততে তেওঁলোকৰ বিশ্লেষণৰ পাত্ৰ হয় হিন্দুৰ ধৰ্মীয় সংস্কৃতিৰ উৎপাদনবোৰহে। মোৰ এগৰাকী বাওঁপন্থী বন্ধুৱে বহুদিন ধৰি প্ৰাচীন ধৰ্মগ্ৰন্থবোৰত থকা বিভিন্ন উপাদানৰ মূল্যায়ন কৰি আহিছে। এদিন মই ক'লো, প্ৰাচীন ৰীতি-নীতিৰ বিষয়ে সমালোচনা কৰোতে সেই সময়ৰ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত বিচাৰ কৰাটোহে বিজ্ঞানসন্মত ধাৰণা হ'ব। উদাহৰণস্বৰূপে, আমি আজিৰ প্ৰেক্ষাপটত মনুসংহিতাৰ প্ৰাসংগিকতা বিচাৰ কৰিব নোৱাৰো। আমি এইটোহে ক'ব পাৰো যে সেইখন বিশ্বৰ প্ৰথমখন সুসংহত বিধি-ব্যৱস্থাৰ পুথি। ঋগ্‌বেদৰ ক্ষেত্ৰতো একেটা নীতি প্ৰযোজ্য; সেইখন বিশ্বৰ প্ৰথম গ্ৰন্থ; সেই সময়ৰ সামাজিক ধ্যান-ধাৰণাৰ ছবিখনহে তাত আছে।

বিজ্ঞানৰ ক্ৰমবিকাশৰ ধাৰালৈ মন কৰিলেও ওলাই পৰে, গৱেষণাৰ ফলত একো একোটা বিষয়ত নিত্য নতুন তথ্য সন্নিৱিষ্ট হৈয়েই আছে। নিউটনে গছৰ পৰা পকা আপেলটো সৰি পৰা দেখাৰে পৰা পৃথিৱীৰ মাধ্যাকৰ্ষণৰ শক্তিৰ তত্ত্ব সন্দৰ্ভত অনেক পৰিৱৰ্তন ঘটিল; আইনষ্টাইনৰ আপেক্ষিকতাবাদৰ কথা বাদেই; এতিয়া মাধ্যাকৰ্ষণক একপ্ৰকাৰৰ তৰংগ বুলিহে সাব্যস্ত কৰা হৈছে। এনেদৰেই পৰিৱৰ্তনবোৰ ঘটি আছে আৰু আগলৈও ঘটি থাকিব। এতিয়া মানৱ সভ্যতাৰ অংশীদাৰ হ'বলৈ ওলাইছে 'কৃত্ৰিম বুদ্ধিমত্তা' নামৰ ৰবটটো। প্ৰকাৰান্তৰে কৃত্ৰিম বুদ্ধিমত্তাই 'নিজৰ বিচাৰ-বুদ্ধিৰ সিদ্ধান্ত' লোৱাৰ ক্ষমতা লাভ কৰিছে। সেয়েহে বিপদসংকুল পৰিৱেশত গৱেষণা চলাবলৈও কৃত্ৰিম বুদ্ধিমত্তা ব্যৱহৃত হৈছে; মটৰ গাড়ী বা উৰাজাহাজ চলোৱাটোতো কৃত্ৰিম বুদ্ধিমত্তাৰ বাবে সাধাৰণ কথা।

এই কৃত্ৰিম বুদ্ধিমত্তাটো আমাক ঈশ্বৰে সাজি দিয়া নাই। এনে পটভূমিত বুজিবলৈ টান নহয় যে এহেজাৰ বা দুহেজাৰ অথবা পাঁচহেজাৰ বছৰ পূৰ্বে কোনো ধৰ্মীয় ব্যৱস্থাত থকা ৰীতি-নীতিবোৰ আজিৰ সমাজত প্ৰযোজ্য নহ'বও পাৰে। বাস্তৱ অভিজ্ঞতাৰে বিজ্ঞানভিত্তিক সমাজৰ প্ৰয়োজনীয়তা অনুসৰি কেতবোৰ পদ্ধতি বা ব্যৱস্থাৰ সংশোধনতো হ'বই লাগিব। এতেকে আধুনিক সমাজত ধৰ্মীয় সংস্কৃতিৰ বিষয়টো পৰমেশ্বৰৰ সন্ধানত আধ্যাত্মিক দৰ্শনৰূপেহে পৰিগণিত হৈছে। ইয়াৰ সহজ অৰ্থ হ'ল যিমানেই মহান আদৰ্শৰ ধৰ্মমত নহওক কিয়, বিজ্ঞানভিত্তিক সমাজৰ প্ৰয়োজনীয়তা পূৰণ কৰা উপাদানবোৰহে গ্ৰহণযোগ্য হ'ব।

(চাৰি)


সিদিনা মোৰ বিশিষ্ট বন্ধুগৰাকীয়ে এটা প্ৰস্তাৱ দিছে, হিন্দুসকলে গৰুক পূজা নকৰি কুকুৰক পূজা কৰাহে উচিত। তাৰ সপক্ষে তেওঁ যুক্তিও দিছে— কুকুৰ বৰ প্ৰভুভক্ত, ভায়েকহঁতে এৰি যোৱাৰ পাছতো যুধিষ্ঠিৰৰ স'তে কুকুৰটো শেষলৈকে আছিল। শ্ৰীমন্ত শংকৰদেৱেও লিখি থৈ গৈছে— কুকুৰ-শৃগাল-গৰ্দভৰো আত্মাৰাম, জানিয়া সবাকো কৰিবা প্ৰণাম'। এয়া নিশ্চয়কৈ অকাট্য যুক্তি।

পিছে গৰুৰ গোবৰেৰে বেৰ লিপে, ঘৰ মচে, হিন্দুৰ পূজা-পাতলতো গোবৰ আৰু গো-মূত্ৰ ব্যৱহাৰ হয়। তদুপৰি কৃষি অৰ্থনীতিত গোধনৰ উল্লেখনীয় যোগদান আছে। তাৰ বিপৰীতে কুকুৰৰ বিষ্ঠা আৰু মূত্ৰ ভয়ানক বিষাক্ত; কুকুৰৰ বিষ্ঠা ভৰিৰে গচকিলে গা ধুব লাগে। একেদৰে ঘোঁৰাৰো আত্মাৰাম; কিন্তু সাৱধান! ঘোঁৰাৰ বিষ্ঠাৰ পৰা ধনুষ্টংকাৰ বিয়পিব পাৰে।

একেবাৰে জধামূৰ্খ ছাত্ৰক শিক্ষকে 'তোৰ মূৰত গোবৰ আছে' বুলি গালি পাৰিলেও গৰুৰ গোবৰত শস্যৰ বাবে প্ৰচুৰ পুষ্টিকাৰক উপাদান আছে। সেয়েহে সদ্যহতে বুদ্ধিজীৱীগৰাকীৰ সাৰুৱা পৰামৰ্শটো গ্ৰহণযোগ্য নহয়।

*ফোন ঃ ৯৪৩৫৫-৫৪২০৫*

# আহোম বীৰ-বীৰাংগনাসকল এতিয়া বিতৰ্কৰ কেন্দ্ৰবিন্দু কিয়?



**আহোম** ৰাজত্বত অসমীয়া যোদ্ধাই অতি বীৰত্বৰে যুদ্ধ কৰি দক্ষতাৰ পৰিচয় দিছিল আৰু সেইসকলৰ নাম আহোম ইতিহাসত সোণালী আখৰেৰে জিলিকি আছে। শৰাইঘাট যুদ্ধত বীৰত্ব প্ৰদৰ্শন কৰা লাচিত বৰফুকন আৰু মৃত্যুৰ পাছত তেওঁৰ মৈদাম ক'ত দিছিল, টীয়কৰ হোলোঙাপাৰাত নে ঢকুৱাখনাত সেই লৈ মতানৈক্য হৈছে। তেওঁৰ আচল পিতৃ কোন আছিল সেই লৈয়ো মতবাদ চলিছে। বীৰাংগনা মূলা গাভৰুৰ ক্ষেত্ৰতো ৰাজনীতি চলিছে। মূলাগাভৰুৰ দেশপ্ৰেম সম্পৰ্কে এসময়ৰ চৰাইদেউ জিলাৰ সোণাৰি শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা অৱসৰপ্ৰাপ্ত শিক্ষক ভজো নিবাসী ডিম্বেশ্বৰ গগৈয়ে তেওঁৰ পুস্তিকাত মূলাগাভৰুৰ বিষয়ে উল্লেখ কৰা বক্তব্যৰ কিয়দংশ তলত দাঙি ধৰা হ'ল—

'মূলাগাভৰুৰ জন্ম হৈছিল ৰাজপৰিয়ালত, পিতৃ আছিল স্বৰ্গদেউ চুহুংমুং (১৪৯৭-১৫৩৯)। কিন্তু বুৰঞ্জীবিদ হিতেশ্বৰ বৰবৰুৱাৰ মতে মূলাগাভৰুৰ পিতৃ স্বৰ্গদেউ চিত্তমফা ওৰফে চুপিমফা (১৪৯৩-১৪৯৭)। আহোম ৰাজ্যৰ সংকট কালত মূলা গাভৰুৱে জন্মগ্ৰহণ কৰি চৰগুৱাত ল'ৰালি কাল কটাই সমৰকলাৰ শিক্ষাৰ লগতে তৰোৱাল চলোৱা, সাঁতোৰা, ঘোঁৰা দৌৰোৱা, হাতী চলোৱা আদি সামৰিক শিক্ষা গ্ৰহণ কৰিছিল। এইবোৰৰ লগতে তেওঁ বোৱা-কটা, শিল্প কাৰ্যৰো শিক্ষা গ্ৰহণৰ উপৰি তেওঁ কবচ কাপোৰ তৈয়াৰ কৰাৰ কৌশলো আয়ত্ত কৰিছিল। বিবাহযোগ্য হোৱাত সেই সময়ৰ আহোম সেনাপতি ফ্ৰাচেংমুং বৰগোহাঁইৰ লগত বিবাহ পাশত আবদ্ধ হয়। সেই সময়ত আহোম ৰাজ্যৰ চাৰিওফালে থকা নগা, চুতীয়া, ভূঞা, কছাৰী, নৰা আদি ৰাজ্যসমূহে আহোম ৰাজ্যৰ সীমা বিদ্ৰোহ কৰাৰ লগত পশ্চিমত মোগলে আহোম ৰাজ্য আক্ৰমণ কৰিছিল। কিন্তু ফ্ৰাচেংমুং বৰগোহাঁইৰ নেতৃত্বত আহোম সৈন্যই সকলোকে দমন কৰি ৰাজ্য ৰক্ষা কৰিছিল। এই বিদ্ৰোহ দমন কৰাৰ বাবে তেওঁক শদিয়াখোৱা গোহাঁইৰ বাব দি শদিয়াত স্থাপিত কৰে। তেতিয়াৰ পৰা ফ্ৰাচেংমুং বৰগোহাঁয়ে আহোম ৰাজ্যৰ উত্তৰে আবৰ, মিচিমি, আঁকা, দফলা আদি পাহাৰীয়া জনজাতিসকলৰ লগতো যুদ্ধত লিপ্ত হৈছিল।

উল্লেখ্য যে আহোম ৰাজ্যৰ মহিলাসকল বোকা-কটা কাৰ্যত বৰ পাকৈত আছিল, বিশেষকৈ কবচ কাপোৰ তৈয়াৰ কৰাত কোনো কোনো শিপিনী অতি পাৰ্গত থকা হেতু একে ৰাতিৰ ভিতৰতে কপাহৰ পৰা সূতা কাটি কাপোৰ বৈ ৰাতি পুৱাৰ আগতে তাঁতৰ পৰা উলিয়াই দিয়া বস্ত্ৰখনেই হৈছে কবচ কাপোৰ আৰু এই কবচ কাপোৰ লৈ যুদ্ধলৈ গ'লে কেতিয়াও পৰাজিত নহয় বুলি বিশ্বাস আছিল।

১৫৩১ খ্ৰীষ্টাব্দৰ আগভাগত চুহুংমুং ৰজাৰ ৰাজত্বকালত মোগল সেনাপতি বৰউজীৰে আহোম ৰাজ্য আক্ৰমণ কৰে যদিও পৰাজিত হৈ ঘূৰি যায়। ইয়াৰ পাছতো আহোম ৰাজ্য আক্ৰমণ কৰি পৰাজিত গৈ ঘূৰি যাব লগা হয়। দ্বিতীয়বাৰ যুদ্ধৰ সেনাপতি আছিল বীট মালিক। এই দুয়োজন সেনাপতিৰ দিনত পৰাজয় বৰণ কৰাৰ পাছত ১৫৩২ খ্ৰীঃত সেনাপতি তুৰ্বকৰ নেতৃত্বত এটা বাছকবনীয়া সৈন্য দলেৰে আহোম ৰাজ্য আক্ৰমণ কৰে। ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে বৌতাৰ ওচৰৰ টেমনিত গড় নিৰ্মাণ কৰি আহোম সৈন্য সাজু হ'ল। ১১ জন পালি সেনাপতি লৈ ফ্ৰাচেংমুং ৰণলৈ গ'ল। কিন্তু যুদ্ধলৈ যোৱাৰ সময়ত বিশেষ কাৰণবশতঃ মূলাগাভৰুৱে কবচ কাপোৰ দিব নোৱাৰিলে। এই বিষয়ে বুৰঞ্জীবিদ পদ্মনাথ গোহাঞি বৰুৱাই তেওঁৰ অসম বুৰঞ্জীত উল্লেখ কৰিছে এইদৰে— 'ফ্ৰাচেংমুং গোহাঁই ৰণলৈ আহোতে মূলাগাভৰুক কাপোৰ খুজিলত উত্তৰ দিছিল বোলে দিন সামান্য হৈছে, কাপোৰ দিব নোৱাৰো। কাপোৰৰ লক্ষণ শুনা, মাজনিশা ৰাতি কপাহ নেউঠিব, পাজি কাটিব, সূতাও কাটিব, কাপোৰ বব, ৰাতি নৌপুৱাওতে কাপোৰ ওলাব, সেই কাপোৰ আহোম শাস্ত্ৰমতে ৰণলৈ ভাল। সেই কাপোৰ গোহাঁই ৰণলৈ যাওঁতে পিন্ধিবলৈ নাপালে, মূলাগাভৰুৱেও আহোতে বাধিলে, বাধা নুশুনি আহিল'। (পুৰণি অসম বুৰঞ্জী)।

মূলাগাভৰুৱে কবচ কাপোৰ দিব নোৱৰাত ৰণলৈ যাবলৈ বাধা দিয়া সত্ত্বেও কৰ্তব্যৰ খাতিৰত ফ্ৰাচেংমুং নৰ'ল। আহোম আৰু মোগলৰ মাজত কপিলীগংগাত হোৱা যুদ্ধত আহোমৰ বৰসেনাপতি ফ্ৰাচেংমুং বৰগোহাঁইকে মুখ্য কৰি আঠজন সেনাপতি ৰণত পৰিল। চুক্লেং কোঁৱৰ আহত হৈ কোনোমতে চৰগুৱালৈ উলটি আহে। হিতেশ্বৰ বৰবৰুৱাৰ 'যুদ্ধ ক্ষেত্ৰত আহোম ৰমণী বা মূলা গাভৰুৰ কাৰ্য' নামৰ পুথিৰ মতে ফ্ৰাচেংমুং বৰগোহাঁইক তেওঁ কপিলীগংগাত স্নান কৰিবলৈ যাওঁতে অকলশৰীয়াকৈ পাই মোগল সেনাপতি তুৰ্বকৰ সৈন্যই বধ কৰে। কিংবদন্তি মতে, বৰগোহাঁই যুৰীয়াবৰৰ (বৰ্তমান কলিয়াবৰ) তলত জিৰাওতে বধ কৰা হয়।

ফ্ৰাচেংমুং বৰগোহাঁইৰ আকস্মিক মৃত্যুত আহোম সৈন্যদলত শোকৰ ছাঁ পৰিল আৰু ভাৰ্যা মূলাগাভৰুক এক মোক্ষম আঘাত হানিলে। মূলাগাভৰুৱে স্বামী হত্যাৰ পোতক তুলিবৰ বাবে লগতে কবচ কাপোৰ দিব নোৱৰাৰ বাবে প্ৰায়শ্চিত্ত হ'বলৈ নিজে নাৰী সৈন্য দল গঠন কৰি নিজৰ বাহন নাংজিং হাতীত উঠি যুদ্ধ ক্ষেত্ৰলৈ যাবৰ বাবে সাজু হ'ল আৰু মূলাই কে'বাদিনো অতি সাহসেৰে আৰু বিক্ৰমেৰে যুদ্ধ কৰি দুমুনি শিলাৰ যুদ্ধত দুজন মোগল সেনাপতিক হত্যা কৰি অৱশেষত মূলাগাভৰুৱে প্ৰাণ ত্যাগ কৰে। এইগৰাকী বীৰাংগনা ৰমণীৰ বিষয়ে আজি অসমত চিন্তা-চৰ্চা হোৱা নাই। বুদ্ধিজীৱী তথা সংগঠনসমূহো নিমাত। মূলাগাভৰু কেৱল আহোম ৰমণী তথা বীৰাংগনাই নহয়, অসমীয়া জাতিৰ এগৰাকী দেশপ্ৰেমী বীৰাংগনা।'

এইগৰাকী বীৰাংগনাৰ নাম লৈ প্ৰতি বছৰে ১৬ ব'হাগত বীৰাংগনা উৎসৱ পালন কৰে 'তাই আহোম যুৱ পৰিষদে' আৰু আজি কেইবছৰমানৰ পৰা 'তাই আহোম যুৱ পৰিষদ' দুভাগত বিভক্ত হৈ মূলাগাভৰুক দুছেও কৰি ভাগে ভাগে মূলাগাভৰু বঁটা প্ৰদান কৰাটো বীৰাংগনাক সন্মান কৰা হৈছেনে অপমান কৰা হৈছে সেইটোহে বিচাৰ্যৰ বিষয়। ৰাজনীতিৰ হাতোৰাত আহোম ভাগ ভাগ হোৱাটো অতি ঘৃণনীয় আৰু নিৰ্লজ্জ নহয়নে?

**গগন চেতিয়া**
ৰাজগড়, গুৱাহাটী

# ড্ৰাগছ আৰু বৰ্তমান যুৱ সমাজত ইয়াৰ কু-প্ৰভাৱ

**সম্প্ৰতি** আমাৰ সমাজ জীৱনত অহৰ্নিশে চলি থকা হাই-কাজিয়া, মাৰ-পিট, হত্যা-ধৰ্ষণ, দুৰ্ঘটনা আৰু সৰ্বাধিক পাৰিবাৰিক কন্দলৰ মূলতে হ'ল নিচাযুক্ত দ্ৰব্যৰ ব্যাপক প্ৰচলন। ড্ৰাগছ হ'ল এবিধ ক্ষণিক উত্তেজক মাদক দ্ৰব্য, যিয়ে মানুহৰ মন-মগজু আৰু স্নায়ুতন্ত্ৰৰ ওপৰত ক্ৰিয়া কৰে। এইড্‌ছৰ পাছতেই বৰ্তমান যুৱ সমাজৰ মাজত দেখা দিয়া ভয়ংকৰ ব্যাধিসমূহৰ ভিতৰত অন্যতম হ'ল ড্ৰাগছ সেৱন। ড্ৰাগছৰ অপব্যৱহাৰ আজি সমগ্ৰ পৃথিৱীতে এটা ভয়াৱহ সমস্যা হৈ পৰিছে। এছিয়া, আফ্ৰিকা আৰু লেটিন আমেৰিকাৰ দৰে উন্নয়নশীল দেশবোৰতো উঠি অহা যুৱক-যুৱতীসকলৰ মাজত ড্ৰাগছে মাৰাত্মক ৰূপ ধাৰণ কৰিছে। আৰু তাৰ সমান্তৰালকৈ ইয়াৰ কু-প্ৰভাৱ ভাৰত তথা অসমৰ দৰে এখন সৰু ৰাজ্যতো ব্যাপক ৰূপত প্ৰসাৰতা লাভ কৰিছে। যুৱকসকলৰ মাজত ভয়াৱহ ৰূপ ধাৰণ কৰা ড্ৰাগছ আৰু অন্যান্য নিচাযুক্ত মাদক দ্ৰব্য পোন প্ৰথমে পশ্চিমীয়া ৰাষ্ট্ৰসমূহত খোপনি পোতা এই সামাজিক ৰোগে বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ বলত আধুনিক সমাজ হিচাপে গৌৰৱবোধ কৰা বিশ্ববাসীক অক্টোপাছৰ দৰে গ্ৰাস কৰিছে। যাৰ ফলত উঠি অহা ভৱিষ্যৎ প্ৰজন্মৰ বহুতো তেজাল যুৱকৰ হয় জীৱন অৱসান ঘটিছে, নহয় তিল তিলকৈ অকাল মৃত্যুৰ ক্ষণ গণিছে। ইয়াৰ কুপ্ৰভাৱৰ ফলত বহুতো পৰিয়াললৈ ঘোৰ অন্ধকাৰ নামি আহিছে। কানি আৰু বিভিন্ন মাদক দ্ৰব্যৰে কৃত্ৰিম অথবা স্বাভাৱিক প্ৰণালীৰে ড্ৰাগছ প্ৰস্তুত কৰা হয়। আফিং কেনাবিন আৰু ক'কেইন এইবোৰ দ্ৰব্যৰ পৰাও ড্ৰাগছ প্ৰস্তুত কৰা হয়।

ড্ৰাগছ সেৱনৰ ফলত শৰীৰত কিছুমান পাৰ্শ্বক্ৰিয়াই দেখা দিয়ে। ক'কেইনে মস্তিষ্কৰ ওপৰত অত্যধিক প্ৰভাৱ পেলায় বাবে ভ্ৰম বকে। ই ৰক্তচাপৰো বৃদ্ধি ঘটায় আৰু ইয়াৰ পৰিণতিত ড্ৰাগছ সেৱনকাৰীৰ তেজবাহী নলীকা ফাটি 'ষ্ট্ৰ'ক' হোৱাৰ পূৰ্ণ সম্ভাৱনা তথা আশংকা থাকে। এই প্ৰাণঘাতী ড্ৰাগছৰ আসক্তিত লিপ্ত হয় মধ্যবিত্ত পৰিয়ালৰ মানসিকভাৱে হতাশগ্ৰস্ত, নিবনুৱা তথা বেকাৰ যুৱক, স্কুল-কলেজ, বিশ্ববিদ্যালয়ত অধ্যয়নৰত একাংশ উচ্ছৃংখল ছাত্ৰ, সাংসাৰিক বেদনাক্লিষ্ট বিষয়া-কৰ্মচাৰী, আনকি কোনো কোনো পৰিয়ালৰ অতি চঞ্চলা জীয়ৰী-বোৱাৰীও। ড্ৰাগছৰ অবৈধ বেহাই গোটেই বিশ্ববাসীৰ বাবে প্ৰধান সমস্যাৰূপে দেখা দিছে। ভাৰতেও এনে জ্বলন্ত সমস্যাৰ পৰা পৰিত্ৰাণ পোৱা নাই। ভৌগোলিক দিশৰ সুচলৰ বাবে আন্তৰ্জাতিক সীমা অতিক্ৰম কৰি এই দ্ৰব্যবোৰ ভাৰতত প্ৰৱেশ ঘটাত এই সামাজিক কামত লিপ্ত থকা বেপাৰী আৰু ড্ৰাগছ সেৱনকাৰীৰ সংখ্যা ভাৰতত দ্ৰুতগতিত বৃদ্ধি পাইছে। চোৰাং বেপাৰীৰ এইবিধ মাৰাত্মক নিচাযুক্ত দ্ৰব্য লেনদেন আৰু বিক্ৰীৰ বাবে চহৰ আৰু নগৰৰ লেতেৰা পৰিৱেশত থকা বস্তি অঞ্চল প্ৰধান কেন্দ্ৰ। চহৰৰ দাঁতিকাষৰীয়া জনসমাগম কম থকা সৰু দোকানবোৰত এই দ্ৰব্য পোৱা যায়। সাধাৰণতে আজিৰ যুৱ প্ৰজন্ম চামৰ এই মাৰাত্মক নিচাযুক্ত দ্ৰব্য ড্ৰাগছৰ প্ৰতি আকৰ্ষণৰ কাৰণ ফঁহীয়াই চালে দেখা যায় যে এচাম মানসিকভাৱে হতাশগ্ৰস্ত, আৰ্থিক দৈন্যত ভোগা, কৰ্মবিমুখ, এলেহুৱা, নিষ্কৰ্মা, বিফল প্ৰেমৰ পৰিণতিত মানসিক ভাৰসাম্য হেৰুওৱা আৰু পৰিয়ালৰ মৰম-চেনেহৰ পৰা বঞ্চিত হতাশগ্ৰস্ত যুৱক-যুৱতীসকলে ক্ষন্তেকীয়া মানসিক উপশমৰ বাবেই ড্ৰাগছ সেৱন কৰে আৰু এই মাৰাত্মক ড্ৰাগছ সেৱন কৰাৰ ফলত সেৱনকাৰীৰ দেহ-মন উভয়কে আক্ৰমণ কৰে আৰু এটা সময়ত ইয়ে অকালতে নিশ্চিত মৃত্যুৰ গৰাহলৈ টানি নিয়ে।



ড্ৰাগছ আসক্ত ব্যক্তিক কিছুমান লক্ষণৰ পৰা সহজে চিনাক্ত কৰিব পাৰি। এনে ব্যক্তি স্বাস্থ্যৰ প্ৰতি যত্ন নোলোৱা, নিঃসংগতাপ্ৰিয়, নিজ কৰ্তব্যৰ প্ৰতি উদাসীন, বাটে-পথে আধাপোৰা চিগাৰেটৰ টুকুৰা দেখিলে বুটলি লোৱা, চলন-ফুৰণত অস্থিৰতা আদি লক্ষণবোৰ দেখিলে গম পোৱা যায় যে তেওঁ এজন এই মাৰাত্মক নিচাযুক্ত ব্যাধিৰ ভক্ত। যুৱক-যুৱতীসকলে এনে ধৰণৰ প্ৰাণঘাতী নিচাযুক্ত দ্ৰব্য সেৱনৰ পৰা বিৰত থকা উচিত। নৱ প্ৰজন্মক মৃত্যুৰ গৰাহলৈ ঠেলি দিয়া ড্ৰাগছৰ ব্যাপক প্ৰচলনে সম্প্ৰতি অসমত গুৰুতৰ ৰূপ ধাৰণ কৰিছে। গতিকে জনসাধাৰণে কেৱল চৰকাৰ তথা আইনে ব্যৱস্থা ল'ব এনে মনোভাৱ পোষণ কৰি হাত সাবটি বহি থাকিলে এই ভয়াৱহ ড্ৰাগছৰ গুৰুতৰ সমস্যা সমাধান নহয়। সেয়ে আমি সকলোৱে একত্ৰিত হৈ ইয়াৰ বিৰুদ্ধে মাৰ বান্ধি থিয় দিব লাগিব। তেতিয়াহে ভৱিষ্যৎ বংশধৰসকলৰ জীৱন ৰক্ষা পৰিব।

**কুলেন বৰ্মন,** ফোন ঃ ৯৪৩৫৩৩৮৪১৯

## ছোনিয়া-ৰাহুলক ইডিৰ জেৰাৰ দেশজুৰি

*তিনি পৃষ্ঠাৰ পৰা* কৰাত ভূমিকা গ্ৰহণ কৰি আহিছিল। সেই সংবাদ পত্ৰখন আৰ্থিক অভাৱত বন্ধ হোৱাৰ দিশে অগ্ৰসৰ হোৱাৰ সময়তে কংগ্ৰেছে আৰ্থিক সাহায্য কৰে। সেই একেটা বিষয়তে প্ৰৱৰ্তক সঞ্চালকালয়ে বাৰে বাৰে একেটা প্ৰশ্নকে কৰি যোৱা বুলিও জিলা সভাপতিজনে অভিযোগ কৰে। তেওঁ ক্ষোভেৰে কয়, 'ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে লুইছ বাৰ্জাৰ, ভূমি কেলেংকাৰিৰ অভিযোগ আছে। সেইবোৰৰ কিয় কোনো তদন্ত নহয়?'

## গড়ভগাত ভাগিল প্ৰধানমন্ত্ৰী গ্ৰাম্য চড়ক

*তিনি পৃষ্ঠাৰ পৰা* বানাক্ৰান্ত অঞ্চলৰ পথটো চাপৰকৈ নিৰ্মাণ কৰাৰ বাবে বাৰিষাৰ সময়ত পথটো পানীত বুৰ গৈ কে'বা ঠাইতো ভাগি যোৱাৰ লগতে পেভাৰ ব্লক পৰ্যন্ত উঠি যোৱা পৰিলক্ষিত হৈছে। আনকি পথটোত নিৰ্মাণ কৰা পকী দলংখনৰ মাজতে মাটি খহি গৈ দ' গাঁতৰ সৃষ্টি হোৱাত যিকোনো মুহূৰ্ততে ভয়ংকৰ দুৰ্ঘটনা ঘটাৰ আশংকা প্ৰকাশ কৰিছে স্থানীয় ৰাইজে। আনকি পথটো নিৰ্মাণত হোৱা অনিয়মৰ বিৰুদ্ধে স্থানীয় বিধায়কজনৰ ভূমিকাও ৰহস্যজনক বুলি স্থানীয় ৰাইজে ক্ষোভেৰে 'দৈনিক অগ্ৰদূত'ক জানিবলৈ দিয়ে। এই ক্ষেত্ৰত জিলা উপায়ুক্তক ব্যৱস্থা গ্ৰহণ কৰিবলৈ ৰাইজে অনুৰোধ জনাইছে।

## মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মৰ গাড়ীক খুন্দা

*তিনি পৃষ্ঠাৰ পৰা* বাহনৰে ক্ষতিসাধন হয়। তদুপৰি উক্ত ক্ৰেটা বাহনৰ খুন্দাত আন এখন আৰ্টিকা গাড়ী সহ পাঁচখনকৈ স্কুটী - মটৰ চাইকেলৰো ক্ষতিসাধন হয়। প্ৰত্যক্ষদৰ্শীয়ে জনোৱা মতে, সদৰ চহৰৰ দক্ষিণ দিশৰ পৰা অহা ক্ৰেটা বাহনখনে ঘৰৰ ওচৰত পাৰ্কিং কৰি থোৱা মন্ত্ৰী ব্ৰহ্মৰ ইন'ভা বাহনক খুন্দা মাৰে। ইয়াৰ পাছতে ক্ৰেটা বাহনখনে নিয়ন্ত্ৰণ হেৰুৱাই আন পাঁচখনকৈ বাহন মহটিয়াই নিয়ে। সৌভাগ্যক্ৰমে উক্ত দুৰ্ঘটনাত কোনো পথচাৰীৰ ক্ষতি নহ'ল যদিও দুৰ্ঘটনা সংঘটিত কৰা চালকজন আঘাতপ্ৰাপ্ত হৈছে। আৰক্ষীয়ে দুৰ্ঘটনা সংঘটিত কৰা চালকজনক আটক কৰি সোধপোছ অব্যাহত ৰাখিছে। ইপিনে, এক টেলিফোনিক বাৰ্তালাপত গাড়ীচালক অনভিজ্ঞ হোৱাৰ বাবে দুৰ্ঘটনা সংঘটিত হোৱা বুলি সন্দেহ প্ৰকাশ কৰিছে সম্প্ৰতি ওদালগুৰিত থকা মন্ত্ৰী ব্ৰহ্মই ।

## মাজুলীত অসমৰ সত্ৰ ভূমি সমস্যা

*তিনি পৃষ্ঠাৰ পৰা* ক্ষতিপূৰণ নোপোৱা আদি সম্পৰ্কে দলটোৰ আগত অৱগত কৰাৰ লগতে শীঘ্ৰে সত্ৰৰ সমস্যা দূৰ কৰিবলৈ দলটোক আহ্বান জনায়। সত্ৰৰ তৰফৰ পৰা লালুকৰ ৬৭৬ বিঘা, যোৰহাট টীয়কৰ ১৩২ বিঘা, গোলাঘাট-দেৰগাঁৱৰ ৮৭৬ বিঘা আৰু নগাঁও ফুলগুৰিৰ ১৩ বিঘা গড়মূৰ সত্ৰৰ মাটি চৰকাৰে চিলিং আইনযোগে অধিগ্ৰহণ কৰিলে যদিও প্ৰসিদ্ধ সত্ৰখনে আজি পৰ্যন্ত তাৰ বাবদ ক্ষতিপূৰণ লাভ কৰা নাই। এই সন্দৰ্ভত চৰকাৰক বিভিন্ন সময়ত আবেদন-নিবেদন কৰাৰ কথা দলটোৰ আগত অৱগত কৰে সত্ৰৰ তৰফৰ পৰা। আনহাতে, মাজুলীত চৰকাৰে অধিগ্ৰহণ কৰা মাটিৰ বাবদ সত্ৰখনে যি ক্ষতিপূৰণ চৰকাৰৰ পৰা লাভ কৰি আছিল সেয়াও সম্প্ৰতি বন্ধ কৰি ৰখাত সত্ৰখনে আৰ্থিক সংকটত ভোগাৰ দিশটো দলটোৰ আয়োগৰ আগত ব্যক্ত কৰে। আয়োগৰ অধ্যক্ষ হাজৰিকাই সত্ৰৰ মাটি সংক্ৰান্তীয় সকলো সমস্যা সমাধান কৰাৰ আশ্বাস প্ৰদান কৰে। দলটোক সংগ দিয়ে জিলা প্ৰশাসনৰ হৈ অতিৰিক্ত উপায়ুক্ত ভৰত কোঁৱৰ, জিলা বিজেপি সভাপতি বীৰেন শইকীয়া আদিয়ে।

## দুহেজাৰ কুইণ্টল চাউল কেলেংকাৰি

*তিনি পৃষ্ঠাৰ পৰা* হেজাৰ কুইণ্টল চাউলৰ ১৯০০ কুইণ্টল উঠায় যদিও অৱশিষ্ট এহেজাৰ কুইণ্টল চাউল সমবায় সমিতিৰ সম্পাদকে কিয় উঠোৱা নাই, ইয়াৰ উচ্চ পৰ্যায়ৰ তদন্ত বিচাৰিছে ছাত্ৰ সংগঠনটোৱে। ইপিনে, বিদ্যালয়ৰ মধ্যাহ্ন ভোজনৰ প্ৰায় পাঁচশ কুইণ্টল চাউল আজিলৈ বিতৰণ নকৰাৰ অভিযোগ উত্থাপন কৰি এই বৃহৎ পৰিমাণৰ চাউল ক'ত জমা কৰি ৰাখিছে, সেয়া বিভাগীয় কৰ্তৃপক্ষক তদন্তৰ বাবে দাবী জনাইছে। তদুপৰি বিগত তিনি বছৰে সমবায় সমিতিৰ বাৰ্ষিক সাধাৰণ সভা অনুষ্ঠিত নকৰি সমবায় আইনক অৱমাননা কৰাৰ পাছতো সমবায় সমিতিৰ পৰিচালনা সমিতিখন বিভাগে ভংগ নকৰাক লৈ তীব্ৰ অসন্তুষ্টি ব্যক্ত কৰাৰ লগতে শীঘ্ৰে সমিতি ভংগ কৰাৰ দাবী উত্থাপন কৰিছে আমছুৱে। বাঘমাৰাচৰ সমবায় সমিতিত সংঘটিত কৰা ব্যাপক দুৰ্নীতিত বৰপেটা যোগান বিভাগে ৰহস্যজনক ভূমিকা গ্ৰহণ কৰাৰো অভিযোগ উত্থাপন কৰি এই দুৰ্নীতিৰ তদন্ত মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী শাখাক প্ৰদান কৰিবলৈ দাবী জনাইছে আমছুৱে। সংবাদমেলত আমছুৰ আঞ্চলিক সমিতিৰ সভাপতি মনোৱাৰ হুছেইন, সম্পাদক বাহাজ উদ্দিন, দক্ষিণ বৰপেটা জিলা সমিতিৰ সম্পাদক মিৰজাল হুছেইন আদি উপস্থিত থাকে।

## বিদ্যালয় প্ৰাদেশিকীকৰণ আইনখন

*তিনি পৃষ্ঠাৰ পৰা* প্ৰস্তাৱ নাই। বিদ্যালয় প্ৰাদেশিকীকৰণক লৈ ৰাজ্যত একাংশই অপপ্ৰচাৰ চলাই থকা বুলিও তেওঁ মন্তব্য কৰে। তেওঁ কয় যে ৰাজ্যত যিমান সংখ্যক বিদ্যালয়ৰ প্ৰয়োজন তাতকৈ অধিক সংখ্যক বিদ্যালয়ৰ অৱস্থিতি আছে। সেয়েহে ৰাজ্যখনত ওপৰঞ্চি বিদ্যালয়ৰ প্ৰয়োজন নাই বুলি তেওঁ মন্তব্য কৰে। তেওঁ কয় যে ২০১৭ৰ বিদ্যালয় প্ৰাদেশিকীকৰণৰ আওতাত নপৰা বিদ্যালয়সমূহ প্ৰদেশিকীকৰণ কৰা হ'ব বুলি একাংশই অপপ্ৰচাৰ চলাই কিছুমান শিক্ষকক বিভ্ৰান্ত কৰিছে। ২০১৭ৰ বিদ্যালয় প্ৰাদেশিকীকৰণ সংশোধনীৰ আওতাৰ অধীনত নপৰা বিদ্যালয় প্ৰাদেশিকীকৰণ কৰা নহ'ব বুলি শিক্ষামন্ত্ৰীজনে স্পষ্ট কৰি দিয়ে। ২০১৭ৰ আওতাত পৰা কোনো বিদ্যালয়ৰ কোনো শিক্ষক প্ৰাদেশিকীকৰণৰ পৰা বাদ পৰি যোৱা নাই বুলি মন্তব্য কৰি তেওঁ কয় যে যদিহে কোনোবা শিক্ষক বাদ পৰি গৈছে তেন্তে তেওঁলোকে পুনৰ আবেদন কৰিব পাৰিব।

শিক্ষামন্ত্ৰীজনে তেনে শিক্ষকক আবেদন কৰিবলৈ আহ্বান জনায়। ইপিনে, জাতীয় শিক্ষানীতিত সাধাৰণ গণিত আৰু সাধাৰণ বিজ্ঞান বিষয়টো ইংৰাজী ভাষাত প্ৰণয়ন কৰা হ'ব বুলি শিক্ষামন্ত্ৰীজনে মন্তব্য কৰে। অৱশ্যে শিক্ষাৰ মাধ্যম অসমীয়া হৈয়ে থাকিব বুলি স্পষ্ট কৰি দিয়ে শিক্ষামন্ত্ৰীয়ে। প্ৰতিযোগিতামূলক পৰীক্ষাসমূহৰ কথা ভাবিয়েই ছাত্ৰ-ছাত্ৰীসকলক সৰুৰ পৰাই গঢ়ি তোলাৰ লক্ষ্যৰে উক্ত বিষয় দুটা ইংৰাজী ভাষাত প্ৰণয়নৰ সিদ্ধান্তৰ কথা উল্লেখ কৰে শিক্ষামন্ত্ৰী ডাঃ পেগুৱে। ইয়াৰ পূৰ্বে তেওঁ বৰপেটা জিলাৰ উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত বৰপেটা জিলা প্ৰশাসনৰ বিষয়ববীয়াসকলৰ স'তে এক পৰ্যালোচনা বৈঠকত মিলিত হয় মন্ত্ৰীজনে। মন্ত্ৰী পেগুৱে বৰপেটা জিলাত বানত হোৱা ক্ষয়-ক্ষতিৰ বুজ লয়।

## পাণবাৰী বনাঞ্চলিক কাৰ্যালয়ৰ সন্মুখত

*তিনি পৃষ্ঠাৰ পৰা* তিনিঘণ্টীয়া গণ প্ৰতিবাদ সাব্যস্ত কৰে। বিটিচি প্ৰশাসনে পৰ্যটকৰ বাবে জাৰি কৰা নিৰ্দেশনা প্ৰত্যাহাৰ কৰাৰ দাবী উত্থাপন কৰে এই প্ৰতিবাদী কাৰ্যসূচীৰ জৰিয়তে। বিটিচি প্ৰশাসনৰ এই বৰ্ধিত মাচুলৰ বাবে মানাহ ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ প্ৰকল্পত পৰ্যটকৰ সংখ্যা হ্ৰাস হোৱাৰ লগতে মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ সংৰক্ষণ আৰু পৰ্যটকৰ সহায়ৰ লগত জড়িত হৈ জীৱন নিৰ্বাহ কৰি থকা লোকসকলে কৰ্মসংস্থাপন হেৰুৱাব বুলি আশংকা প্ৰকাশ কৰে প্ৰতিবাদকাৰীসকলে। উল্লেখ্য যে বিগত পাঁচ জুলাইত বিটিচি প্ৰশাসনে জাৰি কৰা এই জাননী মৰ্মে মানাহ ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ প্ৰকল্পলৈ অহা পৰ্যটকসকলৰ বাবে মানাহত প্ৰৱেশৰ বাবদ বিভিন্ন ধৰণে প্ৰৱেশ মাচুল বৃদ্ধি কৰিছে।

ফলত প্ৰতিজন পৰ্যটকে মানাহত প্ৰৱেশৰ বাবদ পূৰ্বে নিৰ্ধাৰিত মাচুলৰ পৰিৱৰ্তে বৰ্তমানৰ নতুন জাননীখনৰ মতে প্ৰৱেশ মাচুল তিনিশ টকা জমা দিয়াৰ লগতে শনিবাৰে আৰু বন্ধৰ দিনত চাৰিশ টকা, আনহাতে, একেজন পৰ্যটকে মথনগুৰী যাবলৈ পুনৰ দুশ টকা ভৰিব লাগিব। গতিকে এজন পৰ্যটকে পূৰ্বৰ এশ টকাৰ ঠাইত দুশ টকা আৰু গাড়ীৰ বাবদ পূৰ্বৰ তিনিশৰ ঠাইত নশ টকা ভৰিব লাগিব। গতিকে এনে বৰ্ধিত মাচুলৰ বাবে মানাহত পৰ্যটকৰ হাৰ হ্ৰাস পোৱাটো নিশ্চিত বুলি আশংকা কৰিছে প্ৰকৃতিপ্ৰেমী ৰাইজ তথা দল-সংগঠনে। ইয়াৰ বিপৰীতে এই নিৰিখ কাজিৰঙা, পবিতৰা আদি উদ্যানত বৃদ্ধি কৰা নাই। বিটিচি প্ৰশাসনে মানাহ ৰাষ্ট্ৰীয় উদ্যানত কি অৰ্থত প্ৰৱেশ মাচুল ইমান বৃদ্ধি কৰিলে বুলি প্ৰশ্ন উত্থাপন কৰে প্ৰতিবাদী জনতাই।

## অসমীয়া সাহিত্য-সংস্কৃতি-সভ্যতা

*তিনি পৃষ্ঠাৰ পৰা* মহন্ত , চহিৰ ভূঞা, ড° ৰামচন্দ্ৰ ডেকা আৰু বিশিষ্ট পণ্ডিত মতিদেৱ শাস্ত্ৰী, সমাজসেৱক ৰামেশ্বৰ শৰ্মা, ৰমেশ ঘোষ, নাগেশ্বৰ চহৰীয়া, নিতাই ঘোষ, ড° বুধিন হাজৰিকা, শশাংক হাজৰিকা, ডাঃ ৰমাকান্ত বৰা, ৰমাকান্ত নাথ, কুলেন্দ্ৰ নাথ ডেকা, হৰি চন্দ্ৰ শৰ্মা, দৰং জিলা মহিলা সমিতিৰ পাৰুল দেৱী, নশ মীৰণ দেৱী, জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক ক্ৰমে আব্দুল কাদিৰ আহমেদ, সৎৰাম ডেকা, মুকুট চন্দ্ৰ হাজৰিকা, আছুৰ বিত্ত সম্পাদক খনীন্দ্ৰ ৰাজবংশী, জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ উপ-সভাপতি ভবেশ কাকতী, সদৌ দৰং জিলা ছাত্ৰ সন্থাৰ সভাপতি পৰাগ চহৰীয়া, জিলা সাহিত্য সভাৰ প্ৰাক্তন প্ৰত্ৰিকা সম্পাদক খাইৰুল হুছেইন, বিশিষ্ট কবি বিষ্ণুপ্ৰসাদ শইকীয়া, সহকাৰী সম্পাদকদ্বয় মকছেদ আলী আৰু ধকমান শ্ৰেষ্ঠ প্ৰমুখ্যে ৫০ গৰাকী বিশিষ্ট লোকে ৫০খন পতাকা উত্তোলন কৰে। ইয়াৰ পাছতে বন্তি প্ৰজ্বলন কৰে জিলা সভাৰ প্ৰাক্তন সভাপতি ড° ৰামচন্দ্ৰ ডেকাই, স্মৃতি তৰ্পণ কৰে প্ৰতিষ্ঠাপক সম্পাদক তথা প্ৰাক্তন সভাপতি ফুলেন্দ্ৰ নাথ চহৰীয়াই। ইয়াৰ পাছতে অনাতাঁৰ শিল্পী দীনবন্ধু চহৰীয়াৰ পৰিচালনাত ৫০ গৰাকী মহিলা শিল্পীয়ে পৰিবেশন কৰা অসম সাহিত্য সভা সংগীত 'চিৰ চেনেহী মোৰ ভাষা জননী' গীতেৰে মুকলি সভা অনুষ্ঠিত হয়। জিলা সাহিত্য সভাৰ উপ-সভাপতি বৰদা শইকীয়াই সভাপতিত্ব কৰা আৰু সম্পাদক গৌতমানন্দ গোস্বামীয়ে আঁত ধৰা মুকলি সভাখন উদ্বোধন কৰে অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি অধ্যাপক ইদ্ৰিছ আলীয়ে। সভাত মুখ্য অতিথিৰ ভাষণ প্ৰদান কৰি অসম সাহিত্য সভাৰ উপ-সভাপতি মৃণালিনী দেৱীয়ে কয়, 'অসমীয়া সাহিত্য, সংস্কৃতি ভাৰতীয় সাহিত্য সংস্কৃতিৰ পৰা পৃথক নহয়। এই অসম ভগৱান শ্ৰীকৃষ্ণৰ লীলা ভূমি আছিল। তেওঁ ইয়াতে বাণ জীয়ৰী ঊষাক হৰণ কৰিছিল, অথচ আমি সাহিত্য সভাই শ্ৰীকৃষ্ণৰ বাবে কি কৰিছো সেয়া চিন্তনীয়।' সভাত অংশগ্ৰহণ কৰি দৰঙৰ উপায়ুক্ত তথা উদযাপন সমিতিৰ সভাপতি প্ৰণৱ কুমাৰ শৰ্মাই দৰং জিলা সাহিত্য সভাৰ সোণালী জয়ন্তীৰ দৰে মনোজ্ঞ অনুষ্ঠানৰ লগত জড়িত হ'বলৈ পাই আনন্দিত হোৱা বুলি অনুভৱ ব্যক্ত কৰে। অনুষ্ঠানত জিলা সভাৰ নিয়মীয়া প্ৰকাশ প্ৰত্ৰিকাকে ধৰি আঠখনকৈ গ্ৰন্থ উন্মোচিত হয়। কিৰণ শইকীয়া বৰাৰ 'জীৱনৰ আঁক-বাক' উন্মোচন কৰে ড° নগেন্দ্ৰ নাথ শৰ্মাই, কল্যাণ গোস্বামীৰ 'জীৱন ডাৱেৰীৰ পৃষ্ঠা' অধ্যাপক ইদ্ৰিছ আলীয়ে, স্বৰ্ণলতা চহৰীয়াৰ 'মনৰ মাজুলী' চহিৰ ভূঞাই, বালিৰাম কেওটৰ 'সৰ্ব গুণাকৰ শ্ৰীমন্ত শঙ্কৰদেৱ' অৰনী মোহন চহৰীয়াই, পণ্ডিত মতিদেৱ শাস্ত্ৰীৰ 'বসুদেৱ কুটুম্বকম' মৃণালিনী দেৱীয়ে, উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মাই বিকাশজ্যোতি বৰুৱাৰ 'অৰুণোদয় যাত্ৰা', ধনমালা দেৱীৰ 'নাম অঞ্জলি' দেবজিৎ বৰাই আৰু ড° দুলাল হাজৰিকা সম্পাদিত 'দৰং জিলা সাহিত্য সভা পত্ৰিকা' উন্মোচন কৰে ড° নগেন্দ্ৰ নাথ শৰ্মাই। মুকলি সভাৰ অন্যতম আকৰ্ষণৰ কেন্দ্ৰবিন্দু আছিল ২০২২ত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত স্থান লাভ কৰি দৰং জিলালৈ সুনাম আৰু গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হোৱা সাত গৰাকী কীৰ্তিমানক জনোৱা উষ্ণ সম্বৰ্ধনা অনুষ্ঠান। উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাত প্ৰথম স্থান প্ৰাপক ধৃতিৰাজ বাস্তৱ, নৱম স্থান প্ৰাপক বিকিৰণ নাথ, কলা শাখাত অষ্টম স্থান প্ৰাপক দীক্ষিতা চহৰীয়া, হাইস্কুল শিক্ষান্ত পৰীক্ষাত তৃতীয় স্থান প্ৰাপক মৃদু পৱন কলিতা, পঞ্চম স্থান প্ৰাপক প্ৰাণজিৎ বৰদলৈ আৰু দশম স্থান প্ৰাপক অবিনাশ চহৰীয়াক জিলা সাহিত্য সভাই ফুলাম গামোচা, জিলা সাহিত্য সভাৰ প্ৰকাশিত গ্ৰন্থৰ টোপোলা আৰু জিলা সভাৰ স্মাৰকেৰে অভিনন্দন আৰু সম্বৰ্ধনা জনায়। মুকলি সভাত লখিমী সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি, কবি দ্বীপেন শৰ্মাই দৰং জিলা সাহিত্য সভাৰ ইতিহাস সম্বলিত বিষয় সামৰি জিলা সভাৰ সভাপতি সকলৰ ওপৰত এটি স্বৰচিত মনোজ্ঞ কবিতা পাঠ কৰি অনুষ্ঠান জীপাল কৰি তোলে। বিয়লি জিলা সাহিত্য সভা প্ৰকল্পৰ প্ৰৱেশ দ্বাৰত ৫০ গছি বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ সামৰণি মৰা হয়।

## অৱসৰপ্ৰাপ্ত শিক্ষক-লেখক ৰমেশ শৰ্মাৰ মৃত্যু

**ছয়গাঁও, ২২ জুলাই ঃ** কামৰূপ জিলাৰ বামুণীগাঁৱৰ অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক, লেখক তথা সমাজকৰ্মী ৰমেশ চন্দ্ৰ শৰ্মাৰ আজি পৰলোকপ্ৰাপ্তি ঘটে। দীৰ্ঘদিন ধৰি অসুস্থ হৈ থকা শৰ্মাই আজি পুৱা ৪.১০ বজাত বিজয়নগৰৰ লাইফ চেভ হাস্পতালত শেষ নিশ্বাস ত্যাগ কৰে। ১৯৫০ত জন্মলাভ কৰা প্ৰয়াত ৰমেশ চন্দ্ৰ শৰ্মা প্ৰয়াত মুক্তি যুঁজাৰু বৈকুণ্ঠ নাথ শৰ্মাৰ কনিষ্ঠ পুত্ৰ আছিল। একেধাৰে কবিতা, গল্প, উপন্যাস আদি ৰচনা কৰা শৰ্মাই ১৯৭৫ত বামুণীগাঁও মধ্য ইংৰাজী বিদ্যালয়ত শিক্ষকতা আৰম্ভ কৰি একেখন বিদ্যালয়ৰ পৰাই ২০১২ত অৱসৰ গ্ৰহণ কৰে। বামুণীগাঁও আঞ্চলিক প্ৰদীপ সংঘৰ প্ৰাক্তন সম্পাদক তথা বিভিন্ন সামাজিক কাম-কাজত জড়িত থকা শৰ্মাৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে আজি সমগ্ৰ বামুণীগাঁও অঞ্চলতে গভীৰ শোকৰ ছাঁ পৰে।

## ডুবাপাৰা লুপ্তাচৰৰ পত্নীক হত্যাত অভিযুক্তক কাৰাগাৰলৈ প্ৰেৰণ



**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ২২ জুলাই ঃ** অৱশেষত আজি ৰঙাঘৰৰ আলহী হ'ল গোৱালপাৰা জিলাৰ মৰনৈ আৰক্ষী থানাৰ অন্তৰ্গত ডুবাপাৰা লুপ্তাচৰ গাঁৱৰ পত্নী হত্যাত অভিযুক্ত জহিৰুল ইছলাম। উল্লেখ্য যে যোৱা ২০ জুলাইৰ পুৱাৰ ভাগত ডুবাপাৰা লুপ্তাচৰ গাঁৱৰ ময়নুদ্দিন শ্বেখৰ পুত্ৰ জহিৰুলে পত্নী আঞ্জেৰা খাতুনক খুকুৰীৰে ডিঙিত ঘপিয়াই হত্যা কৰে। জহিৰুলে নিজৰ পত্নীক হত্যা কৰিয়েই পলায়ন কৰে, কিন্তু যোৱা নিশা মৰনৈ আৰক্ষীয়ে উজিৰৰ চৰৰ পৰা তেওঁক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। এই জঘন্য ঘটনা সন্দৰ্ভত আৰক্ষীয়ে ভাৰতীয় দণ্ডবিধিৰ ৩০২/৩৪ ধাৰাত ৬১/২২ নম্বৰত এক গোচৰ পঞ্জীয়ন কৰে আৰু আজি জহিৰুলক আদালতত হাজিৰ কৰোৱাৰ পাছত আদালতে জেইল হাজোতলৈ প্ৰেৰণ কৰে । উল্লেখ্য যে কেই বছৰমান পূৰ্বে চৰাঞ্চলৰ পৰা আহি ডুবাপাৰা লুপ্তাচৰ গাঁৱত স্থায়ীভাৱে বসবাস কৰিবলৈ লোৱা জহিৰুলে এইদৰে নিজ পত্নীক ঘপিয়াই হত্যা কৰা ঘটনাক স্থানীয় ৰাইজে সহজভাৱে মানি ল'ব পৰা নাই। ইফালে ঘটনাৰ দিনাই আৰক্ষীয়ে জহিৰুলৰ পিতৃ-মাতৃক গ্ৰেপ্তাৰ কৰাৰ লগতে ইতিমধ্যে জেইল হাজোতলৈ প্ৰেৰণ কৰিছে।

## ক'ভিডকালীন পৰিস্থিতিৰ বাবে দেশৰ অৰ্থনীতিত বাধা আহিছে ঃ বৈজয়ন্তী জয় পাণ্ডা

### নলবাৰীত বিজেপিৰ বৌদ্ধিক সমাৰোহ অনুষ্ঠিত



**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ২২ জুলাই ঃ** বিজেপিৰ বৌদ্ধিক সমাৰোহ আজি নলবাৰীৰ বৰ আজাৰাত বাসন্তীখোলাত অনুষ্ঠিত হৈ যায়। উক্ত বৌদ্ধিক সমাৰোহত মোদী-২০ গ্ৰন্থখন উন্মোচন কৰি নলবাৰীৰ বৌদ্ধিক মহলৰ লগত মত বিনিময় কৰে বৈজয়ন্তী জয় পাণ্ডাই। অনুষ্ঠানত অংশগ্ৰহণ কৰে মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ লগতে জয়ন্ত মল্ল বৰুৱা আৰু বিজেপিৰ ৰাজ্যিক সাংগঠনিক সম্পাদক ফণীন্দ্ৰ নাথ শৰ্মাই। ভাষণ প্ৰসংগত বৈজয়ন্তী জয় পাণ্ডাই কয় যে মোদীৰ নেতৃত্বত ভাৰতবৰ্ষ এক ঐতিহাসিক স্থানত উপনিত হৈছে। ইপিনে, মূল্যবৃদ্ধি আৰু জিএছটি সম্পৰ্কত সংবাদ মাধ্যমৰ আগত মন্তব্য কৰি বৈজয়ন্ত জয় পাণ্ডাই কয় যে ক'ভিড কালীন পৰিস্থিতিৰ বাবে দেশৰ অৰ্থনীতিত এটা হেঁচা পৰিছে যদিও মোদীৰ নেতৃত্বত অৰ্থনীতি নিয়ন্ত্ৰণ কৰি ৰখা হৈছে আৰু সকলো সামগ্ৰীৰ ক্ষেত্ৰত জিএছটি লগোৱাটো এক অপপ্ৰচাৰ হে। ব্ৰেণ্ডেড সামগ্ৰীৰ ক্ষেত্ৰতহে জিএছটি প্ৰযোজ্য হ'ব। ইপিনে, এই বৌদ্ধিক সমাৰোহত অংশ লৈ সংবাদ মাধ্যমৰ আগত মন্তব্য কৰি ৰাষ্ট্ৰপতি নিৰ্বাচনত অখিল গগৈ আৰু মনোৰঞ্জন তালুকদাৰে শাসকীয় দলৰ পক্ষত ভোটদান কৰাৰ সন্দেহ ব্যক্ত কৰে জয়ন্ত মল্ল বৰুৱাই। বেছি লম্ফ জম্ফ কৰা সকলেই ভোট দিছে দ্ৰৌপদী মুৰ্মুক বুলিও মন্তব্য কৰে জয়ন্ত মল্ল বৰুৱাই। ইপিনে, ১২ আগষ্টৰ পৰা নলবাৰীত নলবাৰী দিৱস অনুষ্ঠিত হ'ব বুলি ঘোষণা কৰে জয়ন্ত মল্ল বৰুৱাই। উক্ত সমাৰোহখনতে দলৰ বিভিন্ন সাংগঠনিক কাৰ্যকলাপ আৰু দলৰ ভৱিষ্যৎ পদাংক সম্পৰ্কে আলোচনা কৰা হয়। উক্ত সভাত মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী বিজেপি অসমৰ সাংগঠনিক সাধাৰণ সম্পাদক ফণীন্দ্ৰনাথ শৰ্মা, বিজেপি নলবাৰী জিলাৰ সভাপতি ডাঃ মৃগাংক তালুকদাৰ, প্ৰভাৰী বিজুলী কলিতা মেধি, সহ-প্ৰভাৰী বিতুপন ৰাইদঙীয়া আৰু দলৰ আন মাননীয় গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

## লাহৰীঘাটৰ বোৱালগুৰিত

*তিনি পৃষ্ঠাৰ পৰা* সৰবৰাহকাৰীৰ পৰা জব্দ কৰা ড্ৰাগছখিনিৰ ওজন ৯.৮৫ গ্ৰাম বুলি আৰক্ষীয়ে জনাইছে। ধৃত লোকজনে দীৰ্ঘদিনৰ পৰা ড্ৰাগছৰ ব্যৱসায়ৰ লগত জড়িত থকাৰ অভিযোগ আছিল। লাহৰীঘাট আৰক্ষীয়ে ধৃত লোকজনক গ্ৰেপ্তাৰ কৰি তেওঁৰ বিৰুদ্ধে নিচাযুক্ত দ্ৰব্য বিৰোধী আইন (এনডিপিএছ)ৰ অধীনত এটি গোচৰ ৰুজু কৰি মৰিগাঁও আদালতত হাজিৰ কৰোৱাৰ পাছত আদালতে লোকজনক কাৰাগাৰলৈ প্ৰেৰণ কৰে।

## বৰপেটাৰ বাতৰি কাকতৰ

*তিনি পৃষ্ঠাৰ পৰা* পৰিয়ালবৰ্গলৈও গভীৰ সমবেদনা জ্ঞাপন কৰিছে । বৰপেটা সাহিত্য সভা , বৰপেটা প্ৰেছ ক্লাব আৰু বাতৰি কাকতৰ হকাৰসকলেও গোস্বামীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত গোস্বামীয়ে পত্নী সহিতে তিনিগৰাকী কন্যা সন্তান এৰি গৈছে।

## মিছামাৰীৰ ননকে বেলশিৰিত

*তিনি পৃষ্ঠাৰ পৰা* অৱস্থাতে ৰেলৰ খুন্দাত মৃত্যু হয়। ইপিনে, ঘটনাস্থলীত ৰঙাপৰাস্থ ৰেলৱে আৰক্ষীয়ে উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। উল্লেখ্য যে এই স্থানত বিকল্প দলঙৰ সুব্যৱস্থা নথকা বাবে বিগত সময়ত ২৩ জন লোকৰ ৰেলৰ খুন্দাত মৃত্যু হৈছে। অঞ্চলটোৰ লোকসকলে ইয়াত দলং নিৰ্মাণৰ বাবে চৰকাৰ আৰু বিভাগীয় কৰ্তৃপক্ষক দাবী জনাই অহাৰ পাছতো কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰিলে। ফলত পুনৰ আজি এগৰাকী মহিলাই ৰেলৰ খুন্দাত কৰুণ মৃত্যুক সাৱটিলে বুলি স্থানীয় লোকে ক্ষোভ প্ৰকাশ কৰে।

## বিদ্যুৎ ভল্টেজৰ অভাৱত ৰাইজৰ হাৰাশাস্তি ঃ বিভাগীয় কৰ্মচাৰীক অৱগত কৰাৰ পাছতো গুৰুত্ব নিদিয়াৰ অভিযোগ

## লাহৰীঘাটত অবৈধভাৱে ব্যৱহাৰ কৰিছে হাই পাৱাৰ ইলেকট্ৰিকেল ষ্টেবলাইজাৰ

**অগ্ৰদূত বাৰ্তা**

**লাহৰীঘাট, ২২ জুলাই ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট বিদ্যুৎ উপ-সংমণ্ডলৰ অন্তৰ্গত একাংশ গাঁৱত যোৱা কিছুদিন ধৰি বিদ্যুতৰ নিম্নগামী ভল্টেজৰ বাবে ৰাইজক অতিষ্ঠ কৰি তুলিছে। গৰমৰ তাপমাত্ৰা বৃদ্ধি পোৱাৰ ফলত স্বাভাৱিক জীৱন যাত্ৰা একপ্ৰকাৰ ব্যাহত হৈ পৰাৰ সময়তে বিদ্যুতৰ ভল্টেজ একেবাৰে কমকৈ পোৱাত গৰমত যন্ত্ৰণা ভুগি আহিছে গ্ৰাহক ৰাইজে। লাহৰীঘাট বিদ্যুৎ উপ-সংমণ্ডলৰ অন্তৰ্গত দক্ষিণ চেনিমাৰী, গৰম বজাৰ, বৰখাবল, বৰবড়ি, নৰসিংবড়ি আদি কৰি একাংশ গাঁৱত বিদ্যুৎ যোগান থাকিলেও ভল্টেজ একেবাৰে কম থকাত বাল্ব পৰ্যন্ত নজ্বলে। ফলত পোহৰৰ অভাৱত শিক্ষাৰ্থীসকলৰ অধ্যয়নৰ ক্ষেত্ৰত সমস্যাৰ সৃষ্টি হয়। প্ৰাপ্ত অভিযোগ অনুসৰি, উক্ত গাঁও একোখনত একাংশ লোকে অবৈধভাৱে ১০-১২ টাকৈ তিনি কিলোৱাটৰ পৰা পাঁচ কিলোৱাট পৰ্যন্ত হাই পাৱাৰৰ ইলেকট্ৰিকেল ষ্টেবলাইজাৰ ব্যৱহাৰ কৰি আছে। ফলত গাঁওসমূহত বিদ্যুতৰ নাটনি হোৱাৰ লগতে ভল্টেজ একেবাৰে কমি যায়। ২৪ ঘণ্টাৰ ভিতৰত পাঁচ-ছয় ঘণ্টা বিদ্যুৎ যোগান থাকিলেও একাংশ লোকে অবৈধভাৱে হাই পাৱাৰ ষ্টেবলাইজাৰ ব্যৱহাৰ কৰাৰ ফলত ভল্টেজ কমি যায়। কমকৈ ভল্টেজ পোৱাত আন গ্ৰাহকসকলে গৰমৰ যন্ত্ৰণা আৰু পোহৰৰ সমস্যাত ভুগিবলগীয়া হৈছে। বিদ্যুৎ যোগান অব্যাহত থাকিলেও ভল্টেজ নথকাৰ ফলত বাল্বৰ পোহৰ কমি যোৱাৰ লগতে ফ্ৰীজ, মটৰ, কুলাৰ, ইস্ত্ৰি আদি অচল হৈ পৰে। এনেদৰে একাংশই অবৈধভাৱে ষ্টেবলাইজাৰ ব্যৱহাৰ কৰি ভল্টেজৰ ক্ষেত্ৰত আনক হাৰাশাস্তি কৰাৰ অভিযোগ উঠিছে। উল্লেখ্য যে গাঁৱত অবৈধভাৱে হাই পাৱাৰ ষ্টেবলাইজাৰ ব্যৱহাৰ কৰা বিষয়টো বিভাগীয় কৰ্মচাৰীক অৱগত কৰাৰ পাছতো কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰা বুলি ৰাইজে অভিযোগ কৰিছে। সেয়ে অবৈধভাৱে হাই ভল্টেজ ষ্টেবলাইজাৰ ব্যৱহাৰ কৰি আনৰ অসুবিধা কৰা লোকসকলৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ ভুক্তভোগী ৰাইজে বিদ্যুৎ বিভাগৰ ঊৰ্ধ্বতন কৰ্তৃপক্ষক দাবী জনাইছে।



*কলিয়াবৰত ৰাষ্ট্ৰীয় ঘাইপথৰ দুৰৱস্থা।*

## খাৰুপেটীয়াত স্বামীৰ পৰিয়ালে বিষ খোৱাই ন-বোৱাৰীক হত্যা কৰাৰ অভিযোগ

**অগ্ৰদূত বাৰ্তা**

**দলগাঁও, ২২ জুলাই ঃ** দৰঙৰ খাৰুপেটীয়া আৰক্ষী থানাৰ অন্তৰ্গত বৰঙাবাৰীত ন-বোৱাৰীক হত্যাৰ অভিযোগ উত্থাপিত হৈছে । উল্লেখ্য যে এবছৰ পূৰ্বে দৰঙৰ খাৰুপেটীয়া আৰক্ষী থানাৰ অন্তৰ্গত খগজানি গাঁৱৰ আব্দুল বাৰেকৰ পুত্ৰ নজৰুল হকৰ স'তে দলগাঁও আৰক্ষী থানাৰ অন্তৰ্গত বৰঙাবাৰী গাঁৱৰ আইনাল হকৰ কন্যা আলমিনা বেগমৰ সামাজিকভাৱে বিবাহ সম্পন্ন হয়। অভিযোগ মতে, বিবাহ সম্পন্ন হোৱাৰ কিছুদিন পাছৰে পৰাই যৌতুকৰ দাবীত বোৱাৰীগৰাকীৰ ওপৰত শাৰীৰিক-মানসিক নিৰ্যাতন চলাই আহিছিল স্বামীৰ পৰিয়ালে। যোৱা ১৩ জুলাইত যৌতুকৰ গহনা লৈ কাজিয়াৰ সৃষ্টি কৰি ন-বোৱাৰী গৰাকীক স্বামীৰ পৰিয়ালে উপৰ্যুপৰি

### যৌতুক বিচাৰি শাৰীৰিক-মানসিক নিৰ্যাতন চলোৱাৰ অভিযোগ

আক্ৰমণ কৰে আৰু হত্যাৰ চেষ্টাৰে মুখত বিষ ঢালি দিয়ে। গুৰুতৰভাৱে আহত বোৱাৰীগৰাকীক চিকিৎসাৰ বাবে মঙলদৈ অসামৰিক চিকিৎসালয়লৈ নিয়া হয় যদিও চিকিৎসকে উন্নত চিকিৎসাৰ বাবে জিএমচিএইছলৈ প্ৰেৰণ কৰে। এসপ্তাহ জিএমচিএইছৰ বিচনাত চটফটাই শেষ নিশ্বাস ত্যাগ কৰে ন বোৱাৰী আলমিনাই। মৰণোত্তৰ পৰীক্ষাৰ পাছত যোৱা নিশা ঘৰলৈ আনি জানাজা সম্পন্ন কৰি কবৰস্থ কৰা হয়। ঘটনা সন্দৰ্ভত স্বামী নজৰুল হক, শহুৰ আব্দুল বাৰেক আৰু শাহুৰেক নুৰ জাহানৰ বিৰুদ্ধে থানাত এজাহাৰ দাখিল কৰাত আৰক্ষীয়ে স্বামী নজৰুলক গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰে। বাকী অভিযুক্ত সকলকো কৰায়ত্ত কৰিবলৈ আৰক্ষী প্ৰশাসনৰ ওচৰত দাবী জনাইছে বোৱাৰীৰ পিতৃ পৰিয়ালে।

### আক্ৰোশমূলকভাৱে কণ্ঠৰুদ্ধ কৰাৰ চেষ্টাত ব্ৰতী হৈছে বিজেপি ঃ কংগ্ৰেছ

## বিজেপি মুৰ্দাবাদ ধ্বনিৰে উত্তাল কোকৰাঝাৰ

**অগ্ৰদূত বাৰ্তা**

**কোকৰাঝাৰ, ২২ জুলাই ঃ** কংগ্ৰেছৰ সভানেত্ৰী ছোনিয়া গান্ধীক প্ৰৱৰ্তক সঞ্চালকালয়ৰ চমন জাৰি কৰাৰ প্ৰতিবাদত অসম প্ৰদেশ কংগ্ৰেছৰ উদ্যোগত শুকুৰবাৰে ৰাজ্যজুৰি অনুষ্ঠিত হোৱা প্ৰতিবাদী কাৰ্যসূচী কোকৰাঝাৰতো ৰূপায়িত হয়। কোকৰাঝাৰ জিলা কংগ্ৰেছৰ কাৰ্যালয় প্ৰাংগণত জিলা কংগ্ৰেছে এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। অসম প্ৰদেশ কংগ্ৰেছৰ সম্পাদক ভৱনাথ নাথৰ নেতৃত্বত শতাধিক কংগ্ৰেছ নেতা-কৰ্মীয়ে হাতে হাতে বেনাৰ, ফেষ্টুন-প্লেকাৰ্ড আদি প্ৰদৰ্শন কৰি কংগ্ৰেছৰ সভানেত্ৰী গান্ধীক ইডিৰ চমন জাৰি কৰাৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে শাসকীয় দল বিজেপিৰ আক্ৰোশমূলক কাৰ্যক গৰিহণা প্ৰকাশ কৰি মুৰ্দাবাদ ধ্বনি দিয়ে।

কাৰ্যসূচীৰ অন্তত অসম প্ৰদেশ কংগ্ৰেছৰ সম্পাদক নাথে কয় যে বিজেপি চৰকাৰে নিৰ্বাচনৰ সময়ত যি প্ৰতিশ্ৰুতি দি ৰাজপাট দখল কৰিছিল তাৰে এটা প্ৰতিশ্ৰুতিও পালন কৰা নাই। বিজেপিয়ে এতিয়া আক্ৰোশমূলকভাৱে কণ্ঠৰুদ্ধ কৰাৰ চেষ্টাত ব্ৰতী হৈছে। আনকি কবিতা লিখিলেও বিজেপিৰ ৰোষত পৰা হৈছে। কংগ্ৰেছ দলৰ নেতা-নেত্ৰীক ইডিৰ চমন জাৰি কৰি, চিবিআইৰ ভয় দেখুৱাই কণ্ঠৰুদ্ধ কৰিব নোৱাৰে বুলি মন্তব্য কৰি নাথে বিজেপিক ক্ষমতাৰ অপব্যৱহাৰ নকৰিবলৈ সকীয়াই দিয়ে। আজিৰ প্ৰতিবাদী কাৰ্যসূচীত কংগ্ৰেছৰ প্ৰায়ভাগ জিলা কৰ্মকৰ্তা উপস্থিত আছিল ।

## গুৱাহাটী প্ৰেছ ক্লাবত শিশু সাহিত্য উত্তৰণৰ, অসমৰ সাতখনকৈ গ্ৰন্থ উন্মোচন

**গুৱাহাটী, ২২ জুলাই ঃ** আজি গুৱাহাটী প্ৰেছ ক্লাবত শিশু সাহিত্য উত্তৰণৰ দ্বাৰা প্ৰকাশিত 'উত্তৰণৰ জীৱনী সঁফুৰা'ৰ অন্তৰ্গত পাঁচখনকৈ জীৱনী পুথি ক্ৰমে সাহিত্যকাণ্ডাৰী পদ্মনাথ গোহাঞি বৰুৱা (বীৰেন শৰ্মা), সুন্দৰৰ শিল্পী জ্যোতিপ্ৰসাদ আগৰৱালা (বীণাপাণি গগৈ), কলাগুৰু বিষ্ণু ৰাভা (কুঞ্জ হাজৰিকা), বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰ (অপৰ্ণা শইকীয়া দাস), মহীয়সী ফ্লোৰেন্স নাইটিংগেল (ৰবীন পাঠক) পুথিকেইখন উন্মোচনৰ লগতে উত্তৰণৰ অন্যতম দুগৰাকী সদস্যা ক্ৰমে ৰূপালী দাসৰ কাব্যগ্ৰন্থ 'অনুৰণন' আৰু থানেশ্বৰী কুৰ্মী গঞ্জুৰ 'পদ্যত জ্ঞানৰ সঁফুৰা' পুথি দুখনো উন্মোচিত হয়। অনুষ্ঠানত উন্মোচকৰূপে উপস্থিত থাকে বিশিষ্ট লেখকদ্বয় যথাক্ৰমে ড° জগদীন্দ্ৰ ৰায়চৌধুৰী আৰু সুৰেন্দ্ৰ লাউজাৰীদেৱে। এই অনুষ্ঠানতে শিশু সাহিত্য উত্তৰণৰ সক্ৰিয় সদস্য বীৰেন শৰ্মাক 'উত্তৰণ জীৱন সঁফুৰা'ৰ অন্তৰ্গত এলানি পুথি প্ৰণয়নৰ বাবে আগবঢ়োৱা আৰ্থিক সহযোগিতাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰা হয়। উন্মোচকৰ লগতে সভাত উপস্থিত থকা বিশিষ্ট ব্যক্তিসকলে শিশুৰ মানসিক আৰু বৌদ্ধিক বিকাশৰ বাবে উত্তৰণে চলাই অহা এনে নিৰন্তৰ প্ৰয়াসক ভূয়সী প্ৰশংসা কৰে। উল্লেখ্য যে অনুষ্ঠানতে যোৱা ১২ জুনত ধুবুৰীৰ চাপৰত অনুষ্ঠিত 'ঠাইতে ৰং সনা' প্ৰতিযোগিতাৰ বিজয়ী প্ৰতিযোগীসকলক এটিকৈ কিতাপৰ টোপোলাৰে পুৰস্কৃত কৰা হয়। গীত-মাত আৰু আবৃত্তিৰে উজ্জীৱিত এই অনুষ্ঠানটিৰ আঁত ধৰে ৰবীন পাঠকে। সভাৰ অন্তত শলাগৰ শৰাই আগবঢ়ায় উত্তৰণৰ প্ৰকাশন সচিব দিলীপ শৰ্মাই।



*কলিয়াবৰতগৰু ভৰ্তি বাহন জব্দ, শুকুৰবাৰে।*



## চীনত প্ৰথমবাৰলৈ মধ্যবিত্তৰ চৰকাৰ বিৰোধী প্ৰতিবাদ


**নিউজ ব্যুৰ', বেইজিং, ২২ জুলাই ঃ** চীনৰ ৰাষ্ট্ৰপতি জি জিনপিঙে প্ৰথমবাৰৰ বাবে দেশখনৰ মধ্যবিত্তৰ এক বিদ্ৰোহ প্ৰত্যক্ষ কৰিলে। চীনৰ ৩১ প্ৰদেশৰ ২৪ প্ৰদেশৰ ২৩৫ আবাসন প্ৰকল্পৰ ১.৩ কোটি হিতাধিকাৰীয়ে গৃহঋণৰ কিস্তি আদায় দিয়াৰ পৰা বিৰত আছে। এইসকল চীনা নাগৰিকৰ অভিযোগ অনুসৰি বিল্ডাৰে তেওঁলোকক নিৰ্দিষ্ট সময়ত গৃহ আবণ্টন দিয়া নাই। সেয়েহে এইসকল লোকে বেংকৰ সন্মুখত সমবেত হৈ এইদৰে প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে গৃহঋণৰ কিস্তি আদায় নিদিয়াৰ সিদ্ধান্ত লৈছে। প্ৰথমবাৰৰ বাবে চীনত নাগৰিকৰ এনে গণতান্ত্ৰিক প্ৰতিবাদ প্ৰত্যক্ষ হ'ল।

## কানাডাৰ নাগৰিকত্বৰ সন্দৰ্ভত কি ক'লে অক্ষয়ে ?




**নিউজ ব্যুৰ', মুম্বাই, ২২ জুলাই ঃ** 'কফি উইথ কৰণ-৭' অনুষ্ঠানত অংশ লৈ বলিউডৰ মহাতাৰকা অভিনেতা অক্ষয় কুমাৰে তেওঁৰ নাগৰিকত্বৰ সন্দৰ্ভত স্পষ্টীকৰণ দিলে। ২০১৯ৰ লোকসভাৰ নিৰ্বাচনত অক্ষয়ে ভোটদান নকৰাত একাংশ লোকে বিষয়টো চৰ্চা কৰিছিল আৰু সেই সময়ত অভিনেতাজনে কৈছিল যে তেওঁ কানাডাৰ নাগৰিকত্ব গ্ৰহণ কৰিছিল। ইয়াৰ পাছৰে পৰা সময়ে সময়ে একাংশ লোকে সামাজিক মাধ্যমত অক্ষয়ক 'কানাডা কুমাৰ' বুলি কটাক্ষ কৰি আহিছে। 'কফি উইথ কৰণ-৭'ত কৰণ জোহৰে এই সন্দৰ্ভত প্ৰশ্ন কৰাত অক্ষয়ে কয়, 'একাংশ লোকে মোক কানাডা কুমাৰ বুলি কয়। ক'বলৈ দিয়ক। মোৰ কোনো ক্ষতি নহয়। আচলতে এসময়ত মোৰ একেৰাহে ১৩ খনকৈ ছবি বক্স অফিচত ব্যৰ্থ হৈছিল। বলিউডত মোৰ কাম প্ৰায় নোহোৱাৰ দৰে হৈছিল। সেই সময়তে মোৰ কানাডাত থকা এজন বন্ধুৱে মোক কানাডাত বসবাস কৰিবলৈ পৰামৰ্শ দিছিল আৰু তেওঁৰ পৰামৰ্শতে মই কানাডাৰ নাগৰিকত্বৰ বাবে আবেদন জনাইছিলো। কিন্তু হঠাতে মুক্তি লাভ কৰা মোৰ এখন ছবি পুনৰ 'হিট' হ'ল। লগে লগে মই নতুন ছবিৰ প্ৰস্তাৱ লাভ কৰিবলৈ ধৰিলো আৰু এখনৰ পাছত আনখন ছবি হিট হ'বলৈ ধৰিলে। মই কানাডালৈ যাব লগা নহ'ল। কিন্তু মোৰ পাৰপত্ৰ ইমানদিনে সলনি কৰিবলৈ আহৰি পোৱা নাছিলো। এতিয়া মই পাৰপত্ৰৰ বাবে আবেদন জনাইছো।'

## অন্ধ্ৰ প্ৰদেশত অ'মিক্ৰন আতংক, বিএ.৪-বিএ.৫ উপপ্ৰজাতিৰ সংক্ৰমণ চিনাক্ত




**নিউজ ব্যুৰ', হায়দৰাবাদ, ২২ জুলাই ঃ** দেশজুৰি কৰ'নাৰ সংক্ৰমণ উৰ্ধ্বমুখী হোৱাৰ সময়তে অন্ধ্ৰ প্ৰদেশত ধৰা পৰিল অ'মিক্ৰনৰ দুই উপপ্ৰজাতি বিএ.৪ আৰু বিএ.৫ৰ সংক্ৰমণ। ৰাজ্যখনৰ স্বাস্থ্য বিভাগে প্ৰকাশ কৰা অনুসৰি, অ'মিক্ৰনৰ দুই উপপ্ৰজাতিৰ সংক্ৰমণ চিনাক্ত কৰাৰ পাছত জনসাধাৰণক ক'ভিড বিধি পূৰ্বৰ দৰে মানি চলিবলৈ পৰামৰ্শ দিয়া হৈছে। ইতিমধ্যে ৰাজ্যখনৰ স্বাস্থ্য বিভাগে সতৰ্কতা জাৰি কৰিছে। ক'ভিডৰ অতি সংক্ৰামক উপপ্ৰজাতি হিচাপে পৰিচিত বিএ.৪ আৰু বিএ.৫ৰ সংক্ৰমণ চিনাক্ত কৰাৰ বাবে ৰাজ্য চৰকাৰে দৈনিক পৰীক্ষণ বৃদ্ধি কৰিছে। ইয়াৰ বাবে সিদ্ধাৰ্থ মেডিকেল কলেজত সম্পূৰ্ণ জিন'ম ছিকুৱেন্সিং পৰীক্ষাগাৰ স্থাপন কৰা হৈছে।

## পুনৰ কৰ'নাত সংক্ৰমিত মাৰ্কিন ৰাষ্ট্ৰপতি বাইডেন



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ২২ জুলাই ঃ** আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেন পুনৰ কৰ'নাত সংক্ৰমিত হ'ল। কে'বামাহ পূৰ্বে টিকাকৰণ সম্পূৰ্ণ হোৱা মাৰ্কিন ৰাষ্ট্ৰপতিৰ শৰীৰত দ্বিতীয়বাৰৰ বাবে ক'ভিড-১৯ৰ সংক্ৰমণ নিশ্চিত কৰিলে চিকিৎসকে। হোৱাইট হাউছৰ সচিব কাৰিনা জা-পিয়েৰে বৃহস্পতিবাৰে নিশা এই কথা প্ৰকাশ কৰে। অৱশ্যে বাইডেনৰ ৰোগৰ লক্ষণ উদ্বেগজনক নহয় বুলি হোৱাইট হাউছে জানিবলৈ দিয়ে। সম্প্ৰতি মাৰ্কিন ৰাষ্ট্ৰপতিয়ে চৰকাৰী আবাসত নিভৃতবাসত আছে।



## দেশত ২৪ ঘণ্টাত ক'ভিডত মৃত্যু ৬০ জনৰ, বৃদ্ধি সংক্ৰমণো

**নিউজ ব্যুৰ', নতুন দিল্লী, ২২ জুলাই ঃ** দেশৰ দৈনিক সংক্ৰমণৰ উদ্বেগ অব্যাহত আছে। বৃহস্পতিবাৰৰ পাছত শুকুৰবাৰেও দেশৰ দৈনিক কৰ'না আক্ৰান্তৰ সংখ্যা ২১ হেজাৰৰ অধিক হ'ল। একেদৰে বিগত এদিনত ভাৰতত ক'ভিডত মৃতকৰ সংখ্যাও বৃদ্ধি পালে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত দেশৰ বিভিন্ন ৰাজ্যত ২১,৮৮০ জন লোক ক'ৰনাত সংক্ৰমিত হ'ল। আনহাতে, এদিনতে ক'ভিডত প্ৰাণ হেৰুৱালে ৬০ জন ৰোগীয়ে। বৰ্তমানে দেশত এক লাখ ৪৯ হেজাৰ ৪৮২ জন সক্ৰিয় ক'ভিড ৰোগী আছে।

**মূল্যবৃদ্ধিৰ সমস্যাটোৰ পৰা বিশ্ববাসীয়ে সহজে সকাহ পোৱাৰ কোনো সম্ভাৱনা নাই**

# কৰ'নাৰ পাছত মূল্যবৃদ্ধিৰ মাধমাৰ, সাত কোটি লোক হ'ব দৰিদ্ৰ ঃ আই এম এফৰ সকীয়নি

**নিউজ ব্যুৰ' নতুন দিল্লী, ২২ জুলাই ঃ** বিশ্বত আৰ্থিক প্ৰত্যাহ্বানৰ অন্ত নপৰা হৈছে। কৰ'না মহামাৰীৰ দ্বাৰা সৰ্বাধিক প্ৰভাৱিত হোৱাৰ পাছত বিশ্বৰ প্ৰায়বোৰ দেশৰ অৰ্থনীতি সম্প্ৰতি ভয়াৱহ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। বিশ্বৰ বহু দেশ সম্প্ৰতি মুদ্ৰাস্ফীতি আৰু মূল্যবৃদ্ধিৰ দ্বাৰা জৰ্জৰিত হৈছে। ফলত গোলকীয় আৰ্থিক মন্দাৱস্থাৰ শংকা প্ৰকট কৰিলে আন্তৰ্জাতিক মুদ্ৰা নিধি (আই এম এফ)য়ে। আই এম এফৰ মুৰব্বী ক্ৰিষ্টিলিনা জিৰ্অ'জিয়েভাই এই সন্দৰ্ভত সতৰ্কতা জাৰি কৰিলে। ক্ৰিষ্টিলিনাই নিজৰ ব্লগত কয় যে ২০২২ বৰ্ষতো যথেষ্ট প্ৰত্যাহ্বানমূলক হ'ব আৰু আগন্তুক ২০২৩ বৰ্ষতো অধিক সমস্যাৰে আক্ৰান্ত হ'ব। আই এম এফৰ মুৰব্বীয়ে লগতে কয় যে মূল্যবৃদ্ধিৰ সমস্যাটোৰ পৰা বিশ্ববাসীয়ে সহজে সকাহ পোৱাৰ কোনো সম্ভাৱনা নাই। মূল্যবৃদ্ধিৰ পৰিণতিত সাম্প্ৰতিক বিশ্বত দৰিদ্ৰ দেশৰ সাত কোটি লোক অতি দৰিদ্ৰত পৰিণত হ'ব বুলিও ক্ৰিষ্টিলিনাই ব্লগত দাবী কৰিছে। আই এম এফৰ মুৰব্বীয়ে উল্লেখ কৰা অনুসৰি সমগ্ৰ বিশ্বতে সম্প্ৰতি মুদ্ৰাস্ফীতি উচ্চতম পৰ্যায়ত আছে। ৰাছিয়া আৰু ইউক্ৰেইনৰ যুদ্ধৰ ফলত মুদ্ৰাস্ফীতিয়ে অধিক ভয়াৱহ ৰূপ ধাৰণ কৰিছে বুলিও ক্ৰিষ্টিলিনাই মন্তব্য কৰে। 'অধিকাংশ দৰিদ্ৰ দেশে পাঁচ শতাংশতকৈও অধিক মূল্যবৃদ্ধিৰ সমস্যাৰ সন্মুখীন হৈছে। আগন্তুক সময়ত মূল্যবৃদ্ধিয়ে অধিক ভয়াৱহ ৰূপ ধাৰণ কৰিব পাৰে। ইয়াৰ ফলত বিভিন্ন দেশত সামাজিক অস্থিৰতাই দেখা দিয়াৰ শংকা আছে।' আই এম এফৰ মুৰব্বীয়ে এইদৰে কয়।



## এইবাৰ নিউ য়ৰ্কত ২০ বছৰীয়া যুৱকৰ শৰীৰত পলিঅ'ৰ সংক্ৰমণ চিনাক্ত



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ২২ জুলাই ঃ** আমেৰিকাৰ নিউ য়ৰ্কত পলিঅ'ত আক্ৰান্ত এজন ৰোগীক চিনাক্ত কৰা হ'ল। অঞ্চলটোৰ ৰকলেণ্ড প্ৰদেশত বাস কৰা ২০ বছৰ বয়সীয়া এজন যুৱকৰ শৰীৰত পলিঅ'ৰ সংক্ৰমণ ধৰা পৰিল। স্থানীয় স্বাস্থ্য বিষয়াই যুৱকজনৰ স্বাস্থ্য পৰীক্ষণৰ পাছত এই কথা আনুষ্ঠানিকভাৱে ঘোষণা কৰে। উল্লেখ্য যে ১০ বছৰ পূৰ্বে আমেৰিকাক পলিঅ'মুক্ত ঘোষণা কৰা হৈছিল আৰু এই ঘোষণাৰ পাছত প্ৰথমবাৰৰ বাবে দেশখনত পলিঅ'ত আক্ৰান্ত ৰোগীক চিনাক্ত কৰা হ'ল। ২০ বছৰীয়া যুৱকজনক যোৱা জুনত চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। 'দ্য ৱাশ্বিংটন প'ষ্ট'ৰ বাতৰি অনুসৰি, এমাহ ধৰি চিকিৎসকে যুৱকজনৰ যাৱতীয় স্বাস্থ্য পৰীক্ষা কৰি তেওঁৰ শৰীৰত পলিঅ' ভাইৰাছৰ সংক্ৰমণ ধৰা পেলায়। উল্লেখ্য যে শেহতীয়াভাৱে পাকিস্তানত ১১ জন আৰু আফগানিস্তানত এজন শিশুৰ শৰীৰত পলিঅ'ৰ সংক্ৰমণ ধৰা পৰিছিল।



## আগষ্টত আৰম্ভ হ'ব আকাছাৰ বিমানসেৱা, টিকটৰ বুকিং আৰম্ভ

**নিউজ ব্যুৰ' নতুন দিল্লী, ২২ জুলাই ঃ** ভাৰতৰ নতুন আকাছা এয়াৰলাইন্সে আজি ঘোষণা কৰি কয় যে সংস্থাটোৱে অহা সাত আগষ্টৰ পৰা মুম্বাই-আহমেদাবাদৰ মাজত প্ৰথম বাণিজ্যিক বিমানসেৱা আৰম্ভ কৰিব। ব্যৱসায়ী ৰাকেশ ঝুনঝুনৱালাৰ বিনিয়োগত প্ৰতিষ্ঠিত আকাছা এয়াৰলাইন্সে প্ৰকাশ কৰা অনুসৰি প্ৰতিষ্ঠানটোৰ প্ৰথম বিমানসেৱাৰ বাবে তেওঁলোকে ব'য়িং ৭৩৭ মেক্স বিমানৰ ব্যৱহাৰ কৰিব। আকাছা এয়াৰে লগতে বিবৃতিত উল্লেখ কৰা অনুসৰি প্ৰতিষ্ঠানটোৱে সাপ্তাহিক ২৮ বিমানৰ উৰণৰ বাবে ইতিমধ্যে টিকট বিক্ৰী প্ৰক্ৰিয়া আৰম্ভ কৰিছে। প্ৰথমে সাত আগষ্টত মুম্বাই-আহমেদাবাদৰ মাজত বিমানসেৱা প্ৰতিষ্ঠানটোৱে আৰম্ভ কৰিব আৰু অহা ১৩ আগষ্টৰ পৰা বাংগালুৰু-কোচিৰ মাজত বিমানসেৱা প্ৰৱৰ্তন কৰিব।

## উজবেকিস্তানত ছবছৰৰ পাছত পাকিস্তানী প্ৰধানমন্ত্ৰীৰে সাক্ষাৎ হ'ব মোদীৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ২২ জুলাই ঃ** ছাংঘাইত সহযোগ সংগঠন (এছ চি অ')ৰ মহাসচিব জাংগ মিংগে আজি তিনিদিনীয়া ভ্ৰমণসূচীৰে পাকিস্তানত উপস্থিত হয়। মিংগে অহা ১৫-১৬ ছেপ্টেম্বৰত উজবেকিস্তানত অনুষ্ঠিত হ'বলগীয়া এছ চি অ'ৰ বাৰ্ষিক শীৰ্ষ সন্মিলনলৈ পাকিস্তানৰ প্ৰধানমন্ত্ৰী শ্বাহবাজ শ্বৰীফক নিমন্ত্ৰণ জনাব। উল্লেখ্য যে এই সন্মিলনত ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও অংশ ল'ব। শ্বৰীফে সন্মিলনত অংশ ল'লে সুদীৰ্ঘ ছবছৰৰ পাছত উজবেকিস্তানত পাকিস্তানী প্ৰধানমন্ত্ৰীৰ স'তে মোদীৰ সাক্ষাৎ হোৱাৰ সম্ভাৱনা আছে। অৱশ্যে এতিয়াও এই সন্দৰ্ভত কোনো আনুষ্ঠানিক প্ৰক্ৰিয়া আৰম্ভ কৰা হোৱা নাই।

## ভাৰতত মংকীপক্সৰ উদ্বেগ বৃদ্ধি, কেৰালাত আৰবৰ পৰা উভতি অহা তৃতীয় ৰোগীক চিনাক্ত

**নিউজ ব্যুৰ' মলপ্পুৰম, ২২ জুলাই ঃ** ভাৰতত মংকীপক্সত আক্ৰান্ত ৰোগীৰ সংখ্যা বৃদ্ধি পাইছে। কেৰালাত দেশৰ তৃতীয়জন মংকীপক্স আক্ৰান্তক চিনাক্ত কৰা হ'ল। প্ৰকাশিত বাতৰি অনুসৰি, সংযুক্ত আৰব এমিৰেটৰ পৰা ভাৰতলৈ উভতি অহা ব্যক্তি এজনৰ শৰীৰত মংকীপক্সৰ সংক্ৰমণ নিশ্চিত কৰা হৈছে। সম্প্ৰতি আক্ৰান্ত ব্যক্তিজনক চিকিৎসালয়ত ৰখা হৈছে। উল্লেখ্য যে দেশত বৰ্তমানলৈকে মংকীপক্সত আক্ৰান্ত হোৱা তিনিজন ৰোগীয়ে হৈছে কেৰালাৰ বাসিন্দা। আক্ৰান্তৰ সংখ্যা তিনিজনলৈ বৃদ্ধি পোৱাত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে সতৰ্কতা জাৰি কৰিছে। কেৰালাৰ স্বাস্থ্য বিভাগে প্ৰকাশ কৰা অনুসৰি সংযুক্ত আৰব ভ্ৰমণ কৰি মলপ্পুৰমলৈ উভতি অহা ৩৫ বছৰীয়া বয়সৰ এজন যুৱকক জ্বৰৰ উপসৰ্গই দেখা দিয়াত যোৱা ১৩ জুলাইত ভৰ্তি কৰোৱা হৈছিল আৰু পৰীক্ষণত তেওঁৰ শৰীৰত মংকীপক্সৰ সংক্ৰমণ ধৰা পৰে। কেৰালাত যোৱা ১৪ জুলাইত দেশৰ প্ৰথমজন মংকীপক্স আক্ৰান্তক চিনাক্ত কৰা হৈছিল আৰু উক্ত ব্যক্তিয়েও আৰব ভ্ৰমণ কৰি ভাৰতলৈ উভতি আহিছিল। আনহাতে, যোৱা ১৮ জুলাইত ৩১ বছৰ বয়সীয়া আন এজন লোকৰ শৰীৰত কেৰালাত মংকীপক্সৰ সংক্ৰমণ ধৰা পৰিছিল।



## ২০২১-২২ বৰ্ষত ভাৰত বিৰোধী ৭৪৭ ৱেবছাইট, ৯৪ ইউ টিউব চেনেল কেন্দ্ৰৰ চৰকাৰে কৰিলে বন্ধ


**নিউজ ব্যুৰ', নতুন দিল্লী, ২২ জুলাই ঃ** কেন্দ্ৰীয় চৰকাৰে ২০২১-২২ বৰ্ষত সামাজিক মাধ্যমৰ স'তে জড়িত একাংশ দেশবিৰোধী ৱেবছাইট আৰু চেনেলৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিলে। এই সময়ছোৱাত ভাৰতত ৭৪৭ টা ৱেবছাইট আৰু ৯৪ টা ইউ টিউব চেনেল কেন্দ্ৰৰ চৰকাৰে বন্ধ কৰিলে। কেন্দ্ৰীয় তথ্য সম্প্ৰচাৰ মন্ত্ৰী অনুৰাগ ঠাকুৰে সদনত এই তথ্য দাখিল কৰিলে। মন্ত্ৰীজনে সদনত প্ৰকাশ কৰা অনুসৰি ভাৰত বিৰোধী স্থিতি গ্ৰহণ কৰাৰ অভিযোগত এইসমূহ ৱেবছাইট আৰু ইউ টিউব চেনেল দেশত ব্লক কৰা হ'ল। ৱেবছাইট আৰু চেনেলৰ লগতে দেশবিৰোধী প্ৰচাৰত লিপ্ত থকা ১৯ টা সামাজিক মাধ্যমৰ একাউণ্টটো কেন্দ্ৰীয় চৰকাৰে এই সময়ছোৱাত দেশত নিষিদ্ধ কৰিলে। তথ্য প্ৰযুক্তি আইন ২০০০ৰ ৬৯ (এ) ধাৰাৰ অধীনত চৰকাৰে দেশবিৰোধী ৱেবছাইট, ইউ টিউব চেনেল আৰু সামাজিক মাধ্যমৰ একাউণ্টৰ বিৰুদ্ধে এই পদক্ষেপ গ্ৰহণ কৰিলে বুলি মন্ত্ৰী ঠাকুৰে সদনক অৱগত কৰে। ঠাকুৰে ৰাজ্যসভাত কয় যে এনেবোৰ বৈদ্যুতিন আৰু ডিজিটেল মাধ্যমৰ চেনেলে দেশত ঘৃণা আৰু হিংসা সৃষ্টিত উচটনি যোগাই আহিছিল।



## ধূমপানৰ বয়স বৃদ্ধিৰ আবেদন প্ৰত্যাখ্যান উচ্চতম ন্যায়ালয়ৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ২২ জুলাই ঃ** ভাৰতত ধূমপানৰ বয়স ১৮ৰ পৰিৱৰ্তে ২১ বছৰলৈ উন্নীত কৰাৰ আৰু খোলা চিগাৰেট বিক্ৰী নিষিদ্ধ কৰাৰ আবেদন প্ৰত্যাখ্যান কৰিলে উচ্চতম ন্যায়ালয়ে। ন্যায়াধীশ এছ কে কৌল আৰু সুধাংশু ধুলিয়াৰ বিচাৰপীঠে এই আবেদন নাকচ কৰিলে। আজি ধূমপান নিয়ন্ত্ৰণৰ নিৰ্দেশিকা দাবী কৰি অধিবক্তা শুভম অৱস্থি আৰু সপ্তৰ্ষি মিশ্ৰই দাখিল কৰা এক জনস্বাৰ্থ জড়িত গোচৰৰ শুনানি গ্ৰহণ কৰাৰ সময়ত ন্যায়াধীশদ্বয়ে এই আবেদন প্ৰত্যাখ্যান কৰে। আবেদনত অৱস্থি আৰু মিশ্ৰই শিক্ষানুষ্ঠান, চিকিৎসালয় আৰু ধৰ্মীয় অনুষ্ঠানৰ আশে পাশে চিগাৰেট বিক্ৰী নিষিদ্ধ কৰাৰ লগতে বাণিজ্যিক স্থানৰ পৰা 'ধূমপানৰ স্থান' প্ৰত্যাহাৰ কৰাৰ দাবীও উত্থাপন কৰিছিল।



## ব'ষ্টনত চলন্ত ৰেলত অগ্নিকাণ্ড, উদ্ধাৰ ২০০ যাত্ৰীক

**নিউজ ব্যুৰ', ব'ষ্টন, ২২ জুলাই ঃ** চলন্ত ৰেলত হঠাতে সংঘটিত হ'ল অগ্নিকাণ্ড। এই অগ্নিকাণ্ডৰ ফলত সকলো ৰেলযাত্ৰী আতংকিত হ'ল। এই ঘটনা সংঘটিত হ'ল আমেৰিকাৰ ব'ষ্টনত। প্ৰকাশিত বাতৰি অনুসৰি, এখন দলং অতিক্ৰম কৰাৰ সময়তে হঠাতে ৰেলত অগ্নিকাণ্ডৰ সূত্ৰপাত হৈছিল। লগে লগে প্ৰাণৰক্ষা কৰিবলৈ ৰেলৰ যাত্ৰীসকলে হাঁহাকাৰ কৰিছিল। বিষয়টো অৱগত হোৱাৰ পাছতে উদ্ধাৰ কাৰ্য আৰম্ভ কৰে প্ৰশাসনৰ বিষয়াই। প্ৰশাসনে তৎপৰতাৰে ৰেলখনত থকা ২০০ জন যাত্ৰীক নিৰাপদে উদ্ধাৰ কৰে। ঘটনাৰ সন্দৰ্ভত আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে। প্ৰাথমিক তদন্তত লাভ কৰা তথ্য অনুসৰি উক্ত ৰেলৰ এক ভঙা ইস্পাতৰ অংশই তৃতীয় লাইনৰ বিদ্যুতৰ তাঁৰৰ স'তে সংযোজিত হোৱাৰ ফলত অগ্নিকাণ্ডৰ সূত্ৰপাত হৈছিল।


## ঋষি নহয়, ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰীৰ পদত দলীয় সদস্যৰ প্ৰিয় প্ৰাৰ্থী লীজ

**নিউজ ব্যুৰ' লণ্ডন, ২২ জুলাই ঃ** বৰিছ জনছনৰ পদত্যাগৰ পাছত ব্ৰিটেইনত শাসকীয় কনজাৰভেটিভ দলে দেশৰ পৰৱৰ্তী প্ৰধানমন্ত্ৰীৰ নিৰ্বাচন কৰিব। ইতিমধ্যে দলৰ পাঁচটা পৰ্যায়ৰ ভোটগ্ৰহণত প্ৰধানমন্ত্ৰীৰ পদপ্ৰাৰ্থীৰ যুঁজত শীৰ্ষস্থান অক্ষুণ্ণ ৰাখিলে ভাৰতীয় মূলৰ ব্ৰিটিছ নাগৰিক ঋষি ছুনকে। আনহাতে, ঋষিৰ প্ৰতিদ্বন্দ্বী হৈছে লীজ ট্ৰাছ। এইবাৰ ঋষি আৰু লীজৰ মাজৰ পৰা বৰিছৰ উত্তৰাধিকাৰীক নিৰ্বাচন কৰিব কনজাৰভেটিভ দলৰ সদস্যসকলে। অহা পাঁচ ছেপ্টেম্বৰত কনজাৰভেটিভ দলৰ সদস্যসকলে ভোটদানত অংশ ল'ব আৰু ইয়াৰ পাছতে ব্ৰিটেইনে লাভ কৰিব পৰৱৰ্তী প্ৰধানমন্ত্ৰীক। পাঁচটা পৰ্যায়ত ভোটত শীৰ্ষস্থান লাভ কৰা ঋষিয়ে ব্ৰিটিছ প্ৰধানমন্ত্ৰীৰ পদ লাভ কৰিবলৈ হ'লে দলীয় সদস্যৰ



সৰ্বাধিক ভোট লাভ কৰিব লাগিব। কিন্তু ব্ৰিটেইনৰ ৰাজনৈতিক বিশ্লেষকৰ মতে, এই ক্ষেত্ৰত শেষ পৰ্যন্ত সফল নহ'ব পাৰে ঋষি। একাংশ ৰাজনৈতিক বিশ্লেষকৰ মতে, ঋষি নহয়, লীজ ট্ৰাছহে ব্ৰিটেইনৰ পৰৱৰ্তী প্ৰধানমন্ত্ৰী হোৱাৰ সম্ভাৱনা আছে। সাম্প্ৰতিক সমীক্ষাত প্ৰকাশ পোৱা অনুসৰি, কনজাৰভেটিভ দলৰ সদস্যৰ ভোটদানত যথেষ্ট আগবাঢ়ি আছে ঋষিৰ প্ৰতিদ্বন্দ্বী লীজ। তদুপৰি লীজ হৈছে বিদায়ী প্ৰধানমন্ত্ৰী বৰিছ জনছনৰো পছন্দৰ প্ৰাৰ্থী। ফলত দলীয় সদস্যৰ ভোটদান প্ৰক্ৰিয়া প্ৰভাৱিত হোৱাৰ সম্ভাৱনা আছে। অৱশ্যে অহা সোমবাৰে অনুষ্ঠিত হ'ব লগা 'প্ৰধানমন্ত্ৰী বিতৰ্ক' অনুষ্ঠানত নিজ দলৰ সদস্যক প্ৰভাৱিত কৰাৰ সুযোগ লাভ কৰিব ভাৰতীয় মূলৰ ঋষিয়ে। একাংশ ৰাজনৈতিক বিশেষজ্ঞৰ মতে, ভাৰতীয় মূলৰ হোৱা হেতুকে ঋষিয়ে দলীয় সদস্যৰ সৰ্বাধিক সমৰ্থন লাভ কৰাৰ ক্ষেত্ৰত ব্যৰ্থ হ'ব পাৰে। ব্ৰিটেইনৰ বৈদেশিক মন্ত্ৰী হিচাপে কৰ্মৰত লীজে দলীয় সদস্যক প্ৰভাৱিত কৰাৰ বিভিন্ন কৌশল ইতিমধ্যে অৱলম্বন কৰিছে। অৱশ্যে ছসপ্তাহ পাছতহে স্পষ্ট হ'ব ব্ৰিটেইনৰ মচনদ ঋষি নে লীজক অৰ্পণ কৰিব কনজাৰভেটিভ দলৰ সদস্যসকলে।

## জাপানত এদিনতে ক'ভিডত সংক্ৰমিত ১,৮৬,২৫০ জন লোক



**নিউজ ব্যুৰ', টকিঅ', ২২ জুলাই ঃ** জাপানত হঠাতে ক'ভিডৰ সংক্ৰমণে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। যোৱা ২৪ ঘণ্টাত দেশখনত নতুনকৈ ক'ভিড সংক্ৰমিত হয় ১,৮৬,২৪৬ জন। জাপানৰ স্বাস্থ্য মন্ত্ৰণালয়ে এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি দেশখনৰ মুঠ ৪৭ প্ৰদেশৰ ৩৫ প্ৰদেশত ক'ভিডৰ নতুন সংক্ৰমণ চিনাক্ত কৰা হৈছে। টকিঅ'ত ৩১,৮৭৮ জন লোক কৰ'নাত আক্ৰান্ত হ'ল। স্বাস্থ্য বিভাগে লগতে প্ৰকাশ কৰা অনুসৰি অ'মিক্ৰনৰ বিএ.৫ উপপ্ৰজাতিৰ দ্ৰুত সংক্ৰমণৰ ফলত দেশখনত ক'ভিডে আকৌ এবাৰ ভয়াৱহ ৰূপ ধাৰণ কৰিছে। জাপানত বৰ্তমানলৈকে এক কোটি ৮১ লাখৰ অধিক লোক কৰ'নাত সংক্ৰমিত আৰু ৩১,৭০০ জন লোকৰ মৃত্যু হ'ল।

## কেৰালাত সন্ধান মাৰাত্মক আফ্ৰিকান 'ছোৱাইন' জ্বৰৰ, নাই প্ৰতিষেধক

**নিউজ ব্যুৰ', তিৰুঅনন্তপুৰম, ২২ জুলাই ঃ** এইবাৰ আতংক বৃদ্ধিৰে মাৰাত্মক আফ্ৰিকান ছোৱাইন ফিভাৰ (গাহৰি জ্বৰ)ৰ সন্ধান লাভ কৰা হ'ল কেৰালাত। প্ৰকাশিত বাতৰি অনুসৰি, কেৰালাৰ দুটা পশুৰ ফাৰ্মত গাহৰিৰ শৰীৰত আফ্ৰিকাৰ ছোৱাইন জ্বৰৰ ভাইৰাছৰ সন্ধান লাভ কৰা হৈছিল। অসুস্থ পশুৰ স্বাস্থ্য পৰীক্ষাৰ জৰিয়তে এই তথ্য নিশ্চিত কৰিলে ভূপালৰ নেচনেল ইনষ্টিটিউট অৱ্ হাই ছিকিউৰিটি এনিমেল ডিজিজে। মাৰণ ভাইৰাছে যাতে ভয়াৱহ ৰূপ ধাৰণ কৰিব নোৱাৰে তাৰ বাবে উক্ত পশু ফাৰ্মৰ ৩০০ গাহৰিক হত্যা কৰাৰ সিদ্ধান্ত লোৱা হৈছে। কেৰালাৰ ওৱানাড় জিলাত থকা এটা পশুৰ ফাৰ্মত একাংশ গাহৰিৰ মৃত্যুৰ পাছতে পৰীক্ষাৰ জৰিয়তে আফ্ৰিকান ছোৱাইন জ্বৰৰ তথ্য পশু চিকিৎসকে ধৰা পেলায়। কেৰালাৰ পূৰ্বে মিজোৰাম, ছিকিম, নগালেণ্ড, ত্ৰিপুৰা, উত্তৰাখণ্ড, বিহাৰ আৰু অসমত আফ্ৰিকান ছোৱাইন জ্বৰৰ সন্ধান লাভ কৰা হৈছিল। বিশেষজ্ঞৰ মতে, গাহৰিৰ শৰীৰত দেখা দিয়া এই ৰোগৰ ভাইৰাছৰ মাৰণ ক্ষমতা আছে আৰু ই অতি দ্ৰুত সংক্ৰামক। বৰ্তমানলৈকে ছোৱাইন ফ্লুৰ কোনো দৰৱ বা প্ৰতিষেধক উদ্ভাৱন হোৱা নাই। সেয়েহে এই ৰোগ মানৱৰ বাবে যথেষ্ট উদ্বেগজনক বিবেচিত হৈ আহিছে।



## কেপিটল হিল হিংসাকাণ্ড ৰোধত কোনো পদক্ষেপ গ্ৰহণ কৰা নাছিল ট্ৰাম্পে

**নিউজ ব্যুৰ', ৱাশ্বিংটন, ২২ জুলাই ঃ** আমেৰিকাত ২০২১ৰ ছয় জানুৱাৰীত মাৰ্কিন সংসদ কেপিটল হিলত দেশখনৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ সমৰ্থকে সংঘটিত কৰা হিংসাত্মক ঘটনাৰ সন্দৰ্ভত আজি মাৰ্কিন কংগ্ৰেছ কমিটীয়ে অষ্টমবাৰৰ বাবে শুনানি গ্ৰহণ কৰিলে। শুনানি গ্ৰহণ কৰা নতুন কংগ্ৰেছ কমিটীয়ে কেপিটল হিলৰ হিংসাকাণ্ডৰ বাবে প্ৰাক্তন ৰাষ্ট্ৰপতি ট্ৰাম্পক জগৰীয়া অভিহিত কৰিলে।



সমিতিৰ অধ্যক্ষ বেনী থম্পছনে আজি কয়, 'ট্ৰাম্পে এই ঘটনাৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণত বিফল হোৱা নাছিল, বৰঞ্চ তেওঁ হিংসাকাণ্ডৰ সময়ত কোনো পদক্ষেপ গ্ৰহণ নকৰাৰ সিদ্ধান্ত লৈছিল। তেওঁ ২০২০ৰ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ ফলাফলক সলনি কৰিবলৈ অৰাজকতা আৰু ভ্ৰষ্টাচাৰৰ পথ গ্ৰহণ কৰিছিল। তেওঁ মিছা কথা কৈছিল আৰু নিজৰ পদৰ অপব্যৱহাৰ কৰিছিল। তেওঁ আমাৰ গণতান্ত্ৰিক প্ৰতিষ্ঠানক ধ্বংস কৰাৰ অপচেষ্টা চলাইছিল।' তদন্ত সমিতিয়ে লগতে কয় যে কেপিটল হিলত ট্ৰাম্পৰ সমৰ্থকে আক্ৰমণ সংঘটিত কৰাৰ ১৮৭ মিনিট সময়লৈকে ট্ৰাম্পে নিজৰ ভোজন কক্ষত বহি টেলিভিছনত উক্ত হিংসাকাণ্ড উপভোগ কৰি কৰিছিল। সমিতিয়ে লগতে মত প্ৰকাশ কৰে যে কেপিটল হিল কাণ্ড কোনো দুৰ্ঘটনা নাছিল, বৰঞ্চ ট্ৰাম্পে অন্তিম কৌশল হিচাপে এই ঘটনা সংঘটিত কৰিছিল।

# গোসাঁইগাঁও মহকুমাৰ তিনি স্থানত অবৈধ কাঠ ফলা মিল উৎখাত

## যন্ত্ৰ পাতিসহ দেৰ লক্ষাধিক টকাৰ কাঠৰ কুণ্ডা আৰু ফলা কাঠ জব্দ

অগ্ৰদূত বাৰ্তা

**গোসাঁইগাঁও, ২২ জুলাই ঃ** গোসাঁইগাঁও মহকুমাৰ বিভিন্ন স্থানত অবৈধভাৱে চলি থকা তিনিটাকৈ কাঠ মিল কালি বনবিভাগে জব্দ কৰে। কচুগাঁও বন সংমণ্ডলৰ গোসাঁইগাঁওস্থিত কাৰ্যালয়ৰ সূত্ৰই জনোৱা অনুসৰি, কালি দিনৰ ভাগত মহকুমাটোৰ ভাওৰাগুৰি, হংসবিল আৰু হাৰভাংগাত চলি থকা এই কাঠ ফলা মিলসমূহত অভিযান চলাই কাঠ ফলা যন্ত্ৰ-পাতিসমূহৰ লগতে বহু পৰিমাণৰ ফলা আৰু কাঠৰ লগ জব্দ কৰা হয় । সূত্ৰটোৰে জনোৱা মতে উক্ত কাঠ ফলা কল সমূহ বিভাগীয় ভাৱে নিৰ্দিষ্ট নীতি নিয়ম অনুসৰিয়েই স্থাপনৰ আবণ্টন দিয়া হৈছিল আৰু বিভাগীয় নিৰ্দেশনা মৰ্মে উক্ত কাঠ ফলা কল সমূহক এটা নিৰ্দিষ্ট জোখতহে কাঠ কটাৰ অনুমতি প্ৰদান কৰাৰ লগতে বিক্ৰীৰো অনুমতি প্ৰদান কৰা হৈছিল । কিন্তু বন বিভাগৰ শেহতীয়া নিৰ্দেশ মৰ্মে পূৰ্বৰ নিৰ্দেশনা বাতিল কৰি কাঠ কটাৰ ক্ষেত্ৰত জোখ মাখৰ নতুন নিৰ্দেশনা জাৰী কৰা হৈছিল । সেই নিৰ্দেশনা পালনৰ ক্ষেত্ৰত বিভাগৰ পৰা কাঠ ফলা মিল সমূহক কঠোৰ ভাৱে সকীয়াই দিয়াৰ পিছতো সংশ্লিষ্ট মিল কেইটাই নিৰ্দেশনা ভঙ্গ কৰি নিজ ইচ্ছা অনুসৰি কাঠ ফালি বিক্ৰী কৰি আছিল । সেই খবৰ লাভ কৰি আজি বন বিভাগৰ বিষয়া-কৰ্মচাৰীৰ দল এটাই উক্ত স্থান সমূহত একাদিক্ৰমে অভিযান চলাই কাঠফলা মিল কেইটাত প্ৰৱেশ কৰি কাঠ ফলা যন্ত্ৰাংশ সমূহ বাজেয়াপ্ত কৰাৰ লগতে কাঠ মিল সমূহৰ চৌহদত থকা বৃহৎ পৰিমাণৰ কাঠ জব্দ কৰি লৈ আনে । জব্দকৃত কাঠৰ মূল্য ডেৰ লাখ টকাৰ অধিক হব বুলি বিভাগীয় ভাৱে জানিব পৰা গৈছে । কচুগাও বন সংমণ্ডলৰ বন বিষয়া অনুপম দাসৰ নেতৃত্বত বনবিষয়া দ্বয় ক্ৰমে কিশোৰ বসুমতাৰী আৰু চন্দন ব্ৰহ্মৰ লগতে বন কৰ্মী আৰু আৰক্ষীৰ এটি বিশাল দলে এই অভিযানত ভাগ লয়। অৱশ্যে বন বিভাগৰ দল কাঠ মিল গৈ পোৱাৰ পূৰ্বে মিলৰ শ্ৰমিক বনুৱা- সকল পলাই পত্ৰং দিয়াত কোনো ব্যক্তিক গ্ৰেপ্তাৰ কৰিব পৰা নগল বুলি সূত্ৰটোৰে জানিবলৈ দিয়ে ।

## ভাগ্যদেৱীৰ আখৰা মুকলি

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ২২ জুলাই ঃ** মুকলিমুৰীয়া পৰিৱেশত পুনৰ ন উদম্যেৰে আৰম্ভ হৈছে ভ্ৰাম্যমাণ থিয়েটাৰৰ নাট্যযাত্ৰা। কভিডকালীন জটিলতাত বিধ্বস্ত প্ৰায় আসমৰ ভ্ৰাম্যমাণ থিয়েটাৰ পুনৰ সাজু হৈছে দৰ্শকক মনোৰঞ্জন দিবলৈ। নলবাৰীৰ থিয়েটাৰ ভাগ্যদেৱীয়ে ও বৃহস্পতিবাৰে ধৰ্মীয় ৰীতিনীতি অনুযায়ী মুকলি কৰিছে ২০২২-২৩ বছৰৰ আখৰা। পুৰোহিতৰ মন্ত্ৰোচ্ছাৰণ, আয়তীৰ উৰুলি ধ্বনিৰে আৰম্ভ হক্সল থিয়েটাৰ ভাগ্যদেৱীৰ ৫৫ সংখ্যক নাট্যবৰ্ষৰ নাট্য যাত্ৰাৰ শুভ আৰম্ভণি। যোগেশ কাশ্যপ, অঞ্জনজ্যোতি বেজ,শ্ৰী মন্ত মাধৱ দত্ত,ভাস্কৰ গোস্বামী,কবিতা চুতীয়া,ভায়ক্সলিনা বৰুৱা,হেমাংগী কাশ্যপকে ধৰি মঞ্চ জগতৰ ন-পুৰণি কেবাজনো অভিনেতা-অভিনেত্ৰীয়ে অভিনয় কৰিব।

# উন্নয়নৰ নামত একোৱেই নাই গোসাঁইগাঁৱত

## ■ বিগত দুটা দশকে পকী নহ'ল এখনো কাঠৰ দলং

অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ, ২২ জুলাই ঃ** বিটিচিৰ কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমা সদৰ চহৰৰ মাজমজিয়াত থকা ছখন জৰাজীৰ্ণ কাঠৰ দলং আজিলৈকে নহ'ল পকীকৰণ। দেশে স্বাধীনতাৰ সোৱাদ লাভ কৰাৰ ৭৫টা বছৰ অতিক্ৰম কৰাৰ পাছতো সদৰ চহৰৰ বহুকেইখন কাঠৰ জৰাজীৰ্ণ দলং পকীকৰণ নোহোৱাকৈ বৰ্তমানে জৰাজীৰ্ণ হৈ আছে। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ মাহী আইৰ দৃষ্টিত নামনি অসমৰ কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অনুন্নয়নৰ পুতৌলগা ছবিখন বিএচি গঠনৰ পৰা আৰম্ভ কৰি বিটিচিত হাগ্ৰামা মহিলাৰীৰ ১৭ বছৰীয়া কাৰ্যকাল আৰু সাম্প্ৰতিক সময়ৰ বিটিআৰ পৰিষদৰ ডেৰ বছৰীয়া কাৰ্যকালতো সদৰ চহৰৰ মাজমজিয়া তথা পাৰ্শ্ববৰ্তী অঞ্চলত থকা কাঠৰ দলংকেইখনৰ কোনো পৰিৱৰ্তন নহ'ল। গোসাঁইগাঁও মহকুমা সদৰ চহৰৰ মাজেৰে প্ৰবাহিত মদাতী নদীৰ ওপৰত থকা ছখন জৰাজীৰ্ণ কাঠৰ দলঙৰ ভিতৰত আছে সদৰ চহৰৰ গোসাঁইগাঁও আৰক্ষী থানা আৰু সৰস্বতী হিন্দী এল পি, এম ই আৰু হাইস্কুল সংলগ্ন গোসাঁইগাঁও বজাৰ সংযোগী কাঠৰ দলংখনে সদায়ে ৰাইজৰ যাতায়াতৰ ক্ষেত্ৰত বিভীষিকা কঢ়িয়াই অনাৰ দৰেই সম্প্ৰতি অতি জৰাজীৰ্ণ দলগাঁও অনন্ত কুটী এল পি স্কুল আৰু নেহৰু খেলপথাৰ সমীপত এঘাৰ হাত কালী মন্দিৰ সংযোগী দলংখন ৰাইজৰ বাবে মৰণফান্দ হিচাপে পৰিগণিত হৈছে। একেদৰে গোসাঁইগাঁও দুৰ্গাপাৰা পুৰণি শ্মশান-গিৰিধাৰী মন্দিৰ সংযোগী তথা দেৱী প্ৰতিমা বিসৰ্জন থলীৰ দুৰ্বল কাঠৰ দলংখনৰ উপৰি কিছু নিলগত থকা জয়নগৰ-বজাৰ নাট্যমন্দিৰ সংযোগী কাঠৰ দলংখনে সদৰ চহৰৰ ৰাইজৰ বাবে সদায়ে অশনি সংকেত কঢ়িয়াই আনিছে।

একেখন নদীৰ ওপৰত থকা হাব্ৰুবিলস্থিত মহকুমাধিপতি কাৰ্যালয়, মহকুমা ন্যায়িক দণ্ডাধীশ কাৰ্যালয়, মহকুমা খাদ্য আৰু অসামৰিক যোগান বিভাগ, জলসম্পদ বিভাগ আৰু কৰিম বজাৰ সংযোগী কাঠৰ দলংখনে মহকুমাবাসী ৰাইজৰ কাৰণে সদায়ে দুৰ্যোগ আৰু দুৰ্ভাৱনা কঢ়িয়াই আনিছে। মহকুমাৰ হেজাৰ হেজাৰ ৰাইজ তথা চৰকাৰী-বেচৰকাৰী বিভাগৰ বিষয়া-কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী, ৰোগীসকলৰ যাতায়াতৰ পথ হিচাপে ব্যৱহৃত হৈ অহা অতি গুৰুত্বপূৰ্ণ পথত আজিলৈকে নিৰ্মাণ নহ'ল এখন পকী দলং। একেদৰে সদৰ চহৰৰ পাৰ্শ্ববৰ্তী হাব্ৰুবিল পিট্‌ছমাথা-অক্সিগুৰী, বল্লমগুৰী, মালাগুৰী আদি গাঁও সংযোগী কাঠৰ দলংখনৰ পুতৌলগা অৱস্থাই প্ৰতিবছৰে যাতায়াত বিঘ্নিত কৰি আহিছে। সদৰ চহৰৰ মাজমজিয়াত থকা চাৰিখন আৰু পাৰ্শ্ববৰ্তী অঞ্চলৰ আন দুখন দুৰ্বল আৰু জৰাজীৰ্ণ কাঠৰ দলঙে প্ৰায় প্ৰতিবছৰে যাতায়াতৰ ক্ষেত্ৰত মৰণফান্দ হিচাপে পৰিগণিত হৈ আহিছে। এইখিনিতে উল্লেখনীয় যে সদৰ চহৰ উন্নয়ন কৰিবলৈ কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ মন্ত্ৰী-বিধায়ক আৰু নগৰ উন্নয়ন বিভাগৰ সুদৃষ্টি নপৰা গোসাঁইগাঁও সদৰ চহৰৰ উপ-পথসমূহৰ দলংকেইখন হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন বিপিএফ আৰু ইউপিপিএল, বিজেপি আৰু জিএছ পি মিত্ৰজোঁট পৰিচালিত বিটিআৰ পৰিষদৰ ডেৰ বছৰীয়া শাসন কালত এখনো দলং পকীকৰণ নোহোৱাত ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

অভূতপূৰ্ব বিকাশ আৰু উন্নয়নৰ জয়গান গোৱা চৰকাৰে সদৰ চহৰৰ উপ-পথসমূহত থকা এই কাঠৰ দলংকেইটা কেতিয়া পকীকৰণ কৰিব সেয়া সাম্প্ৰতিক সময়ত ৰাইজৰ বাবে এক নুবুজা সাঁথৰ হৈ পৰিছে।



আগন্তুক স্বাধীনতা দিৱস উপলক্ষে ত্ৰিৰংগা পতাকা নিৰ্মাণত ব্যস্ত কামপুৰৰ মহিলা গোট।

## পশ্চিম পূবথৰীয়া সমবায়ৰ সোণালী জয়ন্তী উৎসৱৰ যো-জা

অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ২২ জুলাই ঃ** কলিয়াবৰ মহকুমাৰ বৃহত্তৰ পশ্চিম অঞ্চলক সামৰি ১৯৭৩ তে প্ৰতিষ্ঠা হোৱা পশ্চিম পূবথৰীয়া সমবায় সমিতিখনৰ আজি এখন নতুন সমিতি গঠন কৰা হয়। সমবায় সমিতিখনৰ পৰিচালক মণ্ডলীৰ সাধাৰণ নিৰ্বাচনত সমীৰ ভূঞা সভাপতি আৰু পদ্মকান্ত নাথ উপ-সভাপতিৰূপে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হয়। ৰমজান আলীৰ সভাপতিত্বত আজি অনুষ্ঠিত সভাত দুৰ্গা ছেত্ৰীক সম্পাদক হিচাপে লৈ ১৫ জনীয়া নতুন সমিতিখন গঠন কৰা হয়। কলিয়াবৰ মহকুমাৰ যোগান বিভাগৰ সহকাৰী পৰিদৰ্শক গৌতম দত্ত, অসম গণ পৰিষদৰ কলিয়াবৰ বিধান পৰিষদৰ সম্পাদক পুস্কৰ জ্যোতি মহন্ত, সমাজকৰ্মী ৰেকিবুল হুছেইন, ভূপেন বৰদলৈ, বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য কৰুণা কুমাৰ ভূঞা, কলিয়াভোমোৰা শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি প্ৰবীণ ৰাজখোৱাকে ধৰি অঞ্চলটোৰ ভালেকেইজন গণ্য-মান্য ব্যক্তি সভাখনত উপস্থিত থাকে। উল্লেখ্য যে বৃহত্তৰ পশ্চিম কলিয়াবৰ অঞ্চলৰ ২৫ খন গাঁৱৰ প্ৰায় ৩০ হেজাৰ অংশীদাৰ জড়িত হৈ থকা সমবায় সমিতিখনে ২০২৩ত সোণালী জয়ন্তী উৎসৱ উদ্‌যাপন কৰিব। অহা বৰ্ষৰ জানুৱাৰীৰ পৰা বৰ্ষজোৰা কাৰ্যসূচীৰে সমবায় সমিতিখনৰ সোণালী জয়ন্তী উৎসৱ উদ্‌যাপনৰ বাবে আজিৰ সভাই আলোচনা কৰাৰ লগতে কিছু পৰিকল্পনাও যুগুত কৰে। বিগত সময়ছোৱাত সামাজিক দায়বদ্ধতাৰে আৰ্থিকভাৱে পিছপৰা কৃষক ৰাইজক উন্নতিৰ দিশে আগুৱাই নিবৰ বাবে প্ৰয়াস চলাই অহা সমবায় সমিতিখনে সোণালী জয়ন্তী উদ্‌যাপনৰ যো-জা চলোৱা কাৰ্যই সকলোকে আনন্দিত কৰিছে।

# হাতীৰ আক্ৰমণত নিহতৰ পৰিয়ালক চেক বিতৰণ

অগ্ৰদূত বাৰ্তা

**টংলা, ২২ জুলাই ঃ** ওদালগুৰি জিলাৰ ভাৰত-ভূটান সীমান্তৱৰ্তী ডিমাকুছি থানাৰ অন্তৰ্গত বিভিন্ন গাঁৱত হাতী- মানুহৰ তীব্ৰ সংঘাতে তীব্ৰ ৰূপ ধাৰণ কৰিছে। খাদ্যৰ অভাৱত জনাঞ্চললৈ নামি অহা বন্যহস্তীৰ জাকে চলিত মাহতে সাতজনতকৈ অধিক নিৰীহ লোকক নৃশংসভাৱে হত্যা কৰিছে। সেই দুৰ্ভাগ্যজনক ঘটনাত ব্যথিত হৈ দুৰ্ভগীয়া পৰিয়ালসমূহক আৰ্থিক সকাহ দিবলৈ অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীৰ তৎপৰতাত নিহত আৰু আহতৰ পৰিয়ালক চেক বিতৰণ কৰে। পানেৰী সমষ্টিৰ বিধায়ক তথা অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে কয় আজি মোৰ পানেৰী সমষ্টিৰ অন্তৰ্গত বিভিন্ন গাঁৱত বনৰীয়া হাতীৰ আক্ৰমণত দুৰ্ভাগ্যজনকভাৱে মৃত্যু হোৱা ৰঞ্জিত কলয়া, মায়াৰানী মণ্ডল, ছানীকা এক্কা, ৰহিত মীজাৰ, টেক বাহাদুৰ ছেত্ৰীৰ পৰিয়ালক চাৰি লাখকৈ টকা আৰু আঘাতপ্ৰাপ্ত টেলানী চৰেনক ৫০ হেজাৰ টকাৰ চেক প্ৰদান কৰা হয়। উক্ত কাৰ্যসূচীত স্থানীয় ইএম আৰু গাঁওবুঢ়াও উপস্থিত আছিল।

## কলিয়াবৰত মৰণফান্দলৈ পৰ্যবসিত ঘাইপথ

অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ২২ জুলাই ঃ** কলিয়াবৰত মৰণফান্দলৈ পৰ্যবসিত হৈছে ৩৭ নম্বৰ ঘাইপথ। কলিয়াবৰৰ মিছাৰ পৰা আমনিলৈ ঘাইপথৰ দুৰৱস্থাই জীয়াতু ভোগাইছে পথাচাৰীক। পুখুৰীলৈ পৰ্যবসিত হৈছে ৩৭ নম্বৰ ঘাইপথটো। ঘাইপথটোৰ কোনো কোনো অংশত গাঁতত পথ নে পথত গাঁত ধৰিবই নোৱাৰা এক অবৰ্ণনীয় পৰিৱেশ বিদ্যমান। ঘাইপথৰ দুৰৱস্থা আৰু চাৰিলেনযুক্ত পথ নিৰ্মাণত চূড়ান্ত হেমাহিৰ ফলতেই দিনক দিনে বৃদ্ধি হৈছে পথ দুৰ্ঘটনাৰ সংখ্যা। জৰাজীৰ্ণ পথৰ বাবে এতিয়া সৰ্বসাধাৰণ লোকে জীয়াতু ভুগিব লগা হৈছে ৩৭ নম্বৰ ঘাইপথত। চৰিলেনযুক্ত ঘাইপথ নিৰ্মাণকাৰী প্ৰতিষ্ঠানৰ অদূৰদৰ্শিতাৰ বাবেই এজাক বৰষুণতে দ' গাঁতৰ সৃষ্টি হৈছে ৩৭ নম্বৰ ঘাইপথটোত। বিশেষকৈ কলিয়াবৰৰ মিছাৰ পৰা আমনিলৈ ঘাইপথছোৱা বিধ্বস্তৰূপৰ বাবেই প্ৰায়েই সংঘটিত হৈ আহিছে দুৰ্ঘটনা। অচিৰেই পুখুৰী সদৃশ প্ৰকাণ্ড প্ৰকাণ্ড গাঁতৰে পৰিপূৰ্ণ ঘাইপথ বিধ্বস্ত পথছোৱা মেৰামতি নকৰিলে তীব্ৰ আন্দোলন গঢ়ি তোলা হ'ব বুলি বিভিন্ন দল-সংগঠনে উৰ্ধ্বতন কৰ্তৃপক্ষক সকীয়নি প্ৰদান কৰিছে।

## ৰঙাগড়াত নৃত্যাংগনা কলা কেন্দ্ৰৰ গ্ৰীষ্মকালীন কৰ্মশালা

## যশস্বী অভিনেতা অৰুণ হাজৰিকাক 'কলাৰত্ন' সন্মান- কণ্ঠ শিল্পী আকাশ প্ৰীতমক 'সংগীত আলোক' সন্মান



অগ্ৰদূত বাৰ্তা

**খুমটাই, ২২ জুলাই ঃ** গোলাঘাট জিলাৰ বাদুলীপাৰৰ নৃত্য শিক্ষাৰ অগ্ৰণী অনুষ্ঠান নৃত্যাংগনা কলা কেন্দ্ৰই আগন্তুক ১৫ সংখ্যক প্ৰতিষ্ঠা দিৱসত অনুষ্ঠিত হ'ব লগা 'উত্তৰ-পূব নৃত্য শিৰোমনি'ৰ লগত সংগতি ৰাখি এইবাৰ বাদুলীপাৰ আৰু ৰঙাগড়া শাখাত পৃথকে পৃথকে আয়োজন কৰা ১৫ দিনীয়া গ্ৰীষ্মকালীন নৃত্য আৰু মডেলিং কৰ্মশালাৰ ২১ জুলাইত সফল সামৰণি পৰে। সামৰণিত 'নাচোনৰ জিলিঙনি' শীৰ্ষক সাংস্কৃতিক অনুষ্ঠান ভূপেন হাজৰিকা সোঁৱৰণী সাংস্কৃতিক মঞ্চ ৰঙাগড়াত অনুষ্ঠিত হয়। কাৰ্যসূচী অনুসৰি, পুৱা ন বজাত পতাকা উত্তোলন কৰে নৃত্যাংগনা কলা কেন্দ্ৰৰ সভাপতি নবীন গোহাঁইয়ে। পুৱা ১০ বজাত বন্তি প্ৰজ্বলন কৰে উদ্‌যাপন সমিতিৰ সম্পাদিকাদ্বয় ক্ৰমে প্ৰণালী হাজৰিকা আৰু জুনু বৰাই। পুৱা ১১ বজাত সৃষ্টিশীল নৃত্যৰ প্ৰতিযোগিতা উদ্বোধন কৰে নৃত্যাংগনা কলা কেন্দ্ৰৰ উপদেষ্টা তথা সাংবাদিক পদ্মেশ্বৰ নৰহে। কৰ্মশালাখনত অংশগ্ৰহণকাৰী প্ৰায় ২০০ ছাত্ৰ-ছাত্ৰীৰ মাজত সৃষ্টিশীল নৃত্য প্ৰতিযোগিতা আৰু সাজ-পাৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। সন্ধিয়া ছয় বজাত 'নাচোনৰ জিলঙনি' শীৰ্ষক সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে ৰঙাগড়া জুনিয়ৰ কলেজৰ অধ্যক্ষ সদানন্দ দলেই। এই অনুষ্ঠানত বাদুলীপাৰ, ৰঙাগড়া, বনগাঁও, বালিদুৱাৰ, টিকিৰাই চাপৰিৰ নৃত্যাংগনা কলা কেন্দ্ৰৰ ছাত্ৰ-ছাত্ৰীসকলৰ বহুকেইটা আকৰ্ষণীয় নৃত্যানুষ্ঠানে অনুষ্ঠানটো অধিক আকৰ্ষিত কৰি তোলা পৰিলক্ষিত হয়। উক্ত অনুষ্ঠানতে নৃত্যাংগনা কলা কেন্দ্ৰৰ হৈ অসমৰ চলচ্চিত্ৰ জগতৰ যশস্বী অভিনেতা অৰুণ হাজৰিকাক 'কলাৰত্ন' সন্মান আৰু জনপ্ৰিয় কণ্ঠশিল্পী আকাশ প্ৰীতমক 'সংগীত আলোক' সন্মান প্ৰদান কৰা হয়। আনহাতে, জনপ্ৰিয় অভিনেতা দেৱাশিস বৰঠাকুৰ, কণ্ঠশিল্পী ৰক্তিম ৰাজ নাথ আৰু ৰাতুল ৰাজ আৰু উদীয়মান অভিনেত্ৰী তিশ্যা হাজৰিকাক বিশেষভাৱে সন্মান প্ৰদান কৰা হয়। অসমৰ সাংস্কৃতিক জগতৰ এইসকল শিল্পীৰ উপস্থিতিয়ে অনুষ্ঠানটো অধিক জিপাল কৰি তোলে। তদুপৰি সাংস্কৃতিক কৰ্মী মালবিকা হাজৰিকা, উত্তৰা শইকীয়া আৰু বিজয় বাস্তৱ লইংক সামাজিক, সাংস্কৃতিক কৰ্মীৰূপে সম্বৰ্ধনা জ্ঞাপন কৰে। অসমৰ সাংস্কৃতিক জগতৰ প্ৰতিষ্ঠিত কৰিঅ'গ্ৰাফাৰ তথা নৃত্যাংগনা কলা কেন্দ্ৰৰ সঞ্চালক কামাল ৰাজাৰ তত্ত্বাৱধানত অনুষ্ঠিত হোৱা এই কৰ্মশালাত অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীসকলক একোখনকৈ মানপত্ৰ প্ৰদান কৰা হয়। বাদুলীপাৰ আঞ্চলিক ছাত্ৰ সন্থাৰ কে'বাজনো বিষয়ববীয়া উপস্থিত থকা অনুষ্ঠানটোৰ আঁত ধৰে সঞ্চালক কামাল ৰাজা আৰু নিলাক্ষী বৰাই। অনুষ্ঠানটোৰ লগত প্ৰতিটো কাৰ্যত জড়িত পংকজ পৰাণ, দিবাকৰ মৰাং, উত্তম শইকীয়া, মনোমতী নৰহ, সীমান্ত শইকীয়া, বিদ্যুৎ বিকাশ বৰা, ৰতন দাস, সুৰজিৎ দাস, মুস্তাক আলম, জুন্টি নৰহ নৃত্যাংগনাৰ সভাপতি নবীন গোহাঁই, সঞ্চালক কামাল ৰাজা তথা উদ্‌যাপন সমিতিৰ প্ৰতিগৰাকী বিষয়ববীয়াক কামাল ৰাজাই এনে এটি সুন্দৰ অনুষ্ঠান ৰাইজক উপহাৰ দিয়াৰ ধন্যবাদ জ্ঞাপন কৰাৰ লগতে অনুষ্ঠানটোৰ উত্তৰোত্তৰ কামনা কৰিছে।

## বঙাইগাঁৱত অভিভাৱক মন্ত্ৰী দাস বানত বিনষ্ট গৃহৰ পুনৰীক্ষণ সম্পৰ্কীয় সভাত দায়িত্বপ্ৰাপ্ত বিষয়াক নিৰ্দেশনা

অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ২২ জুলাই ঃ** চলিত বৰ্ষত হোৱা বানপানীৰ ফলত বঙাইগাঁও জিলাৰ যিসকল লোকৰ গৃহ (পকীয়েই হওক বা কেঁচাঘৰেই হওক) সম্পূৰ্ণভাৱে বা আংশিকভাৱে নষ্ট হৈছে সেই গৃহসমূহৰ প্ৰতিবেদন ইতিমধ্যে এছডিআৰএফৰ নিয়ম অনুসৰি জিলা উপায়ুক্তৰ ফালৰ পৰা ইতিমধ্যে দাখিল কৰা হৈছে। উক্ত প্ৰতিবেদন নিৰপেক্ষ পুনৰীক্ষণৰ বাবে আজি বঙাইগাঁও জিলা উপায়ুক্তৰ সভাকক্ষত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসৰ উপস্থিতিত পুনৰীক্ষণৰ দায়িত্বপ্ৰাপ্ত বিষয়ববীয়াসকলৰ বাবে এখন সভা অনুষ্ঠিত কৰা হয়। উপায়ুক্ত নবদ্বীপ পাঠকৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত পুনৰীক্ষণৰ বাবে বৰপেটা জিলাত কৰ্মৰত জিলা পৰিষদৰ অধীনৰ বিষয়ববীয়াসকলক পুনৰীক্ষণৰ বাবে প্ৰয়োজনীয় দিহা-পৰামৰ্শ দিয়া হয়। জিলাখনৰ সৃজনগ্ৰাম, মাণিকপুৰ, বইটামাৰী আৰু ডাংতল ৰাজহ চক্ৰৰ অধীনৰ ৫০৪টা গৃহ এই বছৰ হোৱা বানত নষ্ট হৈছে। তাৰে ভিতৰত ডাংতল ৰাজহ চক্ৰত মাত্ৰ এটা গৃহহে নষ্ট হৈছে। এই ৫০৪ টা নষ্ট হোৱা গৃহৰ নিৰপেক্ষ পুনৰীক্ষণ কৰাৰ বাবে বৰপেটাৰ পঞ্চায়ত বিভাগৰ যিসকল বিষয়ববীয়াক নিযুক্ত কৰা হৈছে তেওঁলোকৰ পৰা এজন-দুজন বা য'ত একেলগে বেছি গৃহ নষ্ট হৈছে তাৰ বাবে তিনি-চাৰিজন ব্যক্তি লৈ একোটা সৰু সৰু দল গঠন কৰি দিয়া হৈছে। তেওঁলোকে নিজৰ নিজৰ অঞ্চলসমূহৰ নষ্ট হোৱা গৃহৰ ২০ শতাংশ পুনৰীক্ষণ কৰি সংশ্লিষ্ট চক্ৰ বিষয়াক দুদিনৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিব। যদি কোনোবা অন্তৰ্ভুক্ত হ'বলগীয়া গৃহ বাদ পৰি গৈছে সেইখিনি তেওঁলোকৰ প্ৰতিবেদনত অন্তৰ্ভুক্ত কৰি প্ৰতিবেদন দাখিল কৰিব। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী দাসে বিষয়ববীয়াসকলক সম্পূৰ্ণ নিৰপেক্ষভাৱে প্ৰতিবেদন দাখিল কৰিবলৈ আহ্বান জনায়। তেওঁ কয় যে এয়া মুখ্যমন্ত্ৰীৰ নতুন পৰিকল্পনা আৰু মুখ্যমন্ত্ৰীয়ে বিচাৰিছে যে অতি শীঘ্ৰে ক্ষতিগ্ৰস্ত লোকসকলে ক্ষতিপূৰণ লাভ কৰক। মন্ত্ৰীজনে আৰু কয় যে দায়িত্বপ্ৰাপ্ত পঞ্চায়ত বিভাগৰ বিষয়ববীয়াসকলে এই কামৰ জৰিয়তে এক নতুন অভিজ্ঞতা লাভ কৰিব। আজিৰ সভাত সাধাৰণ প্ৰশাসন বিভাগৰ সচিব উমানন্দ দলেও উপস্থিত আছিল।

# যুৱকৰ বলাৎকাৰত কিশোৰী অন্তঃসত্বা

## ধনৰ লোভত অবৈধভাৱে গৰ্ভপাত কৰালে চিকিৎসকে

অগ্ৰদূত বাৰ্তা

**লক্ষীপুৰ, ২১ জুলাই ঃ** এজন পাষণ্ড যুৱকৰ বলাৎকাৰত এগৰাকী ১৬ বছৰীয়া অন্তঃসত্বা কিশোৰীক চিকিৎসকে সংগোপনে কৰিছিল গৰ্ভপাত। একমাত্ৰ বুজন ধনৰ লোভত চিকিৎসকে অবৈধভাৱে কৰিছিল এই কু-কীৰ্তি। ধৰ্ষণ-অবৈধ গৰ্ভপাত কৰোৱা এই অপৰাধজনিত ঘটনাৰ বিষয়টো সবিশেষ পলমকৈ হ'লেও উন্মচিত হোৱাৰ পাছতেই এতিয়া ৰাইজৰ মাজত সৃষ্টি কৰিছে তীব্ৰ প্ৰতিক্ৰিয়াৰ। এই জঘন্য ঘটনাটো সংঘটিত হৈছিল গোৱালপাৰাৰ লক্ষীপুৰত। ভুক্তভোগীৰ অভিযোগ অনুসৰি, আঢ়ৈ মাহ পূৰ্বে ৰকিবুল খানে সিদিনা কিশোৰীজনীক অকলশৰীয়া থকাৰ সুযোগ বুজি মৃত্যুৰ ভয়-ভাবুকি দেখুৱাই পাশবিক চৰিতাৰ্থ পূৰণ কৰিছিল। ইয়াৰ উপৰি যুৱকজনে তেতিয়াই ধৰ্ষিতা কিশোৰীৰ আপত্তিজনক ফটো ম'বাইলত আবদ্ধ কৰিছিল। তেতিয়াৰ পৰাই ৰকিবুলে অসৎ চৰিতাৰ্থ পূৰণৰ বাবে কিশোৰীগৰাকীৰ ওপৰত এটাৰ পাছত আন এটা লৈছিল ব্লেকমেইলিঙৰ পন্থা। পাছত এই বলাৎকাৰৰ বিষয়টো ধৰ্ষিতা কিশোৰীয়ে তেওঁৰ পৰিয়ালক বা আন কোনো ব্যক্তিক জনালে তেওঁৰ আপত্তিজনক ফটো সামাজিক মাধ্যম ফেচবুকত ভাইৰেল কৰাৰ ভাবুকি দিছিল। ৰকিবুলে কিশোৰীগৰাকীক এনেদৰে ব্লেকমেইলিং কৰি আহিছিল। লগতে কিশোৰীসহ পৰিয়ালৰ আন সদস্যকো প্ৰাণ নাশৰ ভয়-ভাবুকি দিছিল যুৱকজনে। অৱশেষত কিশোৰীগৰাকী আঢ়ৈ মাহৰ অন্তঃসত্বা হোৱা বুলি দৰিদ্ৰ পৰিয়ালটোৱে অৱগত হোৱাৰ পাছতে হতভম্ব হৈ পৰে। ইপিনে , ৰকিবুলে কিশোৰীজনী অন্তঃসত্বা হোৱাৰ খবৰ নিশ্চিত হোৱাৰ পাছতে নিজকে নিৰ্দোষী সাব্যস্ত কৰাৰ অপচেষ্টা চলায়। তেতিয়া অন্তঃসত্বা কিশোৰীগৰাকীৰ ওচৰৰে নিবাসী এগৰাকী মহিলাৰ সহযোগত গৰ্ভপাত কৰোৱাৰ অপপন্থা অৱলম্বন কৰে ৰকিবুলে। আনহাতে, ৰকিবুলৰ কু-পৰিকল্পনা অনুসৰি মহিলাগৰাকীয়ে অন্তঃসত্বা কিশোৰীগৰাকীক কৌশলগতভাৱে ফুচলাই লৈ গৈছিল লক্ষীপুৰৰ ব্যক্তিগত খণ্ড চিকিৎসক জেআৰ আহমেদ (জিল্লাউৰ ৰহমান আহমেদ)ৰ ওচৰত। ইয়াৰ পাছত চিকিৎসক জেআৰ আহমেদে বুজন অংকৰ লোভত কিশোৰীগৰাকীক অবৈধভাৱে গৰ্ভপাত কৰোৱায়। পৰৱৰ্তী সময়ত কিশোৰীগৰাকী অতিকৈ অসুস্থ হৈ পৰা দেখি পৰিয়ালৰ লোকে বহুবাৰ সোধাত ৰকিবুলৰ কু-কাৰ্যৰ কথা বিবৰি কয়। ভুক্তভোগী পৰিয়ালে এই ঘৃণণীয় কাণ্ডত জড়িত অভিযুক্তৰ বিৰুদ্ধে ন্যায় বিচাৰি যোৱা সাত জুলাইত লক্ষীপুৰ থানাত এখন এজাহাৰ দাখিল কৰিছিল। আনহাতে, এজাহাৰৰ ভিত্তিত আৰক্ষী বিষয়া ভীমকান্ত পেগুৱে ভাৰতীয় দণ্ডবিধি আইনৰ অধীনত ২৩৭/২২ নম্বৰ গোচৰৰ ৩৭৬/৩১২ ধাৰা আৰু আৰ/ডব্লিউ ধাৰা ছয়ৰ পক্স' এক্ট ২০১২ ৰুজু কৰি তদন্ত চলাইছিল। তদন্ত প্ৰক্ৰিয়াত আৰক্ষীয়ে তিনি অভিযুক্তৰ ভিতৰত ৰকিবুল আৰু গৰ্ভপাত কৰাৰ ক্ষেত্ৰত সহায় কৰা মহিলাগৰাকীক ইতিমধ্যে গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰিছে। আন এজন অভিযুক্ত চিকিৎসকজনক বাতৰি যুগুতোৱালৈকে গ্ৰেপ্তাৰ কৰিব পৰা নাই। এতিয়ালৈ পলাতক চিকিৎসক জেআৰ আহমেদৰ সন্ধান উলিওৱাৰ বাবে অনুসন্ধান অব্যাহত ৰাখিছে বুলি আৰক্ষী বিষয়া ভীমকান্ত পেগুৱে সাংবাদিকৰ আগত সদৰী কৰে।

## হাজোত জাপানীজ এনকেফেলাইটিছ ত মহিলাৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**হাজো, ২২ জুলাই ঃ** কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত হাজোৰ পতনিত আজি এগৰাকী মহিলা জাপানীজ এনকেফেলাইটিছ ৰোগত আক্ৰান্ত হৈ মৃত্যু হয়। আমিনগাঁৱৰ জিএনআৰচিত চিকিৎসাধীন অৱস্থাত আজি পুৱা ১০.৪৫ বজাত মহিলাগৰাকীৰ মৃত্যু হয় । আজিৰ পৰা প্ৰায় ১৬ দিন পূৰ্বে প্ৰথম অৱস্থাত মহিলাগৰাকীক হাজো চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল যদিও পৰৱৰ্তী পৰ্যায়ত উন্নত চিকিৎসাৰ বাবে আমিনগাঁৱৰ জিএনআৰচি হাস্পতালত ভৰ্তি কৰোৱা হয়। পৰ্যায়ক্ৰমে মহিলাগৰাকীৰ স্বাস্থ্যৰ অৱনতি গুৰুতৰ হোৱাত আজি মহিলাগৰাকীৰ মৃত্যু হয়। যাৰ বাবে অঞ্চলজুৰি এক আতংকময় পৰিৱেশ বিৰাজ কৰিছে। মৃত মহিলাগৰাকীৰ নাম নলিনী দাস (৬০)। মৃত্যুৰ সময়ত তেওঁ স্বামী, পুত্ৰ বোৱাৰীসহ বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি যায়।

## ডিব্ৰুগড়ৰ শিক্ষাভেলী স্কুলৰ উন্নত ফলাফল ৯৯.২০ শতাংশ নম্বৰ লাভ শ্লোক আগৰৱালাৰ

বিশেষ সংবাদদাতা

**ডিব্ৰুগড়, ২২ জুলাই ঃ** আজি ঘোষণা কৰা দশম শ্ৰেণীৰ চিবিএছই পৰীক্ষাত ডিব্ৰুগড়ৰ শিক্ষাভেলী স্কুলে উৎকৃষ্ট ফলাফল লাভ কৰে। দীৰ্ঘদিন ধৰি প্ৰতীক্ষিত কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদৰ (চিবিএছই) দশম শ্ৰেণীৰ ফলাফল আজি ঘোষণা কৰা হৈছিল। পৰীক্ষাত অৱতীৰ্ণ হোৱা ৭২ জন শিক্ষাৰ্থীৰ ভিতৰত ৩৮ জন শিক্ষাৰ্থীয়ে ৯০ শতাংশ, ২৫ জন শিক্ষাৰ্থীয়ে ৮০ শতাংশৰ পৰা ৮৯ শতাংশৰ ভিতৰত নম্বৰ লাভ কৰিছিল, আৰু নজন শিক্ষাৰ্থীয়ে ৭০ শতাংশ একৰ পৰা ৭৯ শতাংশৰ ভিতৰত নম্বৰ লাভ কৰি উত্তীৰ্ণ হৈছে। উল্লেখ্য যে শ্লোক আগৰৱালাই বিদ্যালয়খনত ৯৯.২০ শতাংশ নম্বৰ লাভ কৰি প্ৰথম স্থানত আছে। আনহাতে, মানৱী জৈন ৯৮.৪০ আৰু আয়ুমি বাৰুৱা ৯৮.২০ ক্ৰমান্বয়ে দ্বিতীয় আৰু তৃতীয় স্থানত আছে। উল্লেখ্য যে দ্বিতীয়বাৰৰ বাবে দশম শ্ৰেণীৰ পৰীক্ষাত অৱতীৰ্ণ হোৱা ডিব্ৰুগড়ৰ শিক্ষাভেলী স্কুলৰ পৰা চিবিএছই ব'ৰ্ডৰ পৰীক্ষাত দুয়োটা বৰ্ষতে দক্ষতা প্ৰদৰ্শন কৰি আহিছে লগতে অন্যান্য দিশতো শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীসকলে সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছে।

# কলিয়াবৰত 'এমুঠি জোনাকী আৰু এমুঠি জোনাক উন্মোচন'

অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ২২ জুলাই ঃ** কলিয়াবৰৰ বিশিষ্ট কবি-লেখিকা তথা কলিয়াবৰ লেখিকা সমাৰোহ সমিতিৰ উপ-সভানেত্ৰী প্ৰয়াত বিনোদিনী ভট্টাচাৰ্যৰ কৃতি আৰু জীৱনৰ আলোকপাত শীৰ্ষক ধ্ৰুৱজ্যোতি বৰাই সম্পাদনা কৰা এখন গ্ৰন্থ আজি চিমনাবস্তিৰ নিজা বাসভৱনত উন্মোচন কৰা হয়। গ্ৰন্থখন উন্মোচন কৰে কলিয়াবৰ শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা প্ৰাক্তন মন্ত্ৰী গুণীন হাজৰিকাই। গ্ৰন্থখন উন্মোচন কৰি দিয়া ভাষণত তেওঁ কয় বিনোদিনী ভট্টাচাৰ্য এগৰাকী আদৰ্শ নাৰী।



তেওঁৰ আদৰ্শ আমাৰ নাৰী সমাজে গ্ৰহণ কৰা উচিত। কলিয়াবৰ লেখিকা সমাৰোহ সমিতিৰ উপদেষ্টা তথা সমাজকৰ্মী পুষ্পলতা শইকীয়াৰ সঞ্চালনাত অনুষ্ঠিত সভাখনত লেখিকা সমাৰোহ সমিতিৰ কেন্দ্ৰীয় যুটীয়া সম্পাদিকা সুৱৰ্ণলতা মহন্ত, মামণি ভূঞা হাজৰিকা, কলিয়াবৰ শাখা সাহিত্য সভাৰ সভাপতি হেমোধৰ হাজৰিকা, পুষ্পেন্দ্ৰ শইকীয়া, প্ৰশান্ত কুমাৰ শইকীয়া আদিয়ে লেখিকাগৰাকীৰ কৰ্মময় জীৱনৰ আলোকপাত কৰি পৰিৱেশটো আবেগিক কৰি তোলে। কলিয়াবৰ শাখা সাহিত্য সভা আৰু কলিয়াবৰ লেখিকা সমাৰোহ সমিতিৰ যুটীয়া উদ্যোগত অনুষ্ঠিত তথা সাংস্কৃতিক কৰ্মী ৰঞ্জিত কুমাৰ ভট্টাচাৰ্যই আঁতধৰা গ্ৰন্থ উন্মোচনী সভাখনত প্ৰয়াত বিনোদিনী ভট্টাচাৰ্যৰ স্বামী উপেন ভট্টাচাৰ্য, কুশ ভট্টাচাৰ্য, বিশিষ্ট লেখক, ইতিহাস গৱেষক নবীন বৰঠাকুৰ, লেখিকা সমাৰোহ সমিতিৰ সম্পাদিকা ৰাণু নেওগ, চাৰুমণি হাজৰিকা, ধ্ৰুৱজ্যোতি বৰগোহাঞিও প্ৰমুখ্যে শতাধিক লোকে অংশগ্ৰহণ কৰে।

## আলফাৰে জড়িতৰ সন্দেহত গোলাঘাটৰ যুৱক গ্ৰেপ্তাৰ

বিশেষ সংবাদদাতা

**গোলাঘাট, ২২ জুলাই ঃ** আলফাৰে জড়িত থকাৰ সন্দেহত আৰক্ষীয়ে গোলাঘাটৰ বগীজানৰ পৰা এজন যুৱকক গ্ৰেপ্তাৰ কৰিছে। প্ৰকাশ গগৈ নামৰ যুৱকজনে সামাজিক মাধ্যমৰ যোগেদি আলফা (স্বাধীন)ৰ কোনো সদস্যৰ স'তে বাৰ্তালাপ কৰাৰ তথ্য লাভ কৰি তেওঁক গ্ৰেপ্তাৰ কৰা বুলি আৰক্ষী সূত্ৰই জনাইছে। সম্প্ৰতি যুৱকজনক জেৰা অব্যাহত ৰাখিছে। ইফালে, প্ৰকাশৰ মাতৃয়ে জনাইছে যে ঘৰত পাত ছিঙি থকা অৱস্থাৰে পৰাই আৰক্ষীয়ে তেওঁৰ পুত্ৰক আটক কৰি নিয়ে। মাতৃয়ে জনোৱা মতে, শেহতীয়াকৈ আৰক্ষী কনিষ্টবলৰ পৰীক্ষাত অৱতীৰ্ণ হোৱা সত্ত্বেও সুফল লাভ নকৰাত প্ৰকাশ কিছু হতাশ হৈছিল।

**বৰপেটাৰ মন্দিয়াত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ নামত ব্যাপক খেলিমেলি**

# প্ৰহসনত পৰিণত প্ৰধানমন্ত্ৰী আৱাস যোজনা

**বিশেষ সংবাদদাতা**

**বৰপেটা, ২২ জুলাই ঃ** দেশৰ দুখীয়া লোকসকলে যাতে নিজৰ ল'ৰা-ছোৱালীসহ পকীঘৰত থকাৰ সুবিধা লাভ কৰিব পাৰে, তাৰ বাবে কেন্দ্ৰীয় চৰকাৰে প্ৰধানমন্ত্ৰী আৱাস যোজনা নামৰ অভিলাসী আঁচনিখন গ্ৰহণ কৰিছিল। কিন্তু একাংশ বিষয়া তথা পঞ্চায়ত প্ৰতিনিধিৰ দুৰ্নীতিৰ বাবেই বৰপেটা জিলাত এই আঁচনিখন প্ৰহসনত পৰিণত হৈছে। জিলাখনৰ বিভিন্ন পঞ্চায়তত প্ৰধানমন্ত্ৰী আবাস যোজনাৰ নামত ব্যাপক খেলিমেলি সংঘটিত হোৱাৰ অভিযোগ উত্থাপন হৈছে। শেহতীয়াভাৱে পোহৰলৈ অহা তথ্য অনুসৰি বৰপেটা জিলাৰ মন্দিয়া উন্নয়ন খণ্ডত প্ৰধানমন্ত্ৰী আবাস যোজনাৰ নামত সংঘটিত হৈছে বিয়াগোম কেলেংকাৰি। হিতাধিকাৰী নিৰ্বাচিত হোৱাৰ পাছতো একাংশই ঘৰ লাভ নকৰাৰ অভিযোগ। ঘোচ দিব নোৱাৰাৰ বাবেই শেষ মুহূৰ্তত ঘৰ লাভ নকৰাৰ অভিযোগ উত্থাপন কৰিছে একাংশ দৰিদ্ৰ লোকে। উল্লেখ্য যে বৰপেটা জিলাৰ মন্দিয়া উন্নয়ন খণ্ডৰ অন্তৰ্গত ৮৪ নম্বৰ বামুণ দঙৰা গাঁও পঞ্চায়তৰ চাৰি শতাধিক পৰিয়ালক প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ হিতাধিকাৰী হিচাপে নিৰ্বাচিত কৰা হৈছিল। কিন্তু শেষ মুহূৰ্তত চাৰি শতাধিক পৰিয়ালৰ বিপৰীতে মাথোঁ ডেৰশটামান পৰিয়ালেহে ঘৰ লাভ কৰিবলৈ সক্ষম হয়। ইয়াৰ অন্তৰালত এক বিয়াগোম কেলেংকাৰি সংঘটিত ১৩ পৃষ্ঠাত চাওক



*তেজপুৰত সৃজনী সংগীত মহাবিদ্যালয়ৰ সৌজন্যত আয়োজিত নৃত্য কৰ্মশালাৰ সামৰণি অনুষ্ঠানৰ এটি মুহূৰ্ত।*

## আটক দুই ড্ৰাগছ আসক্ত ৰূপহীহাটত

**বিশেষ সংবাদদাতা**

**নগাঁও, ২২ জুলাই ঃ** তেজপুৰৰ পৰা ৰূপহীহাটলৈ ড্ৰাগছ বিচাৰি আহি আৰক্ষীৰ হাতত আটক হ'ল দুই আসক্ত যুৱক। ধৃত ড্ৰাগছ আসক্ত যুৱক দুজন হ'ল মুশীদুল ইছলাম আৰু মাহমাদুল ইছলাম। তেজপুৰৰ পৰা ৰূপহীহাটলৈ ড্ৰাগছ সেৱন কৰিবলৈ অহা যুৱক দুজনক ৰাইজে আটক কৰি ৰূপহীহাট আৰক্ষীক খবৰ দিয়ে। পাছত ৰূপহীহাট আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ ড্ৰাগছ সেৱনকাৰী দুজনৰ স্বীকাৰোক্তিৰ ভিত্তিত তেওঁলোকক আটক কৰি নিচামুক্তি কেন্দ্ৰলৈ প্ৰেৰণ কৰিছে। অৱশ্যে ড্ৰাগছ সেৱন কৰা যুৱক দুজনৰ পৰা কোনো ড্ৰাগছ উদ্ধাৰ কৰিব পৰা নাই।

## জামুগুৰিহাটত গাঞ্জাসহ মহিলা আটক

**অগ্ৰদূত বাৰ্ত**

**নদুৱাৰ, ২২ জুলাইঃ** ৰাজ্যৰ অসম আৰক্ষীয়ে মদ, ভাং, ড্ৰাগছৰ বিৰুদ্ধে অভিযান অব্যাহত ৰখাৰ মাজতে আজি শোণিতপুৰ জিলাৰ জামুগুৰিহাটত আৰক্ষীয়ে ৰ কেজি গাঞ্জা জব্দ কৰিবলৈ সক্ষম হোৱাৰ লগতে এগৰাকী মহিলাক আটক কৰিবলৈ সক্ষম হয়। জামুগুৰি আৰক্ষীয়ে অভিযান চলাই অঞ্চলটোৰ কুসুমটোলা দফলাটিকাৰ তুলসী নায়কৰ গৃহৰ পৰা প্ৰায় এক কে:জি: ভাং জব্দ কৰিবলৈ সক্ষম হয়। অৱশ্যে গাঞ্জা সৰবৰাহৰ লগত জড়িত তুলসী নায়ক আৰক্ষী অহাৰ উমান পাই পলাই সৰিবলৈ সক্ষম হয় যদিও নায়কৰ পত্নী উষা নায়কক আটক কৰিবলৈ সক্ষম হয় আৰক্ষী। দীৰ্ঘদিনৰ পৰা তুলসী নায়কে ভাং বিক্ৰী কৰি এক ৰমৰমীয়া ব্যৱসায় চলাই আহিছিল বুলি অভিযোগ উত্থাপিত হৈ আহিছিল। উল্লেখ্য যে সপ্তাহ পূৰ্বে জামুগুৰিহাটত প্ৰায় ছ কেজি ভাংসহ আন এজনকো আটক কৰি জেললৈ প্ৰেৰণ কৰিছিল।

## ইণ্ডিয়া টুডেৰ সমীক্ষাত ১৩০ সংখ্যক স্থানত ফৰকাটিং মহাবিদ্যালয়

**অগ্ৰদূত বাৰ্তা**

**ফৰকাটিং, ২২ জুলাই ঃ** ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনী ইণ্ডিয়া টুডেৰ দ্বাৰা দেশৰ ভিন্ন প্ৰান্তৰ মহাবিদ্যালয়সমূহক লৈ চলোৱা এক শেহতীয়া এমডিআৰএ সমীক্ষাত কলা শাখাত গোলাঘাট জিলাৰ অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান ফৰকাটিং মহাবিদ্যালয়ে সৰ্বভাৰতীয় ৰেংকিঙত ১৩০ সংখ্যক স্থান আৰু ৰাজ্যৰ সকলো মহাবিদ্যালয়ৰ ভিতৰতে শীৰ্ষস্থান অধিকাৰ কৰি সুনাম কঢ়িয়াই আনিছে। উল্লেখ্য যে গোলাঘাট জিলাৰ গ্ৰামাঞ্চলত অৱস্থিত উচ্চ শিক্ষানুষ্ঠান হিচাপে সংশ্লিষ্ট মহাবিদ্যালয়খনে অলপতে নাকৰ চতুৰ্থ মূল্যায়নত এ প্লাছ পাবলৈ সক্ষম হয়। এইবাৰ ইণ্ডিয়া টুডেৰ ৰেংকিং অৰ্জন কৰাত মহাবিদ্যালয়খনৰ উপৰি বৃহত্তৰ অঞ্চলটোৰ শিক্ষাপ্ৰেমী ৰাইজৰ মাজত আনন্দৰ বন্যা বৈছে। উল্লেখ্য যে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° অপূৰ্ব কুমাৰ শইকীয়াই ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, অভিভাৱক-অভিভাৱিকাসকলৰ ঐক্যবদ্ধ প্ৰচেষ্টাৰ ফলত এনে কৃতিত্ব লাভ কৰা বুলি সদৰী কৰে।

## ২৫-৩০ জুলাইত শিৱসাগৰত উদ্‌যাপিত উজ্জ্বল ভাৰত উজ্জ্বল ভৱিষ্য শক্তি ২০৪৭

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ২২ জুলাই ঃ** শক্তি মন্ত্ৰণালয়ৰ উদ্যোগত আৰু শিৱসাগৰ জিলা প্ৰশাসনৰ সহযোগত অহা ২৫ আৰু ৩০ জুলাইত শিৱসাগৰত উদ্‌যাপিত হ'ব উজ্জ্বল ভাৰত উজ্জ্বল ভৱিষ্য শক্তি ২০৪৭। ২৫ জুলাইত শিৱসাগৰ খাট পথাৰত অনুষ্ঠিত হ'ব প্ৰথম দিনৰ কাৰ্যসূচী। এই কাৰ্যসূচীত মুখ্য অতিথিৰূপে উপস্থিত থাকিব যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তপন কুমাৰ গগৈ। ৰাজ্যসভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা, শিক্ষা, ভৈয়াম জনজাতি কল্যাণ আৰু পিছপৰা শ্ৰেণীৰ মন্ত্ৰী তথা শিৱসাগৰ জিলাৰ অভিভাৱক মন্ত্ৰী ডাঃ ৰণোজ পেগু, শিৱসাগৰৰ বিধায়ক অখিল গগৈ এই কাৰ্যসূচীত অতিথিৰূপে উপস্থিত থাকিব। ৩০ জুলাইত ডিমৌৰ বৰপিয়ল হাবিত অনুষ্ঠিত হ'ব দ্বিতীয় দিনৰ কাৰ্যসূচী। এই কাৰ্যসূচীতো মুখ্য অতিথিৰূপে সাংসদ তপন কুমাৰ গগৈ, অতিথি হিচাপে সাংসদ কামাখ্যা প্ৰসাদ তাছা আৰু মন্ত্ৰী ডাঃ ৰণোজ পেগুৰ লগতে থাওৰাৰ বিধায়ক সুশান্ত বৰগোহাঁই উপস্থিত থাকিব। সাংস্কৃতিক কাৰ্যসূচীকে ধৰি বিভিন্ন কাৰ্যসূচীৰে অনুষ্ঠিত হ'বলগীয়া দুয়োটা দিনৰ বৰ্ণাঢ্য কাৰ্যসূচীতে শিৱসাগৰ জিলাৰ উপায়ুক্ত মেঘ নিধি দাহালে ৰাইজৰ সহযোগিতা কামনা কৰিছে।

## টেঙাখাতত কাব্যালোচনী মন্দাক্ৰান্তা বৰ্ষপূৰ্তি অনুষ্ঠান

**অগ্ৰদূত বাৰ্তা**

**টেঙাখাত, ২২ জুলাই ঃ** টেঙাখাতৰ পৰা প্ৰকাশিত কাব্যালোচনী মন্দাক্ৰান্তাৰ চতুৰ্থ বৰ্ষপূৰ্তি অনুষ্ঠান অহা ২৪ জুলাইত তামুলীখাত গদাপাণি ক্ষেত্ৰত অনুষ্ঠিত কৰিবলৈ আয়োজন কৰা হৈছে। অনুষ্ঠানত ১৭ সংখ্যক মন্দাক্ৰান্তা আলোচনীখন উন্মোচনৰ লগতে কে'বাখনো গ্ৰন্থ উন্মোচন কৰাৰ কথা কাৰ্যসূচীত উল্লেখ কৰিছে। অনুষ্ঠানটোৰ লগত সংগতি ৰাখি স্বৰচিত কবিতা পাঠৰ অনুষ্ঠানো অনুষ্ঠিত কৰা হ'ব। অনুষ্ঠানটো সাফল্যমণ্ডিত কৰি তুলিবলৈ শুভাকাংক্ষী ৰাইজৰ উপস্থিতি কামনা কৰিছে উদ্‌যাপন সমিতিয়ে।

## গোলাঘাট জিলাত গাহৰি মাংসৰ বিক্ৰীত নিষেধাজ্ঞা

**মেৰাপানী, ২২ জুলাই ঃ** গোলাঘাট জিলাৰ পূব উন্নয়ন খণ্ড, পদুমনিৰ অন্তৰ্গত বৰকছাৰী গাঁৱক অসম চৰকাৰে আফ্ৰিকান ছোৱাইন ফ্লুৰ অভিকেন্দ্ৰৰূপে ঘোষণা কৰাৰ পৰিপ্ৰেক্ষিতত তথা জিলাখনৰ আন ঠাইলৈ এই ৰোগৰ প্ৰাদুৰ্ভাৱ ঘটাৰ আশংকা কৰি অতিৰিক্ত জিলা দণ্ডাধীশ কুলদীপ হাজৰিকাই ফৌজদাৰী কাৰ্যবিধিৰ ১৪৪ ধাৰাৰ অধীনত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। সেই অনুসৰি গোলাঘাট জিলাৰ দৈনিক, সাপ্তাহিক বজাৰসমূহকে ধৰি কোনো ঠাইত গাহৰি, গাহৰিৰ পোৱালি, গাহৰিৰ মাংস আৰু আন গাহৰিৰ মাংসৰ পৰা প্ৰস্তুত কৰা সামগ্ৰীৰ বিক্ৰী নিষিদ্ধ ঘোষণা কৰা হৈছে। ৰাষ্ট্ৰীয় ঘাইপথৰ বাহিৰে গাহৰিৰ মাংস আৰু গাহৰিৰ পোৱালি জিলাখনৰ ভিতৰত অথবা আন্তঃজিলা সৰবৰাহ নিষিদ্ধ কৰা হৈছে। পথ, পথাৰ আৰু ব্যক্তিগত অথবা ৰাজহুৱা আন মুকলি ঠাইত গাহৰি আৰু গাহৰিৰ পোৱালি চৰি ফুৰাত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। গাহৰিৰ মৃতদেহ মুকলি ঠাই, পথাৰ, নদী, হ্ৰদ আদিত পেলাব নোৱাৰিব। কোনো লোকে ৰোগত আক্ৰান্ত হৈ গাহৰিৰ মৃত্যু হোৱা অথবা গাহৰিৰ দেহত ছোৱাইন ফ্লুৰ লক্ষণ দেখা পালে সেই তথ্য জিলা প্ৰশাসন আৰু পশু চিকিৎসা বিভাগৰ পৰা গোপনে ৰাখিব নোৱাৰিব। আজিৰে পৰা ২২ আগষ্টলৈকে কাৰ্যকৰী হোৱাকৈ এই নিষেধাজ্ঞা আৰোপ কৰা হৈছে। এই নিৰ্দেশ উলংঘা কৰিলে ভাৰতীয় দণ্ডবিধিৰ ১৮৮ ধাৰাৰ অধীনত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি নিৰ্দেশনাটোত কোৱা হৈছে।

## শ্ৰদ্ধাঞ্জলি

### গণেশ চন্দ্ৰ দাস



'ভাগি গ'ল বীণখনি ছিঙি গ'ল তাঁৰ
ৰৈ গ'ল অৱশেষ অমিয় জোকাৰ।'

নিয়তিৰ বিধান অনুসৰি হাজো মৌজাৰ বাহানা নিবাসী বিশিষ্ট সমাজসেৱক, সংগঠক, কৃষ্ণগুৰু হনুমান চক্ৰৰ প্ৰতিষ্ঠাপক সভাপতি তথা মোৰ শহুৰ দেউতা গণেশ চন্দ্ৰ দাসে যোৱা ১৩ জুলাইত সকলোকে কন্দুৱাই ইহলীলা সম্বৰণ কৰে। দেউতা, আপুনি য'তে আছে, তাতে চিৰশান্তিত থাকক। প্ৰকৃতাৰ্থত শহুৰ দেউতা এজন উদাৰ মনৰ, নিৰহংকাৰী মৰমীয়াল ব্যক্তি আছিল। আনৰ দুখত দুখী, সুখত সুখী, সদা হাঁহিমুখীয়া এজন ব্যক্তি। দেউতাৰ সান্নিধ্যত কটোৱা সময়বোৰে মোক স্মৃতিকাতৰ কৰি হৃদয় ব্যথিত কৰি তোলে প্ৰতি মুহূৰ্ততে। শহুৰ দেউতাক হেৰুৱাই সঁচাকৈ মৰ্মাহত হৈছো। আজি তেওঁৰ আদ্যশ্ৰাদ্ধ। সেয়ে পূণ্য আত্মাৰ চিৰশান্তি কামনাৰে একাঁজলি শ্ৰদ্ধা নিবেদন কৰিছো পৰমপিতা পৰমেশ্বৰৰ ওচৰত।

**অনুৰাধা দাস**

## পথ মেৰামতিৰ দাবীত যুৱ-ছাত্ৰ পৰিষদৰ উপায়ুক্তক স্মাৰকপত্ৰ

**অগ্ৰদূত বাৰ্তা**

**ফৰকাটিং, ২২ জুলাই ঃ** গোলাঘাট জিলা উপায়ুক্তক সদৌ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সহকাৰী সম্পাদক নিপন গগৈৰ উপস্থিতিত জিলা সমিতিৰ সভাপতি মাধুৰ্য দাস, সাধাৰণ সম্পাদক মামুদ আলী, সহকাৰী সম্পাদক প্ৰতিভ নেওগৰ নেতৃত্বত জিলা উপায়ুক্তক কালি এক স্মাৰকপত্ৰ প্ৰদান কৰে। স্মাৰকপত্ৰত উল্লেখ কৰে যে গোলাঘাট জিলাখনত শেহতীয়াকৈ অতি ভয়াৱহভাৱে জাপানী এনকেফেলাইটিছ সংক্ৰমণ বৃদ্ধি পোৱাটো সংগঠনটোৰ দৃষ্টিগোচৰ হৈছে আৰু ইতিপূৰ্বে বহুকেইজন ৰোগী মৃত্যুমুখত পৰিছে। স্বাস্থ্য বিভাগে বিষয়টোক লৈ যেনে ধৰণে সচেতন হ'ব লাগিছিল তেনে ধৰণে কোনো পদক্ষেপ লোৱা দেখা নাই। লগতে গোলাঘাট-দেৰগাঁও সংযোগী পণ্ডিত হেমচন্দ্ৰ গোস্বামী পথ অতিকৈ জৰাজীৰ্ণ হোৱাৰ বাবে কে'বাটাও দুৰ্ঘটনা সংঘটিত হৈ বহুকেইজন মৃত্যুমুখত পৰিছে। অতি শীঘ্ৰে পথটো মেৰামতি কৰি যাতায়াতৰ উপযোগী কৰিবলৈ জিলা উপায়ুক্তক দাবী জনাইছে। অন্যথা সদৌ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ গোলাঘাট জিলা সমিতিয়ে গণতান্ত্ৰিক আন্দোলনৰ হুংকাৰ দিয়ে।

**চাহ বাগিচাত চৰকাৰে যোগান ধৰা বিনামূলীয়া মিটাৰত বিদ্যুৎ সংযোগ অবিহনে বিল ঃ বিদ্যুৎ ব্যৱহাৰ নকৰাকৈ বিল লাভ কৰি হতচকিত**

## ঢেকিয়াজুলিত বিদ্যুৎ বিভাগৰ দায়িত্বহীন কাণ্ড

**অগ্ৰদূত বাৰ্তা**

**ঠেলামৰা, ২২ জুলাই ঃ** শোণিতপুৰ জিলাৰ ঢেকিয়াজুলিত বিদ্যুৎ বিভাগৰ এক দায়িত্বহীন কাণ্ড পোহৰলৈ আহিছে। বিদ্যুৎ সংযোগ অবিহনে ঢেকিয়াজুলিৰ মোনাবাগ চাহ বাগিচাৰ একাংশ পৰিয়ালক বিদ্যুতৰ বিল প্ৰেৰণক লৈ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। সহজ-সৰল চাহ শ্ৰমিক দৰিদ্ৰ পৰিয়ালক বিদ্যুৎ সংযোগ নকৰাকৈ বিদ্যুতৰ বিল প্ৰেৰণ কৰা বিষয়টো সহজতে মানি ল'ব বিচৰাই নাই। উল্লেখ্য যে চাহ শ্ৰমিকসকলক চৰকাৰে বিনামূলীয়াকৈ বিদ্যুতৰ মিটাৰ প্ৰদান কৰিছিল। সেই অনুসৰি বিনামূলীয়া বিদ্যুতৰ মিটাৰ ঢেকিয়াজুলিৰ মোনাবাগ চাহ বাগিচাৰ একাংশ শ্ৰমিকে মিটাৰ লাভ কৰিছিল। কিন্তু ঘৰত বিদ্যুৎ সংযোগ নকৰাকৈ এমাহৰ পাছত প্ৰেৰণ কৰিলে বিদ্যুতৰ বিল। এই চাহ বাগিচাখনৰ প্ৰায় ২০টা পৰিয়ালক বিদ্যুৎ সংযোগ নকৰাকৈ বিদ্যুতৰ বিল প্ৰেৰণ কৰাত হতচকিত হৈ পৰিছে এইসকল চাহ শ্ৰমিক। বিদ্যুৎ ব্যৱহাৰ নকৰাকৈ কেনেকৈ উক্ত বিলসমূহ তেওঁলোকে দিব। চৰকাৰে বিনামূলীয়াকৈ প্ৰদান কৰা মিটাৰ বিগত আজিকোপতি বিদ্যুৎ সংযোগ নকৰিলে ঢেকিয়াজুলি বিদ্যুৎ বিভাগে। এই ক্ষেত্ৰত স্থানীয় ঢেকিয়াজুলি শাখা আটছাৰ সম্পাদক গোবিন্দ তাঁতীৰে ঢেকিয়াজুলি বিদ্যুৎ বিভাগক হস্তক্ষেপৰ দাবী জনাই বিষয়টো সমাধান কৰিবলৈ দাবী জনায়। এতিয়া এই চাহ বাগিচাখনৰ শ্ৰমিক ৰাইজক বিদ্যুৎ বিভাগে কেনেকৈ সকাহ দিব সেয়া লক্ষ্যণীয় হ'ব।

## বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে নগাঁৱত কংগ্ৰেছৰ প্ৰতিবাদ

**বিশেষ সংবাদদাতা**

**নগাঁও, ২২ জুলাই ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে বিৰোধী শক্তি বিশেষকৈ কংগ্ৰেছৰ কণ্ঠৰুদ্ধ কৰিবলৈ অপচেষ্টা চলোৱাৰ অভিযোগ তুলি ইয়াৰ প্ৰতিবাদত আৰু বিজেপি চৰকাৰৰ দমননীতিৰ বিৰুদ্ধে আজি নগাঁৱত কংগ্ৰেছে এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। নগাঁও জিলা কংগ্ৰেছৰ উদ্যোগত নগাঁও জিলা কংগ্ৰেছৰ ৰাজীৱ ভৱনৰ পৰা এক প্ৰতিবাদী সমদল উলিয়াব বিচাৰিছিল যদিও আৰক্ষীয়ে বাধা প্ৰদান কৰে। কংগ্ৰেছৰ নেতা আৰু কৰ্মীসকলে ৰাজীৱ ভৱনৰ গেটৰ সন্মুখতেই বিজেপি চৰকাৰৰ বিৰুদ্ধে সবল প্ৰতিবাদ সাব্যস্ত কৰে। কংগ্ৰেছৰ নেতা-কৰ্মীসকলে



'প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী হায় হায়, বিজেপি চৰকাৰ হায় হায়, ছোনিয়া গান্ধী জিন্দাবাদ, ৰাহুল গান্ধী জিন্দাবাদ, কংগ্ৰেছৰ নেতাৰ বিৰুদ্ধে চৰকাৰী ষড়যন্ত্ৰ বন্ধ কৰক, বিজেপি চৰকাৰৰ দমন নীতি বন্ধ কৰক' আদি শ্ল'গান দি পৰিৱেশ উত্তাল কৰি তোলে। নগাঁও জিলা কংগ্ৰেছৰ সভাপতি সুৰেশ বৰাৰ নেতৃত্বত প্ৰতিবাদকাৰীসকলে মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে কংগ্ৰেছ নেতাৰ বিৰুদ্ধে কৰা ষড়যন্ত্ৰ বন্ধ নকৰিলে কংগ্ৰেছে ব্যাপক আন্দোলন গঢ়ি তুলিব বুলি চৰকাৰক সতৰ্ক কৰি দিয়ে। কাৰ্যসূচীৰ অন্তত নগাঁও জিলা কংগ্ৰেছে উপায়ুক্তৰ জৰিয়তে ৰাষ্ট্ৰপতিলৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে।

## অৰ্ধশতাধিক প্ৰতিবাদকাৰীক আটক বিশ্বনাথ জিলা আৰক্ষীৰ

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ২২ জুলাই ঃ** বিশ্বনাথৰ ৰাজীৱ ভৱনৰ পৰা জিলা কংগ্ৰেছে উলিওৱা প্ৰতিবাদী সমদল কাৰ্যসূচীত বাধা বিশ্বনাথ জিলা আৰক্ষীৰ। অৱশেষত ৰাজপথত বহি প্ৰতিবাদ সাব্যস্ত কৰাৰ পাছত বিশ্বনাথ আৰক্ষীয়ে আটক কৰিলে প্ৰতিবাদকাৰীসকলক। উল্লেখ্য যে সমগ্ৰ ৰাজ্যজুৰি আজি ভাৰতীয় জাতীয় কংগ্ৰেছে বিজেপি শাসনাধিষ্ঠিত কেন্দ্ৰীয় চৰকাৰে কংগ্ৰেছৰ নেত্ৰী ছোনিয়া গান্ধীকে ধৰি গান্ধী পৰিয়ালৰ ওপৰত হেঁচা প্ৰয়োগ কৰি ইডিৰ হতুৱাই বলপূৰ্বকভাৱে তদন্তৰ আওতালৈ অনা কাৰ্যৰ বিৰোধিতা কৰি এই প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰা হয়। তাৰ সমান্তৰালভাৱে বিশ্বনাথ জিলা কংগ্ৰেছে বিশ্বনাথ নগৰস্থিত ৰাজীৱ ভৱনৰ পৰা অৰ্ধশতাধিক প্ৰতিবাদকাৰীয়ে সমদল কৰি উপায়ুক্ত কাৰ্যালয়ত স্মাৰকপত্ৰ প্ৰদান কৰিবলৈ যাওঁতেই ৰাজীৱ ভৱনৰ সন্মুখত প্ৰতিবাদকাৰীসকলক বিশ্বনাথ জিলা আৰক্ষীয়ে বাধা প্ৰদান কৰাৰ লগতে ১৪৪ ধাৰা ভংগ কৰাৰ অভিযোগত অৰ্ধশতাধিক প্ৰতিবাদকাৰীক আটক কৰি আৰক্ষী থানালৈ এখন গাড়ীত উঠাই লৈ যায় আৰক্ষীয়ে। আনহাতে, প্ৰতিবাদকাৰীসকলেও চৰকাৰৰ বিৰুদ্ধে বিভিন্ন শ্ল'গান প্ৰদৰ্শন কৰি আকাশ-বতাহ কপাই তুলে।

# ঘোষিকা, লেখিকা সাগৰিকা গোস্বামীলৈ অসম কলা-কৃষ্টি বঁটা

**পাটাছাৰকুছি, ২২ জুলাই ঃ** সদ্য প্ৰকাশিত সাগৰিকা গোস্বামীৰ 'কবিতা সুধা' শীৰ্ষক কবিতা পুথি আৰু প্ৰয়োজন সাপেক্ষে সংগীত, কবিতা আবৃত্তি, বাদ্য বজোৱা, যাদু, অভিনয়, শায়েৰী, বক্তৃতাৰ পৰ্যালোচনা আদি ব্যতিক্ৰমী শৈলীৰে ঘোষিকা হিচাপে পৰিচালনা কৰা অনুষ্ঠানৰ বাবে লাভ কৰে 'অসম কলা-কৃষ্টি বঁটা ২০২২'। শিশুৰ পৰা বৃদ্ধলৈ সকলো বয়সৰ কবিতাপ্ৰেমীৰ বাবে উপযোগী, চন্দ্ৰ প্ৰকাশৰ পৰা প্ৰকাশিত, আই.এছ.বি.এন. যুক্ত কবিতা পুথিৰ বাবে তথা বাছকবনীয়া জ্ঞানবৰ্ধক কথন শৈলীৰে পৰিচালনা কৰা অনুষ্ঠানৰ বাবে সাগৰিকা গোস্বামীয়ে লাভ কৰে এই সন্মান। মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহ গুৱাহাটীত প্ৰদান কৰা হয় এই বঁটা। সাহিত্য, সংস্কৃতিৰ লগতে শিক্ষা জগততো সমানে নিজৰ কামত অটল থকা সাগৰিকা গোস্বামীৰ কৰ্মৰাজিত আনন্দ আৰু আশিস প্ৰকাশ কৰে শংকৰদেৱ শিশু নিকেতন পাটাছাৰকুছি পৰিয়ালবৰ্গৰ লগতে তেওঁ পঢ়ি থকা কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ৰ পৰিয়ালবৰ্গই তথা বিভিন্ন দল-সংগঠনে। স্নাতকোত্তৰ চূড়ান্ত ষাণ্মাসিকৰ মেধাৱী ছাত্ৰীগৰাকীৰ কৃতিত্বত আনন্দ প্ৰকাশ কৰে পিতৃ হেমন্ত কুমাৰ গোস্বামী আৰু মাতৃ অনামিকা গোস্বামীয়ে।

## গৰুভৰ্তি ট্ৰাক জব্দ, ধৃত দুই মেৰাপানীত

**অগ্ৰদূত বাৰ্তা**



**মেৰাপানী, ২২ জুলাই ঃ** মেৰাপানী আৰক্ষী থানাৰ অন্তৰ্গত মেৰাদলঙত যোৱা নিশা গোলাঘাট জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষকৰ নেতৃত্বত চলা এক তালাচীত এখন গৰু ভৰ্তি ট্ৰাক জব্দ কৰিবলৈ সক্ষম হয়। তথ্য মতে, এ এছ- ০৩ এ চি -৬২১৪ নম্বৰৰ এখন টুজিঅ ছেভেন গাড়ীত সৰু-ডাঙৰ ১২টা গৰু মেৰাপানীলৈ আনি থকা পথত আৰক্ষী দলটোৱে জব্দ কৰিবলৈ সক্ষম হয় যদিও উক্ত গাড়ীখনৰ চালকজন আৰক্ষীৰ চকুৰ পলকতে পলাই যায়। আনহাতে, তেনে সময়তে এ এছ ০১ ডি-০৮৯০ নম্বৰৰ এখন বগা ৰঙৰ ছুইফট ডিজায়াৰ দেৰগাঁও নাহৰণিৰ পৰা অহা দুজন যুৱকক তালাচীত ৰখাই আৰক্ষীয়ে সোধ-পোছ কৰাত গৰু মালিকৰ সন্দেহত গাড়ীসহ দুয়োকে গ্ৰেপ্তাৰ কৰে। ধৃত যুৱক দুজন ক্ৰমে আচিক আহমেদ (২৮) আৰু নেকুবুৰ ৰহমান (৩০) বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে পোৱা তথ্য মতে, ধৃত যুৱক দুজনে মেৰাপানীৰ এজন যুৱকক বিক্ৰী কৰিছিল। ইপিনে, নিশাই জব্দ কৰা গৰুসমূহ মেৰাপানী আৰক্ষীয়ে যোৰহাট গো-শালাত জমা দিয়ে যদিও জব্দকৃত এটা গৰুৰ মৃত্যু হয়। গৰু মালিকৰ সন্দেহত গ্ৰেপ্তাৰ কৰা দুয়ো যুৱকক আজি গোলাঘাট জেললৈ প্ৰেৰণ কৰে বুলি আৰক্ষী সূত্ৰত প্ৰকাশ।

## বিশ্বনাথ ঘাটৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ১০ দিনীয়া গ্ৰীষ্মকালীন শিবিৰ

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ২২ জুলাই ঃ** এইড এট একচন আৰু সমগ্ৰ শিক্ষাৰ উদ্যোগত বিশ্বনাথ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হয় ১০ দিনীয়া বিশেষ শিবিৰ। গ্ৰীষ্মবন্ধৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীসকলক বিদ্যালয়ৰ লগতে বিদ্যালয়ৰ পাঠ্যপুথিৰ বাহিৰৰ জ্ঞান শিক্ষা অৰ্জনৰ উদ্দেশ্যে অনুষ্ঠিত হয় বিশেষ কাৰ্যসূচী। ১০ দিনীয়া এই গ্ৰীষ্মকালীন শিবিৰত দেখা পোৱা গ'ল ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন দিশত যেনে খেলা-ধূলা, যোগ, মুখা নিৰ্মাণ, চিত্ৰ প্ৰদৰ্শনী আদি বাহ্যিক ক্ৰিয়া-কলাপৰ স'তে জড়িত কৰোৱা হয়। গ্ৰীষ্ম বন্ধৰ সময়ত দ্বিতীয় শ্ৰেণীৰ পৰা নৱম শ্ৰেণী পৰ্যন্ত ছাত্ৰ-ছাত্ৰীসকলক এইদৰে একত্ৰিত কৰি বিভিন্ন কাৰ্যকলাপৰ স'তে জড়িত কৰা বিষয়ক লৈ অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজত দেখা পোৱা গ'ল উৎসাহ। উল্লেখ্য যে ১০ দিনীয়া এই গ্ৰীষ্মকালীন শিবিৰৰ আজি অন্তিম দিনত বিশ্বনাথ জিলাৰ অতিৰিক্ত উপায়ুক্ত তথা সমগ্ৰ শিক্ষাৰ বিশ্বনাথ জিলা মিছন সমন্বয়ক ড° সুৰ্য কমল বৰা, সমগ্ৰ শিক্ষাৰ জিলা আঁচনি বিষয়া ৰবীন হাজৰিকা, এইড এট একচনৰ জিলা সমন্বয়ক ৰিণী তামুলী, এইড এট একচনৰ গুৱাহাটীস্থিত কাৰ্যালয়ৰ বিষয়ববীয়াসহ বহুকেইজন বিশিষ্ট অতিথি। আজিৰ এই সফল সামৰণি অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিভিন্ন গীত-মাতৰ লগতে বটা বিতৰণী অনুষ্ঠান অনুষ্ঠিত কৰা হয়।

**ছোনিয়াক ইডিয়ে কৰা জেৰাৰ উচিত ন্যায়ৰ দাবীত ৰাষ্ট্ৰপতিলৈ স্মাৰকপত্ৰ**

## লখিমপুৰত জিলা কংগ্ৰেছৰ প্ৰতিবাদী সমদল

**অগ্ৰদূত বাৰ্তা**

**লখিমপুৰ, ২২ জুলাই ঃ** কংগ্ৰেছ নেত্ৰী ছোনিয়া গান্ধীলৈ প্ৰৱৰ্তক সঞ্চালকালয়ে নেচনেল হেৰল্ড গোচৰত চমন জাৰি কৰা সন্দৰ্ভত তথা ইডিৰ দ্বাৰা চৰকাৰী সংস্থা ব্যৱহাৰ কৰি আক্ৰোশমূলকভাৱে কংগ্ৰেছ নেত্ৰী গান্ধীৰ নিকা ভাবমূৰ্তি বিনষ্ট কৰিবলৈ বিজেপি চৰকাৰে চলোৱা ষড়যন্ত্ৰৰ বিৰুদ্ধে লখিমপুৰ জিলা কংগ্ৰেছ কমিটীয়ে আজি প্ৰতিবাদী সমদল উলিয়ায়। জিলা কংগ্ৰেছ কাৰ্যালয়ৰ পৰা উপায়ুক্ত ১৩ পৃষ্ঠাত চাওক



## আজিৰে পৰা সৰস্বতী পুস্তক মন্দিৰৰ গ্ৰীষ্মকালীন সমাৰোহ

**মঞ্চায়ন হ'ব নটসূৰ্যৰ চিৰযুগমীয়া চিৰাজ**

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ২২ জুলাই ঃ** ইয়াৰ অন্যতম সামাজিক তথা সাংস্কৃতিক অনুষ্ঠান সৰস্বতী পুস্তক মন্দিৰৰ হীৰক জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি কাইলৈৰ পৰা দুদিনীয়াকৈ গ্ৰীষ্মকালীন সমাৰোহ অনুষ্ঠিত হ'ব। কাইলৈ পুৱা অনুষ্ঠানৰ সভাপতি পৰেশ কলিতাই পতাকা উত্তোলন কৰাৰ পাছতে স্মৃতি তৰ্পণ কৰিব বয়োজ্যেষ্ঠ ব্যক্তি আনন্দ কলিতাই আৰু প্ৰতিযোগিতা উদ্বোধন কৰিব সাংস্কৃতিক কৰ্মী ৰাতুল বৰাই। বাহনা বালক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ইছমাই আলীৰ সভাপতিত্বত দ্বিতীয় দিনা হ'বলগীয়া মুকলি সভাত ৰাজ্য সভাৰ সাংসদ কামাখ্যাপ্ৰসাদ তাছা, বিধায়ক হিতেন্দ্ৰনাথ গোস্বামী, বিশিষ্ট সমাজকৰ্মী ডাঃ বলীন খাৰঘৰীয়া, শিল্পী অৰুণ চন্দ্ৰ দাসে অংশগ্ৰহণ কৰিব। সভাত প্ৰতিযোগিতাৰ বিজয়ীক পুৰস্কাৰ প্ৰদানৰ লগতে কৃতী শিক্ষাৰ্থীক অভিনন্দন জনাব। গ্ৰীষ্মবন্ধত হোৱা বিভিন্ন বিষয়ৰ কৰ্মশালাত অংশগ্ৰহণ কৰা শিশুসকলে নিশাৰ সাংস্কৃতিক অনুষ্ঠানত অৰুণ চন্দ্ৰ দাসৰ পৰিচালনাত মুং-ডু-চু-খাম আলেখ্য প্ৰদৰ্শন কৰিব। স্বেচ্ছাসেৱী অনুষ্ঠান সেৱাৰ প্ৰধান সম্পাদক প্ৰণৱজ্যোতি শইকীয়াই উদ্বোধন কৰিবলগীয়া সাংস্কৃতিক অনুষ্ঠানত অনুপ কলিতাৰ পৰিচালনাত গাঁৱৰ যুৱক-যুৱতীয়ে নটসূৰ্য ফণী শৰ্মাৰ চিৰযুগমীয়া নাটক 'চিৰাজ' মঞ্চায়ন কৰিব। পুস্তক মন্দিৰৰ কাৰ্যকৰী সভাপতি ৰুবুল কলিতা আৰু সম্পাদকদ্বয় লাটুমণি শইকীয়া, পংকজ কলিতাই ৰাইজৰ উপস্থিতি কামনা কৰিছে।

## কামপুৰত পথ দুৰ্ঘটনাত দুজন আহত

**অগ্ৰদূত বাৰ্তা**

**কামপুৰ, ২২ জুলাই ঃ** কামপুৰ ভলভলীয়া গাঁৱত আজি এক পথ দুৰ্ঘটনা সংঘটিত হয়। স্কুটী আৰু এখন ফৰ্ড বাহনৰ মাজত মুখামুখি সংঘৰ্ষ হোৱাৰ ফলত বাহনখনে কে'বা মিটাৰ চোঁচৰাই নিয়ে স্কুটীখন। ফলত স্কুটী আৰোহী সপ্তম নাথ আৰু সুবোধ নাথ গুৰুতৰভাৱে আহত হয়। সপ্তম নাথৰ ঘৰ কুঁহিমাৰী আৰু সুবোধ নাথৰ ঘৰ লংকাত। কামপুৰ এফ আৰ ইউত প্ৰাথমিক চিকিৎসাৰ অন্তত সংকটজনক অৱস্থাত দুয়োকে উন্নত চিকিৎসাৰ বাবে নগাঁৱলৈ প্ৰেৰণ কৰা হয়।

অসম দাপোণ
গুৱাহাটী, ২৩ জুলাই, শনিবাৰ, ২০২২ পৃষ্ঠা ১৪

■ ছয়গাঁৱৰ গোৱৰ্ধনত বিজেপিৰ কাৰ্যনিৰ্বাহক সভা

# ছয়গাঁৱৰ প্ৰতিখন পঞ্চায়ত বিজেপিয়ে দখল কৰাৰ সংকল্প ঃ হিৰণ্য দাস



**ছয়গাঁও, ২২ জুলাই ঃ** বিজেপিৰ দক্ষিণ কামৰূপ জিলাৰ মণ্ডল কাৰ্যনিৰ্বাহক সভা এখন আজি ছয়গাঁও সমষ্টিৰ গোৱৰ্দ্ধন প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত হয়। ছয়গাঁও মণ্ডলটো শক্তিশালী কৰাৰ উদ্যেশ্যে আয়োজন কৰা এই সভাখনত সভাপতিত্ব কৰে মণ্ডল সভাপতি প্ৰফুল্ল মেধিয়ে। পুৰা বন্তি প্ৰজ্বলন অনুষ্ঠানটো পৰিচালনা কৰে মণ্ডল সাধাৰণ সম্পাদক নিমাই সাউদ আৰু পবিত্ৰ নাথে। দক্ষিণ কামৰূপ জিলা বিজেপিৰ সভাপতি ধনেশ্বৰ তালুকদাৰে ভাষণত ছয়গাঁও সমষ্টিটো কংগ্ৰেছৰ দখলৰ পৰা আগন্তুক নিৰ্বাচনত উদ্ধাৰ কৰিব লাগিব বুলি কয়। ৰাজ্যিক কাৰ্যনিৰ্বাহকৰ সদস্য হিৰণ্য দাসে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক প্ৰশংসা কৰি আগন্তুক পঞ্চায়ত নিৰ্বাচনত ছয়গাঁও সমষ্টিৰ প্ৰতিটো পঞ্চায়ত বিজেপিয়ে দখল কৰিবৰ বাবে এতিয়াৰে পৰা সাজু হ'বৰ হ'ল বুলি উল্লেখ কৰে। সভাত ইয়াৰ উপৰি জনজাতি উন্নয়ন প্ৰকল্পৰ অধ্যক্ষা লাৱণ্য বড়ো, ছয়গাঁও মণ্ডলৰ সম্পাদক অখিল কলিতা, উপ-সভাপতি প্ৰভাত শৰ্মা, সম্পাদক দিপক সাউদ, মনোজ কলিতা, গৰৈমাৰী মণ্ডলৰ প্ৰভাৰী কমলেশ্বৰ দাস, ছয়গাঁৱৰ প্ৰভাৰী লংকেশ্বৰ কলিতা, অবিচি মৰ্চাৰ সভাপতি ৰাজেন নাথ, বিজেপি নেতা ৰবিন নাথ প্ৰমুখ্যে কে'বাগৰাকীও নেতাই ভাষণ প্ৰদান কৰি ছয়গাঁৱত আগন্তুক নিৰ্বাচনবোৰত বিজেপিৰ পতাকা উৰুৱাই বিজয় উৎসৱ পালন কৰিব বুলি কয়।

■ মুকলিৰ এবছৰ পাছতে কামৰূপ সংহত উপায়ুক্ত কাৰ্যালয়ত বিপদৰ আগজাননী ■বৃহৎ ফাট প্ৰতিখন দেৱালত ■ নিৰ্মাণত বাধা আৰোপ নেওচি পুনৰ নিৰ্মাণ হ'ল একেটা অট্টালিকা

# ৰাজকোষৰ ৫০ কোটি টকা পানীত পৰিল

অগ্ৰদূত বাৰ্তা

**উত্তৰ গুৱাহাটী, ২২ জুলাই ঃ** অসম চৰকাৰৰ লোক নিৰ্মাণ বিভাগে সাজি উলিওৱা এটি অট্টালিকাক লৈ সঘন চৰ্চা চলিছে আমিনগাঁৱত। ২০২১ৰ পহিলা ফেব্ৰুৱাৰীত তেতিয়াৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে মুকলি কৰা কামৰূপ সংহত উপায়ুক্ত কাৰ্যালয়ৰ অট্টালিকাত যেন বিপদ ঘণ্টা বাজিছে। নিৰ্মাণৰ এবছৰতে কিয় চিন্তাৰ বিষয় হৈ পৰিল অট্টালিকাটো সেয়া এক গভীৰ চিন্তাৰ বিষয়। আমিনগাঁও কামৰূপ জিলা সংহত উপায়ুক্ত কাৰ্যালয় দেশৰ ভিতৰতে এটি সৰ্বাংগ সুন্দৰ জিলা উপায়ুক্ত কাৰ্যালয়। প্ৰায় ৫০ কোটি টকা ব্যয়ৰে এটা দশকৰ অন্তত নিৰ্মাণ সম্পন্ন কৰি মুকলি কৰা হৈছিল। জিলাৰ কে'বাটাও বিভাগ সামৰি একেটা অট্টালিকাতে সংহত উপায়ুক্ত কাৰ্যালয় নিৰ্মাণৰ পৰিকল্পনা আছিল তেতিয়াৰ শিক্ষা, স্বাস্থ্য আৰু লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। ড° শৰ্মা আৰু তদানীন্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আড়ম্বৰপূৰ্ণ অনুষ্ঠানৰ মাজেৰে অট্টালিকাটো মুকলি কৰিছিল। মুকলি অনুষ্ঠানৰ ভাষণত কোৱা হৈছিল, সংহত উপায়ুক্ত কাৰ্যালয় ভাৰতৰ ভিতৰতে প্ৰথমটো সংহত কাৰ্যালয়, কামৰূপ জিলা উপায়ুক্ত কাৰ্যালয়। অত্যাধুনিক সকলো সেৱা উপলব্ধ হোৱাকৈ নিৰ্মাণ কৰা অট্টালিকাটোত প্ৰায় সংখ্যক কাৰ্যালয় একেটা ঘৰত ৰখাৰ উদ্দেশ্য হ'ল, জিলা সদৰলৈ গাঁৱৰ পৰা অহা লোকে কাৰ্যালয় বিচাৰি বাটকুৰি বাব নালাগে। সিমানখিনিলৈ ঠিকেই আছিল। লোক নিৰ্মাণ বিভাগৰ তত্ত্বাৱধান আৰু ঠিকাদাৰ শান্তনু দুৱৰাই দুবছৰত নিৰ্মাণ সম্পন্ন কৰা অট্টালিকাটোৰ ইতিহাস যেন ঠগ-বঞ্চনাৰ এক মকৰাজাল। প্ৰায় এটা দশক পূৰ্বে আন এক উদ্দেশ্যে এই অট্টালিকাটোৰ নিৰ্মাণ আৰম্ভ কৰা হৈছিল; কিন্তু নিৰ্মাণৰ আৰম্ভণিতে অট্টালিকাটোত ফাট মেলাত সংশ্লিষ্ট মহলে নিৰ্মাণত বাধা আৰোপ কৰিছিল। এখন মজিয়া (ফ্ল'ৰ) নিৰ্মাণ হোৱা অট্টালিকাটো সাত বছৰ ধৰি পৰিত্যক্ত হৈ আছিল। হাবি-জংঘলেৰে ভূত বাংলাত পৰিণত হোৱা অট্টালিকাটো যেন পুনৰ ন ৰূপ দিয়াত লাগি গ'ল। নিৰ্বাচনৰ প্ৰাক্কক্ষণত ততাতৈয়াকে নবোৱাৰীৰ ৰূপত সাজি কাচি মুকলি কৰা হ'ল। মুকলিৰ তিনিমাহ পাছতে সমগ্ৰ অট্টালিকাত ছিৰাল ফাট মেলাত বিপদত পৰিল তদাৰকৰ দায়িত্বত থকা কামৰূপ প্ৰশাসন তথা লোক নিৰ্মাণ বিভাগ। অট্টালিকাৰ ছিৰাল ফাটক লৈ চৌদিশে চৰ্চা হ'ল। সেই সময়ত ছেগাচোৰোকাকৈ ভূমিকম্প হৈ থকাত আৰু বেছি চিন্তিত হ'ল। এই কথাৰ উমান পাই প্ৰশাসনে কাৰ্যালয় বন্ধ থকা দেওবাৰে কোনেও নেদেখাকৈ দিনে-নিশাই প্ৰলেপ সনা হ'ল। পিছে কি হ'ব, পুনৰ অট্টালিকাৰ সৰ্ব স্তৰত ফাট মেলিল। কামৰূপ জিলা উপায়ুক্ত কৈলাশ কাৰ্তিক এনে সমস্যাৰ সমাধানৰ পৰিৱৰ্তে গাপ দি থলে বিষয়টো। এই সম্পৰ্কত মতামত বিচৰাত অতি স্পৰ্শকাতৰ বিষয়টো তদন্ত হ'ব বুলি গা এৰা দিয়ে। এনে এক সম্ভাব্য বিপদ সংকুল অট্টালিকাৰ কোঠাত কাম কৰিবলৈ শংকা প্ৰকাশ কৰিছে কৰ্মচাৰীসকলে। যিকোনো ভূমিকম্পতে প্ৰথম বিপদ ঘটিব পাৰে আমিনগাঁও জিলা সংহত উপায়ুক্ত কাৰ্যালয়ত। কিন্তু, ফাকি-ফুকাৰে চৰকাৰী ধনৰ শৰাধ পতা আৰু জনতাক সম্ভাব্য বিপদলৈ ঠেলি দিয়া সকলৰ এই মুহূৰ্তলৈ কথাটো গাত লগা নাই। ঠিকাদাৰ শান্তনু দুৱৰাকো এই বিষয়ে অৱগত কৰাত পূৰ্বৰ পুৰণি অট্টালিকাৰ ওপৰত নিৰ্মাণ হোৱা নাই বুলি কয়। পৰৱৰ্তী সময়ত শান্তনু দুৱৰাই অজ্ঞতা প্ৰকাশ কৰি উপায়ুক্ত কৈলাশ কাৰ্তিক এনক সুধিব লাগিব বুলি দোহাৰে। তেনে এজন ঠিকাদাৰেই আমিনগাঁও নুমলী জলাহত নিৰ্মাণ হ'বলগীয়া কে'বা কোটিটকীয়া ছুইমিং পুল নিৰ্মাণৰ নিবিদা লাভ কৰিছে।



# বিবাহযাত্ৰী বাছ-মটৰ চাইকেলৰ মুখামুখি সংঘৰ্ষত হতাহত দুই

তামাৰহাটত ভয়ংকৰ পথ দুৰ্ঘটনা

অগ্ৰদূত বাৰ্তা

**তামাৰহাট, ২২ জুলাই ঃ** ধুবুৰী জিলাৰ তামাৰহাট থানাৰ মুছলমান পাৰা গাঁৱত নিশা এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। বিবাহযাত্ৰী কঢ়িওৱা বাছ আৰু মটৰ চাইকেলৰ মুখামুখি সংঘৰ্ষত এজন নিহত হোৱাৰ লগতে আন এজন গুৰুতৰভাৱে আহত হয়। আহত লোকজনক ততাতৈয়াকৈ নিশা চিকিৎসালয়ত ভৰ্তি কৰে। তামাৰহাট থানাৰ তালোৱা গাঁৱৰ নিবাসী আব্দুল ছায়েদে এএছ-১৭কে-৩০৮ নম্বৰৰ মটৰ চাইকেলেৰে নিশা ডি, কে গড়কাপ্টানী পথেৰে একেখন গাঁৱৰ বাসিন্দা নাচিৰ আলীক লগত লৈ ঘৰ অভিমুখে আহি থকা সময়ত বিপৰীত দিশৰ পৰা অহা বাছখনে মুখামুখি খুন্দা মাৰে। বাছৰ খুন্দাত ছায়েদৰ মৃত্যু হোৱাৰ লগতে নাচিৰ নামৰ আনজন গুৰুতৰভাৱে আহত হয়। ইপিনে, দুৰ্ঘটনাগ্ৰস্ত মটৰ চাইকেলখন সম্পূৰ্ণ ৰূপে বিধ্বস্ত হয়। দুৰ্ঘটনা সংঘটিত কৰা বাছখন পলাই যায় যদিও কিছু দূৰত গৈ গাড়ীখন ৰাখি পলাই যায় চালক। বিবাহযাত্ৰী কঢ়িওৱা বাছৰ নম্বৰ আছিল-১৬ -৬৮৭৩। বিবাহযাত্ৰী নমাই তামাৰহাট অভিমুখে যায় আৰু ঘূৰি আহোতে দুৰ্ঘটনাগ্ৰস্ত হয় বাছখন।

# টেঙাখাতৰ জ্যেষ্ঠ কংগ্ৰেছী ৰাজু আহমেদৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**টেঙাখাত, ২২ জুলাই ঃ** নিজ টেঙাখাত নিবাসী জ্যেষ্ঠ কংগ্ৰেছ কৰ্মী তথা সমাজ সেৱক ৰাজু আহমেদৰ বাৰ্ধক্যজনিত ৰোগত যোৱা নিশা নিজা বাসগৃহত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭০ বছৰ। টেঙাখাত সমবায় সমিতিৰ অন্তৰ্গত নিজ টেঙাখাত সুলভ মূল্যৰ দোকানৰ এজেণ্ট আছিল আহমেদ। মৃত্যুৰ সময়লৈকে এজন কংগ্ৰেছ কৰ্মী হিচাপে কংগ্ৰেছ দলৰ হকে কাম কৰি আহিছিল তেওঁ। ৰাজনৈতিক দিশৰ লগতে অঞ্চলটোৰ সামাজিক দিশতো তেওঁ সেৱা আগবঢ়াইছিল। আহমেদৰ মৃত্যুত টেঙাখাত অঞ্চলৰ দল, সংগঠনৰ লগতে ব্যক্তি বিশেষে শোক প্ৰকাশ কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নী, তিনি কন্যা, জোঁৱাই, নাতি-নাতিনীক এৰি যায়।

# ছয়গাঁৱত বিনামূলীয়া চিকিৎসা শিবিৰ

**ছয়গাঁও, ২২ জুলাই ঃ** গ্ৰামীণ ছাহাৰা আৰু গ্ৰামীণ ডেভেলপমেণ্ট এণ্ড ফাইনেন্স প্ৰাইভেট লিমিটেড ছয়গাঁৱৰ উদ্যোগত আৰু বিজয়নগৰস্থিত লাইফ হাস্পতালৰ সহযোগত ছয়গাঁও সমষ্টিৰ মাকেলী গাঁৱত আজি বিনামূলীয়া স্বাস্থ্য পৰীক্ষা আৰু চিকিৎসা শিবিৰৰ আয়োজন কৰা হয়। মাকেলী প্ৰাথমিক বিদ্যালয় প্ৰাংগণত আয়োজন কৰা এই চিকিৎসা শিবিৰত প্ৰায় দুই শতাধিক বিভিন্ন ধৰণৰ ৰোগত আক্ৰান্ত লোকক চিকিৎসা প্ৰদান কৰাৰ লগতে সজাগ হ'বলৈ দিহা-পৰামৰ্শ আগবঢ়ায়। গ্ৰামীণ ছাহাৰাৰ সচিব শৰৎ চন্দ্ৰ দাসৰ লগতে প্ৰকল্প মুৰব্বী অমিয় কুমাৰ দাস, চিকিৎসক ডাঃ ৰৌণক কালা, ডাঃ বিজেতা সিং, ডাঃ অলকেশ মেধি, মৃদুল শৰ্মা, দিনমণি দাস, দিগন্ত কলিতা, অমৰ দাস, তপন দাস, ৰাতুল কলিতা প্ৰমুখ্যে ছয়গাঁৱৰ লাইফ ছাপ'ৰ্ট ডায়েগন'ষ্টিক চেণ্টাৰে সহযোগিতা আগবঢ়ায়। উল্লেখ্য যে এই মাকেলী গাঁৱতে পানী আৰু লেতেৰা পৰিৱেশৰ বাবে ৰোগ হোৱা বুলি লোকে মন্তব্য কৰে।

# সাংবাদিক অনুজ ৰাজখোৱা চিকিৎসাধীন

## শিৱসাগৰৰ পৰা ডিব্ৰুগড়লৈ প্ৰেৰণৰ সিদ্ধান্ত

অগ্ৰদূত বাৰ্তা

**নাজিৰা, ২২ জুলাই ঃ** কনক চন্দ্ৰ শৰ্মা সাংবাদিকতাৰ সেৱা বঁটা বিজয়ী বিশিষ্ট সাংবাদিক তথা 'দৈনিক জনমভূমি' কাকতৰ নাজিৰাৰ নিয়মীয়া সংবাদদাতা অনুজ ৰাজখোৱা দুদিন ধৰি শিৱসাগৰৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে। ২০ জুলাইৰ পুৱা প্ৰায় পাঁচ বজাত সাংবাদিকজনে গেলেকী লাহনগাঁৱৰ নিজা বাসভৱনত শয্যা এৰাৰ সময়তে অসুস্থতা অনুভৱ কৰাত পৰিয়ালৰ সদস্যসকলে ততাতৈয়াকৈ শিৱসাগৰৰ প্ৰগতি চিকিৎসালয়ত উপস্থিত কৰোৱায়। তাতে চিকিৎসকে তেওঁক প্ৰাথমিক চিকিৎসা প্ৰদান কৰি শাৰীৰিক সুস্থতা প্ৰদানৰ চেষ্টা কৰে। সামান্য সুস্থ হৈ উঠা অৱস্থাত ২১ জুলাইৰ সন্ধিয়া পত্নী শেৱালী ৰাজখোৱাই অধিক চিকিৎসাৰ প্ৰয়োজন অনুভৱ কৰি ডিব্ৰুগড় চিকিৎসালয়লৈ লৈ যোৱাৰ সিদ্ধান্ত প্ৰকাশ কৰে। গেলেকী ত্ৰিবেণী হাইস্কুলৰ পৰা ২০১৮ৰ নৱেম্বৰত সহকাৰী শিক্ষকৰূপে অৱসৰৰ পাছত ৰাজখোৱাই নাজিৰা জুনিয়ৰ কলেজৰো সহযোগী অধ্যাপকৰূপে কৰ্ম তৎপৰতা অব্যাহত ৰাখিছে। নাজিৰা প্ৰেছ ক্লাব, নাজিৰা জিলা সাংবাদিক সংস্থা, নাজিৰা মুক্ত সাংবাদিক সন্থা, শিমলুগুৰি প্ৰেছ গীল্ডৰ লগতে নগালেণ্ডৰ ন-চাং ষ্টুডেণ্ট ফেডাৰেছনৰ সদস্যসকলে বন্তি জ্বলাই সাংবাদিকজনৰ আশু আৰোগ্য কামনাৰে প্ৰাৰ্থনা জনোৱাৰ লগতে গেলেকীৰ নামঘৰ আৰু মছজিদতো প্ৰাৰ্থনা জনাই আশু আৰোগ্য কামনা কৰিছে।



*শালবাৰীত বিদ্যুৎস্পৃষ্ট হৈ মৃত্যু মুখত পৰিল এটা বন্যহস্তী, শুকুৰবাৰে।*

# বিশ্বনাথত সুলভ মূল্যৰ দোকানত চোৰে চলালে চাফাই অভিযান

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ২২ জুলাই ঃ** বিশ্বনাথৰ গড়েহাগী গাঁৱৰ সুলভ মূল্যৰ দোকানত সংঘটিত হ'ল চুৰিকাণ্ড। চোৰে নিশা সুলভ মূল্যৰ দোকানৰ তলা কাটি লৈ গ'ল বৃহৎ পৰিমাণৰ চাউল আৰু ডিজিটেল পাল্লা। বিশ্বনাথৰ গড়েহাগীৰ জগতপুৰৰ উমেশ কলিতাৰ সুলভ মূল্যৰ দোকানত এই চুৰিকাণ্ড সংঘটিত হৈছে। আজি পুৱা দোকানৰ স্বত্বাধিকাৰী উমেশ কলিতাই নিজৰ সুলভ মূল্যৰ দোকান খুলিবলৈ আহি দেখা পায় যে দোকানৰ তলা কটা আছে। পাছত দোকানৰ ভিতৰত প্ৰৱেশ কৰি দেখে যে দোকানখনত মজুত ৰখা বৃহৎ পৰিমাণৰ চাউল আৰু জোখ-মাপ কৰা ডিজিটেল পাল্লাখনো চোৰে নিশা চুৰি কৰি লৈ যায়। ইতিমধ্যে সুলভ মূল্যৰ দোকানী উমেশ কলিতাই এই সন্দৰ্ভত জিলা খাদ্য যোগান আৰু অসামৰিক বিভাগৰ লগতে বিশ্বনাথ চাৰিআলি আৰক্ষীকো অভিযোগ দাখিল কৰিছে। এই অভিযোগৰ ভিত্তিত বিশ্বনাথ সদৰ থানাৰ আৰক্ষীৰ দল উপস্থিত হৈ প্ৰাথমিক তদন্তত কাষৰে হাবিৰ পৰা দুই বস্তা চাউল উদ্ধাৰ কৰিবলৈ সক্ষম হয়। ইফালে, কিছুদিন ধৰি বিশ্বনাথ জিলাৰ বিভিন্ন স্থানত চোৰে উপদ্ৰৱ চলাই আহিছে যদিও এতিয়া পৰ্যন্ত আৰক্ষীয়ে এই চুৰি কাৰ্যত জড়িত লোকসকলক নাকী লগোৱাৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিবলৈ সক্ষম হোৱা নাই।

# ছোনিয়া গান্ধীক ইডিৰ জেৰাৰ বিৰুদ্ধে হোজাইত কংগ্ৰেছৰ তীব্ৰ প্ৰতিবাদ

অগ্ৰদূত বাৰ্তা

**লংকা, ২২ জুলাই ঃ** আজি হোজাই উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত ইডিৰ কাৰ্যালয়ত কংগ্ৰেছৰ সভানেত্ৰী ছোনিয়া গান্ধীক তলব কৰাৰ বিৰুদ্ধে ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লগতে হোজাই জিলাতো একাংশ কংগ্ৰেছ কৰ্মীয়ে প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য যে ইয়াৰ পূৰ্বেও ছোনিয়া গান্ধীক ইডিয়ে চমন জাৰি কৰিছিল যদিও তেওঁ ক'ভিডত আক্ৰান্ত হোৱাৰ বাবে উপস্থিত হ'ব পৰা নাছিল। ইফালে, বৃহস্পতিবাৰে কাৰ্যালয়ত উপস্থিত হোৱাৰ পাছতে কংগ্ৰেছী নেত্ৰীগৰাকীক মাৰাথন জেৰা চলায় ইডিয়ে। কংগ্ৰেছ নেত্ৰীগৰাকীক ইডি কাৰ্যালয়ত উপস্থিত হোৱাৰ বাবে দিয়া নিৰ্দেশৰ বিৰোধিতাৰে দেশৰ বিভিন্ন স্থানৰ লগতে অসমতো প্ৰতিবাদ সাব্যস্ত কৰে কংগ্ৰেছে।

সমান্তৰালকৈ হোজাই জিলা শংকৰদেৱ নগৰত একাংশ কংগ্ৰেছ কৰ্মীয়ে সাব্যস্ত কৰে প্ৰতিবাদ। ৰাজ্যৰ বিভিন্ন জিলাৰ লগতে হোজাই উপায়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত শুকুৰবাৰৰ দিনটোত জিলা কংগ্ৰেছে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। কংগ্ৰেছ নেত্ৰী গান্ধীক জেৰা কৰাৰ বিৰুদ্ধে বিভিন্ন প্ৰতিবাদী শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰি তোলে কংগ্ৰেছ কৰ্মীসকলে।

বিজেপি চৰকাৰক অপশাসন বন্ধ কৰিবলৈ হুংকাৰ দি বিৰোধী দল, জনগণৰ ওপৰত নিৰ্যাতন নকৰিবলৈ সকীয়নি প্ৰদান কৰে কংগ্ৰেছ কৰ্মীসকলে। এই প্ৰতিবাদী কাৰ্যসূচীত জিলা কংগ্ৰেছ, মহিলা কংগ্ৰেছ, এন এছ ইউ আই আদি কংগ্ৰেছৰ সকলো সংগঠনে সহযোগিতা আগবঢ়ায়। ধৰ্ণাৰ অন্তত প্ৰতিবাদকাৰী কংগ্ৰেছ কৰ্মীসকলে অতিৰিক্ত উপায়ুক্তৰ জৰিয়তে ৰাষ্ট্ৰপতিলৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে।

# ৰঙাপৰাৰত বাগিচা সমস্যা সমাধানৰ দাবীত অখিল ভাৰতীয় চাহ মজদুৰ সংঘৰ প্ৰতিবাদ

বিশেষ সংবাদদাতা

**ৰঙাপৰা, ২২ জুলাই ঃ** ৰঙাপৰাৰ কছাৰীগাঁও চাহ বাগিচাত আজি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰিলে অখিল ভাৰতীয় চাহ মজদুৰ সংঘই। চাহ বাগিচাৰ শ্ৰমিক ৰাইজৰ বিভিন্ন সমস্যাৰ সমাধানৰ দাবীত কাৰ্যালয়ৰ সন্মুখত অখিল ভাৰতীয় চাহ মজদুৰ সংঘই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। পুৱা আঠ বজাত অখিল ভাৰতীয় চাহ মজদুৰ সংঘৰ সদস্য-সদস্যা তথা চাহ শ্ৰমিকসকলে হাতে হাতে ৰঙা পতাকা লৈ 'পুৰণা আৱাস গৃহ মেৰামতি কৰা আৰু আৱাস গৃহ নথকা স্থায়ী শ্ৰমিকক ঘৰ নিৰ্মাণৰ ব্যৱস্থা কৰক, ২০২০ বৰ্ষৰ কম্বল আদায় দিয়ক, চিকিৎসালয়ত শৌচাগাৰ-গা ধোৱা ঘৰ নতুনকৈ নিৰ্মাণ কৰক, স্থায়ী-অস্থায়ী সকলো শ্ৰমিকক চাহপাত দিয়াৰ ব্যৱস্থা কৰক, বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা কৰক, নিৰিখৰ নামত শ্ৰমিকৰ মজুৰি কৰ্তন বন্ধ কৰক, কলঘৰ-ঔষধ দিয়া-গাড়ীৰ শ্ৰমিকক সুৰক্ষা প্ৰদান কৰক, চুক্তি মতে অতিৰিক্ত ৭.৫০ টকা আদায় দিয়ক, চিকিৎসালয়ত ৰোগীৰ খাদ্য সুৰক্ষিতভাৱে ৰখাৰ ব্যৱস্থা কৰক, অৱসৰৰ উপযুক্ত সময়ত কৰ্মচাৰীক অৱসৰ দি নতুন নিযুক্তিৰ ব্যৱস্থা কৰক, সকলো চৰ্দাৰ-চকীদাৰ-গাড়ীৰ চালকক মাহিলি দৰমহাৰ ব্যৱস্থা কৰক, প্ৰত্যেক শ্ৰমিক লাইনতে কুঁৱাৰ ওচৰত উমৈহতীয়া গা ধোৱা ঘৰৰ ব্যৱস্থা কৰক, ইনক্লাব জিন্দাবাদ' আদি শ্ল'গানেৰে পৰিৱেশ মুখৰিত কৰি তোলে। ইফালে, প্ৰতিবাদস্থলীত চাহ বাগিচাখনৰ জ্যেষ্ঠ পৰিচালক অম্লান সিং উপস্থিত হোৱাত অখিল ভাৰতীয় চাহ মজদুৰ সংঘৰ কছাৰীগাঁও চাহ বাগিচা কমিটীৰ সভাপতি বিনোদ তাঁতী আৰু সম্পাদক দিলীপ তাঁতীয়ে ১১ দফীয়া দাবী সম্বলিত এখন স্মাৰকপত্ৰ অৰ্পণ কৰে। পত্ৰখন গ্ৰহণ কৰি পৰিচালকজনে চাহ শ্ৰমিক ৰাইজৰ সমস্যাসমূহ সমাধান কৰাৰ আশ্বাস প্ৰদান কৰে।

# সৃজনী সংগীত মহাবিদ্যালয়ৰ বিশেষ কৰ্মশালাৰ সামৰণি

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ২২ জুলাই ঃ** তেজপুৰৰ সৃজনী সংগীত মহাবিদ্যালয়ে গ্ৰীষ্মকালীন বন্ধৰ লগত সংগতি ৰাখি যোৱা আঠ জুলাইৰ পৰা মাজগাঁও জাতীয় ছহিদ বাকৰিৰ বিহু মঞ্চত খোলবাদন, জ্যোতি সংগীত, বিষ্ণু প্ৰসাদ ৰাভাৰ গীত আৰু ভূপেন্দ্ৰ সংগীতৰ আধাৰত যি নৃত্য কৰ্মশালাৰ আয়োজন কৰিছিল, সেই কৰ্মশালাৰ কালি দৃষ্টিনন্দন অনুষ্ঠানেৰে সামৰণি পৰে। উল্লেখ্য যে সৃজনী সংগীত মহাবিদ্যালয়ৰ অধ্যক্ষা, দক্ষ নৃত্যশিল্পী মিতালী দত্ত বৰঠাকুৰৰ বিশেষ তৎপৰতাত সৰ্বমুঠ ৪৫ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা এই কৰ্মশালাৰ সামৰণি অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰে সাংস্কৃতিক অনুষ্ঠান উন্নয়ন বিষয়া তথা জ্যোতি ভাৰতীৰ ভাৰপ্ৰাপ্ত বিষয়া জিতেন কুমাৰ দাসৰ লগতে বিশিষ্ট সত্ৰীয়া শিল্পী তথা ৰূপকোঁৱৰ সংগীত মহাবিদ্যালয়ৰ অধ্যক্ষ দুলাল চন্দ্ৰ দত্ত, অসম নাট্য সন্মিলনৰ তেজপুৰ শাখাৰ সভাপতি বীৰেন্দ্ৰ কুমাৰ বৰাই। এই কৰ্মশালাত প্ৰশিক্ষকৰূপে আছিল ক্ৰমে লিজা শইকীয়া, দিবিশা বৰা আৰু শিল্পা বৰা। সামৰণি অনুষ্ঠানৰ কেতবোৰ দৃষ্টিনন্দন আৰু মনোৰম অনুষ্ঠানে সকলোকে মুগ্ধ কৰে।

# লোকসেৱা আয়োগৰ পৰীক্ষাৰ প্ৰস্তুতি-কৰ্ম সংস্থাপন সম্পৰ্কে সজাগতা সভা

**ছয়গাঁও, ২২ জুলাই ঃ** দক্ষিণ কামৰূপৰ অন্যতম আগশাৰীৰ শিক্ষানুষ্ঠান ছয়গাঁও মহাবিদ্যালয়ৰ চম্পকজ্যোতি প্ৰেক্ষাগৃহত আজি ছয়গাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত আৰু ছয়গাঁও মহাবিদ্যালয়ৰ সহযোগত এখন সজাগতা সভাৰ আয়োজন কৰা হয়। লোকসেৱা আয়োগৰ পৰীক্ষাৰ প্ৰস্তুতি তথা কৰ্ম সংস্থাপন সম্পৰ্কে আয়োজন কৰা এই সজাগতা সভাত মুখ্য অতিথিৰূপে উপস্থিত আছিল কামৰূপ জিলাৰ আৰক্ষী অধীক্ষক হিতেশ চন্দ্ৰ ৰায়। ছয়গাঁৱৰ সংলগ্ন চক্ৰ বিষয়া অম্বৰীশ বৰা, সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্যালয় সম্পাদক নিৰোদ কুমাৰ দাস উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক দিহা-পৰামৰ্শ দিয়ে। সভাত ছয়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৰ কুমাৰ কলিতা, পৰিচালনা সমিতিৰ সভাপতি তথা অৱসৰপ্ৰাপ্ত অধ্যাপক ড° নগেন কলিতা, শৈক্ষিক বিষয়া কমল ঠাকুৰীয়া, আভ্যন্তৰীণ মান প্ৰত্যয়ন কোষৰ সমন্বয়ক ড° বনমালী নাথ, দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক যোগেন্দ্ৰ কুমাৰ দাস, বুৰঞ্জী বিভাগৰ অধ্যাপক অৰূপ কুমাৰ মেধি প্ৰমুখ্যে ভালেমান বিশিষ্ট ব্যক্তি উপস্থিত থাকি নৱ প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীসকলক দিহা-পৰামৰ্শ আগবঢ়ায়। দক্ষিণ কামৰূপৰ বকো, ছয়গাঁও, পলাশবাৰী সমষ্টিৰ ভালেমান ছাত্ৰ-ছাত্ৰীয়ে এই সজাগতা সভাত অংশগ্ৰহণ কৰে। সভাত ছয়গাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি সোণমইনা শালৈ, সম্পাদক দীপজ্যোতি দাস, উপদেষ্টা ভৱেশ দাস, নুৰ ইছলাম, উপম দাস আদিয়ে সজাগতা সভাখন পৰিচালনা কৰা বাবে উপস্থিত অতিথিসকলে ধন্যবাদ জ্ঞাপন কৰে।

# বদতি জামুগুৰিত সাহিত্য সভাৰ জনজাগৰণ সভা

অগ্ৰদূত বাৰ্তা

**বিহপুৰীয়া, ২২ জুলাই ঃ** অসম সাহিত্য সভাৰ ষষ্ঠ সপ্ততিতম পূৰ্ণাংগ নাৰায়ণপুৰ অধিৱেশন উপলক্ষে বদতি জামুগুৰি নাট্য সমাজৰ প্ৰেক্ষাগৃহত আজি বিয়লি এখন জনসাধাৰণ সভা অনুষ্ঠিত হয়। দক্ষিণ বিহপুৰীয়া কল্যাণকামী শাখা সাহিত্য সভাৰ উদ্যোগত অনুষ্ঠিত এই জনজাগৰণ সভাখনত সভাপতিত্ব কৰে শাখা সাহিত্য সভাৰ সভাপতি মনোৰঞ্জন শৰ্মাই। শাখাৰ সম্পাদক বগীৰাম বৰাই উদ্দেশ্য ব্যাখ্যা কৰা জনজাগৰণ সভাখনত আদৰণি ভাষণ প্ৰদান কৰে অসম সাহিত্য সভাৰ ষষ্ঠতিতম্ পূৰ্ণাংগ নাৰায়ণপুৰ অধিৱেশন উদ্‌যাপন সমিতিৰ উপ-সভাপতি প্ৰবীণ শইকীয়াই। অধিৱেশনখনৰ উদ্‌যাপন সমিতিৰ সাধাৰণ সম্পাদক মাখন তামুলী, কৰ্ণধাৰ সদস্য মুকুল হাজৰিকা আৰু কুমুদ শইকীয়াইও সভাত ভাষণ প্ৰদান কৰি অধিৱেশনখন সাফল্যমণ্ডিত কৰাৰ ক্ষেত্ৰত ৰাইজৰ সহায়-সহযোগিতা কামনা কৰে। কল্যাণকামী শাখা সাহিত্য সভাৰ বিষয়ববীয়া, বদতি জামুগুৰি নাট্য সমাজ, জ্যোতিৰ্ময় সংঘ, বিশ্বজ্যোতি মইনা পাৰিজাতৰ বিষয়ববীয়া আৰু সদস্যবৃন্দসহ বদতি জামুগুৰি, খকন্দগুৰি, জাপজুপ, কেন্দুগুৰি, খোলাগুৰি, দহঘৰীয়া, বদতি আদিৰ পৰা অহা ৰাইজৰ উপস্থিতিত অনুষ্ঠিত এই জনজাগৰণ সভাখনত বদতি জামুগুৰি গাঁও পঞ্চায়তৰ সভাপতি ভৱেন হাজৰিকা, কল্যাণকামী শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি দীননাথ বৰা, দুলাল চন্দ্ৰ বৰা, বদতি জামুগুৰি নাট্য সমাজৰ প্ৰাক্তন সভাপতি যুগল চন্দ্ৰ কলিতা, প্ৰাক্তন সম্পাদক গোলাপ বৰুৱা, বৰ্তমানৰ উপ-সভাপতি অৰুণ শইকীয়া, বিহপুৰীয়া চন্দেশ্বৰ বৰুৱা, জাতীয় বিদ্যালয়ৰ অধ্যক্ষ যাদৱ বৰুৱা আদিয়ে অংশ লয়।

আপকুৰ তিনিচুকীয়া জিলা সমিতিৰ তৃতীয় দ্বি-বাৰ্ষিক অধিৱেশন সম্পন্ন

# আপকুৱে সমন্বয় স্থাপন কৰিছে ঃ সুৰজিত

অগ্ৰদূত বাৰ্তা

**ডুমডুমা, ২২ জুলাই ঃ** আজি আসাম প্ৰেছ কৰেছপ'ণ্ডেণ্টছ ইউনিয়ন, চমুকৈ আপকুৰ তিনিচুকীয়া জিলা সমিতিৰ তৃতীয় দ্বি-বাৰ্ষিক অধিৱেশন তিনিচুকীয়াৰ উন্নয়ন প্ৰাধিকৰণ প্ৰেক্ষাগৃহত সম্পন্ন হয়। পুৱা পতাকা উত্তোলন আৰু স্মৃতি তৰ্পণ ক্ৰমে আপকুৰ জিলা সমিতিৰ সভাপতি আৰু সম্পাদক ক্ৰমে মনোৰঞ্জন নেওগ আৰু সুৰজিৎ বড়াই কৰে। গছপুলি ৰোপণৰ কাৰ্যসূচী আৰম্ভ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক হীৰা ফুকনে কৰে। আপকুৰ জিলা সভাপতি মনোৰঞ্জন নেওগৰ সভাপতিত্বত অনুষ্ঠিত প্ৰতিনিধি আৰু বিষয়বাছনি সভাখন বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰে আপকুৰ জিলা সমিতিৰ উপদেষ্টা পল্লৱ শৰ্মাই। সভাখন উদ্বোধন কৰে জিলা সমিতিৰ মুখ্য উপদেষ্টা ৰবীন মৰাণে। প্ৰতিনিধি সভাত অংশগ্ৰহণ কৰে আপকুৰ কেন্দ্ৰীয় মুখ্য উপদেষ্টা মনোজ সিং, সভাপতি আব্দুল খালেক আৰু সম্পাদক প্ৰধান শৰৎ শেনচোৱাই। কেন্দ্ৰীয় সাংগঠনিক সম্পাদক হীৰা ফুকন পৰ্যৱেক্ষকৰূপে উপস্থিত থকা বিষয়বাছনি সভাত পৰৱৰ্তী দুটা বছৰৰ বাবে পল্লৱ শৰ্মাক সভাপতি, কংকণজ্যোতি গোস্বামীক কাৰ্যকৰী সভাপতি, সুজিৎ হাতীবৰুৱাক উপসভাপতি আৰু সোণাৰাম কলিতাক সম্পাদক হিচাপে লৈ নতুন সমিতি গঠন কৰা হয়। ইপিনে, মনোৰঞ্জন নেওগৰ



পৌৰোহিত্যত অনুষ্ঠিত মুকলি সভাখন উদ্বোধন কৰে তিনিচুকীয়া জিলা জনসংযোগ বিষয়া মামুন বৰকটকীয়ে। আপকুৰ জিলা সমিতিৰ কাৰ্যকৰী সভাপতি বিনন্দ কোঁৱৰে আদৰণি ভাষণ দিয়া সভাত আপকুৰ কেন্দ্ৰীয় মুখ্য উপদেষ্টা মনোজ সিঙে নিৰ্দিষ্ট বক্তাৰ ভাষণ আগবঢ়ায়। সভাত তিনিচুকীয়াৰ উপায়ুক্ত নৰসিং পাৱাৰে জিলা সমিতিয়ে প্ৰকাশ কৰি উলিওৱা মুখপত্ৰ 'জ্যোতিষ্মান' উন্মোচন কৰি এক বলিষ্ঠ বক্তব্য আগবঢ়ায়। তেওঁ সাংবাদিকসকলৰ সহযোগিতাক শলাগ লয়। সাংবাদিকসকলে সহযোগিতা কৰিলে ৰাইজৰ সমস্যা সমাধান কৰিবলৈ সুবিধা হয় বুলি উপায়ুক্তগৰাকীয়ে উল্লেখ কৰে। সভাত বিশিষ্ট অতিথিৰূপে তিনিচুকীয়াৰ উপ-আৰক্ষী অধীক্ষক হিৰণ্য বৰাই বক্তব্য আগবঢ়োৱাৰ বিপৰীতে আমন্ত্ৰিত অতিথিৰূপে বক্তব্য আগবঢ়ায় আপকুৰ কেন্দ্ৰীয় সম্পাদকপ্ৰধান শৰৎ শেনচোৱা, আছুৰ কেন্দ্ৰীয় উপ-সভাপতি বিনয় ডুবে, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ যুটীয়া সম্পাদক সুৰজিৎ মৰাণ আৰু জাৰ্ণেলিষ্ট ইউনিয়ন অৱ আসামৰ তিনিচুকীয়া জিলা সমিতিৰ সাধাৰণ সম্পাদক মনোৰঞ্জন মৰাণে। সভাত প্ৰতিগৰাকী বক্তাৰ লগতে সুৰজিৎ মৰাণে 'আপকু'-এ সমন্বয়-সম্প্ৰীতি প্ৰতিষ্ঠা কৰিলে বুলিও মন্তব্য কৰে। সভাত তিনিচুকীয়াৰ তিনিগৰাকী জ্যেষ্ঠ সাংবাদিক ক্ৰমে ৰঞ্জিত দত্ত, চিন্ময় শৰ্মা আৰু পল্লৱ শৰ্মাৰ উপৰি ক্ৰীড়া সংগঠক তথা যুৱ ব্যৱসায়ী ললিত গগৈ আৰু উদ্যোগী যুৱক লালন মৰাণক সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধিত ব্যক্তি ৰঞ্জিত দত্ত আৰু চিন্ময় শৰ্মাই প্ৰাসংগিক বক্তব্য আগবঢ়ায়। কাৰ্যাসূচীৰ মাজে-মাজে ফিল'বাৰীৰ পৰা আমন্ত্ৰিত 'ৰংগতীৰ্থ' নামৰ সাংস্কৃতিক গোষ্ঠীয়ে সাংস্কৃতিক কাৰ্যসূচী পৰিৱেশন কৰে।






# তিমিৰাচ্ছন্ন সৰুসজাই ঃ অসম যুৱ অলিম্পিক আৰম্ভ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী ২২ জুলাই ঃ** অসম অলিম্পিক সন্থাই প্ৰথমবাৰৰ বাবে আয়োজন কৰা অসম যুৱ অলিম্পিক ২০২২ আজিৰে পৰা গুৱাহাটীত আৰম্ভ হৈছে। আজি সৰুসজাই ষ্টেডিয়ামত নৃত্য-গীতৰ মাজেৰে প্ৰতিযোগিতাখন মুকলি কৰা হয়। এই অনুষ্ঠানত উপস্থিত থাকে মন্ত্ৰী অশোক সিংহাল, ৰনজিত দাস, বিধায়ক দিগন্ত কলিতা, নৰ দলে আদি। আনহাতে, অৰ্জুন বঁটা বিজয়ী মনালিছা বৰুৱা, কমলেশ মেহতাৰ লগতে তৈবুনিচ্চা, মডালাছা বৰুৱা আদিয়েও অংশ লয়। অলিম্পিক শিখা দৌৰ আনুষ্ঠানিকভাবে ষ্টেডিয়ামত প্ৰজ্বলন কৰে অংকুশিতা বড়ো আৰু অম্লান বৰগোঁহাইয়ে। অনুষ্ঠানত ৰাজ্যৰ কেবাজনো জনপ্ৰিয় শিল্পীয়ে নিজৰ অনুষ্ঠান পৰিৱেশন কৰে। অংশগ্ৰহণকাৰী জিলাৰ খেলুৱৈৰ অভিবাদন গ্ৰহণ কৰে বিশিষ্ট অতিথিসকলে। কিন্তু সৰুসজাই ষ্টেডিয়ামৰ ফ্লাড লাইট বন্ধ হৈ থকাত সমগ্ৰ অনুষ্ঠানতো অন্ধকাৰৰ মাজতে সমাপন হয়। উল্লেখ্য যে ৰাজ্যৰ যুৱ খেলুৱৈসকলক এখন মঞ্চ দিয়াৰ উদ্দেশ্যে তথা নতুন প্ৰতিভা নিৰ্বাচন কৰি ৰাজ্যৰ ক্ৰীড়াক্ষেত্ৰক তৃণমুলৰ পৰা সুদৃঢ় কৰাৰ লক্ষ্যৰে অসম অলিম্পিক সন্থাই প্ৰথমবাৰৰ বাবে আয়োজন কৰিছে অসম যুৱ অলিম্পিক। প্ৰতিযোগিতাখনত অসমৰ ৩৫ খন জিলাৰ খেলুৱৈয়ে ৩২ টা ইভেন্টত পদকৰ বাবে খেলিব। প্ৰতিযোগিতাখনত ইতিমধ্যে ৪১১৭ গৰাকী খেলুৱৈ, ৭১১ জন অফিচিয়েল আৰু ৬৫৪ জন টেকনিকেল অফিচিয়েলে যোগদান কৰাতো নিশ্চিত হৈছে। উল্লেখ্য যে গুৱাহাটীৰ মুঠ ১০ টাকৈ ভেন্যুত অনুষ্ঠিত হ'ব এই অসম যুৱ অলিম্পিক । ইয়াৰ ভিতৰত আছে পল্টন বজাৰৰ ছাইকেন্দ্ৰ, দেশভক্ত তৰুণৰাম ফুকন ইনড'ৰ ষ্টেডিয়াম, সৰুসজাই এথলেটিকছ ষ্টেডিয়াম, এন এফ ৰেলৱেৰ মালিগাঁও ইনড'ৰ ষ্টেডিয়াম, মহম্মদ তৈয়বুল্লা হকী ষ্টেডিয়াম, সোণাপুৰৰ এল এন আই পি ই ক্ৰীড়া প্ৰকল্প, কাহিলীপাৰা শ্বুটিং ৰেঞ্জ, চচল টেনিছ কৰ্ট, ভোগশ্বৰী ফুকননী ইনড'ৰ ষ্টেডিয়াম আৰু দীঘলী পুখুৰী। প্ৰতিযোগিতাখন সামৰণি পৰিব অহা ২৭ জুলাইত। ইফালে, খেল আৰম্ভ হোৱাৰ পূৰ্বে দীঘলী পুখুৰীত আজি এক অপ্ৰত্যাসিত ঘটনা সংঘটিত হয়। নৌকা চালনাৰ বাবে অনা নাওঁ মেৰামতি কৰি থকা সময়তে কোনো অচিনাক্ত লোকে ক্ষতিসাধন কৰে বুলি আয়োজকে জনাইছে। ইতিমধ্যে এই ঘটনাক লৈ পান বজাৰ থানাত গোচৰ ৰুজু হৈছে আৰু তদন্ত অব্যাহত ৰাখিছে আৰক্ষীয়ে।



### ল'ৰা-ছোৱালীৰ ফুটবল আৰম্ভ

## হকীৰ ছেমিত তিনিচুকীয়া-ডিব্ৰুগড়, গুৱাহাটী-নগাঁও



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী ২২ জুলাই ঃ** অসম অলিম্পিক সন্থাই প্ৰথমবাৰৰ বাবে আয়োজন কৰা অসম যুৱ অলিম্পিক ২০২২ আজিৰে পৰা গুৱাহাটীত আৰম্ভ হৈছে। আজি ভেটাপাৰাত হকী ষ্টেডিয়ামত অনুষ্ঠিত হয় মহিলা হকীৰ চাৰিখন খেল। গুৱাহাটীয়ে তেজপুৰক ২-০ গ'লত, তিনিচুকীয়াই হোজাইক ১-০ গ'লত, নগাঁও দলে হাইলাকান্দিক ১৪-০ গ'লত আৰু ডিব্ৰুগড়ে মৰিগাঁৱক ১১-০ গ'লত পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰিছে। কাইলৈ ছেমিফাইনেলত তিনিচুকীয়াই ডিব্ৰুগড়ৰ বিৰুদ্ধে আৰু গুৱাহাটীয়ে নগাঁৱৰ বিৰুদ্ধে খেলিব। ইফালে, মহিলা ফুটবলত আজি কামৰূপে চৰাইদেউক ২-১ গ'লত, নগাঁও দলে নাজিৰাক ২-০ গ'লত আৰু ডিব্ৰুগড়ে কোকৰাঝাৰ দলক ৫-২ গ'লত হৰুৱায়। ল'ৰাৰ ফুটবলত নাজিৰাই টাইব্ৰেকাৰত ৪-১ গ'লত পৰাস্ত কৰে গোলাঘাটক।

### এছিয়া কাপ ডুবাইত ঃ ভাৰত-অষ্ট্ৰেলিয়া শৃংখলাৰ সূচী প্ৰকাশ

## গুৱাহাটীত ভাৰত-দক্ষিণ আফ্ৰিকাৰ টি-২০

**গুৱাহাটী, ২২ জুলাই ঃ** দীৰ্ঘ বিৰতিৰ পাছত গুৱাহাটীত অনুষ্ঠিত হ'ব এখন আন্তৰ্জাতিক ক্ৰিকেট মেচ। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে দক্ষিণ আফ্ৰিকা আৰু ভাৰতৰ মাজত হ'ব লগা তিনিখন এদিনীয়া আৰু তিনিখন টি-২০ মেচৰ শৃংখলাৰ সূচী ঘোষণা কৰিছে। সেই অনুসৰি তিনিখনীয়া টি-২০ শৃংখলাৰ দ্বিতীয়খন মেচ গুৱাহাটীত অনুষ্ঠিত হ'ব। অসম ক্ৰিকেট সন্থাৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অহা পহিলা অক্টোবৰত দক্ষিণ আফ্ৰিকা আৰু ভাৰতৰ মাজত হ'ব তিনিখনীয়া টি-২০ শৃংখলাৰ দ্বিতীয়খন মেচ। শৃংখলাৰ প্ৰথম মেচ ২৮ ছেপ্টেম্বৰত ট্ৰিবান্দমত আৰু তৃতীয় টি-২০ খন তিনি অক্টোবৰত ইন্দোৰত হ'ব। ইফালে, তিনিখনীয়া টি-২০ শৃংখলাৰ পাছত দক্ষিণ আফ্ৰিকা আৰু ভাৰতৰ মাজত অনুষ্ঠিত হ'ব তিনিখনীয়া এদিনীয়া শংখলা। ছয় অক্টোবৰত ৰাঁছিত প্ৰথম মেচ হোৱাৰ পাছত লক্ষ্ণৌত দ্বিতীয় এদিনীয়াখন ন অক্টোবৰত অনুষ্ঠিত হ'ব। আনহাতে, ১১ অক্টোবৰত নতুন দিল্লীত তৃতীয় তথা অন্তিম এদিনীয়া মেচখন হ'ব। দক্ষিণ আফ্ৰিকা আৰু ভাৰতৰ মাজৰ তিনিখনীয়া টি-২০ শৃংখলাৰ পূৰ্বে টীম ইণ্ডিয়াই তিনিখন টি-২০ মেচ খেলিব অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে। ২০ ছেপ্টেম্বৰত ম'হালীত প্ৰথম মেচ, ২৩ ছেপ্টেম্বৰত নাগপুৰত দ্বিতীয় মেচ আৰু ২৫ ছেপ্টেম্বৰত হায়দৰাবাদত তৃতীয় মেচখন হ'ব। ইফালে, এছিয়া কাপ শ্ৰীলংকাৰ পৰিবৰ্তে ডুবাইত হ'ব বুলি ব্যক্ত কৰিছে বি চি চি আইৰ সভাপতি সৌৰভ গাংগুলীয়ে।



## যুৱ অলিম্পিকৰ যোৰহাট জিলাৰ সাঁতোৰ দল ঘোষণা


**যোৰহাট, ২২ জুলাই ঃ** অসম যুৱ অলিম্পিকৰ সাঁতোৰ প্ৰতিযোগিতাৰ বাবে যোৰহাট ছুইমিং ছছাইটিৰ জিলা দলটো ঘোষণা কৰা হৈছে । ল'ৰাৰ শাখাত ইলিয়াছ আহমেদ,দিশান্ত বুঢ়াগোহাই,কৃষাণু চাইলো তাতী,সংস্কাৰ ভূঞা,মৌচাক গুণগুণ বৰা ,দেবাৰুণ দত্ত,তীৰ্থাংক পেগু,অংশুমান কাশ্যপ,আৰ্যমান দত্ত,জ্ঞানসন্ধান কাশ্যপ আৰু বিক্ৰম চাইমাই এই ৰৰ জন খেলুৱৈক বাছনি কৰা হৈছে । আনহাতে, ছোৱালীৰ শাখাত অনুযুয়া বৰা ,মৃগাক্ষী শৰ্মা,অবিস্মিতা হাতীবৰুৱা ,অস্ৰিতা গোস্বামী ,মনালী মিশ্ৰ, প্ৰাপ্তি চলিহা,আৰ্হি গোস্বামী ,অৰিষ্টা শইকীয়া ,দৰ্শিতা বৰুৱা, কৃষণালী দলে ,আস্থা বৰদলৈ,অংশ্ৰুতা হাজৰিকা,শুভ্ৰাংয়িনী প্ৰিয়দৰ্শিনীক বাচনি কৰা হৈছে । ২৫ জনীয়া দলটোৰ প্ৰশিক্ষক আৰু মেনেজাৰ হিচাপে থাকিব প্ৰশান্ত হাজৰিকা ,লিটুপাল আৰু কল্যাণ কিশোৰ কাশ্যপ । ছছাইটিৰ মুখ্য প্ৰশিক্ষক হৰেকৃষ্ণ গগৈ প্ৰতিযোগিতালৈ টেকনিকেল বিষয়া হিচাপে যাব।




ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে খেলা প্ৰথম এদিনীয়াত ভাৰতৰ শিখৰ ধৱন

### বিশ্ব এথলেটিকছ চেম্পিয়নশ্বিপ


## ফাইনেলত অলিম্পিক স্বৰ্ণজয়ী নীৰজ




**নতুন দিল্লী, ২২ জুলাই ঃ** টকিঅ' অলিম্পিকত স্বৰ্ণ জয়েৰে ভাৰতবাসীৰ প্ৰত্যাশাৰ নায়ক হৈ পৰা নীৰজ চোপ্ৰাই পুনৰ এবাৰ কোটি কোটি ভাৰতীয়ক গৌৰৱান্বিত কৰি তোলাৰ পথত আগবাঢ়িছে। অৰেগনত অনুষ্ঠিত বিশ্ব এথলেটিকছ চেম্পিয়নশ্বিপৰ কোৱালিফায়িং ৰাউণ্ডত প্ৰথম প্ৰচেষ্টাতে ৮৮.৩৯ মিটাৰ থ্ৰ' কৰি গ্ৰুপত প্ৰথম স্থান অধিকাৰ কৰাৰ লগতে ফাইনেলত প্ৰৱেশ কৰে নীৰজ। উল্লেখ্য যে তাৰকা জেভেলিন খেলুৱৈ নীৰজে টকিঅ' অলিম্পিকতো কোৱালিফাই ৰাউণ্ডত মাত্ৰ এটা থ্ৰ'তে ফাইনেললৈ যোগ্যতা অৰ্জন কৰিছিল। তাৰ পিছতে নীৰজে সৃষ্টি কৰিছিল ইতিহাস। অলিম্পিকৰ ট্ৰেক এণ্ড ফিল্ডত স্বৰ্ণ অৰ্জন কৰা প্ৰথম ভাৰতীয় তথা অলিম্পিকৰ ইতিহাসত স্বৰ্ণ জয়ী দ্বিতীয়গৰাকী ভাৰতীয় হোৱাৰ গৌৰৱ লাভ কৰে নীৰজে। উল্লেখ্য যে বিশ্ব এথলেটিকছ চেম্পিয়নশ্বিপৰ ইতিহাসত ভাৰতৰ সৰ্বকালৰ পদক তালিকাত মাত্ৰ এটা পদকেই আছে। ২০০৩ ত অঞ্জু ববি জৰ্জে মহিলাৰ লং জাম্পত জয় কৰা ব্ৰঞ্জ পদকেই বিশ্ব এথলেটিকছ চেম্পিয়নশ্বিপত ভাৰতৰ একমাত্ৰ পদক। এইবাৰ নীৰজে প্ৰতিযোগিতাখনত ভাৰতৰ এই পদকৰ অপেক্ষা অন্ত পেলাব বুলি আশা কৰিছে কোটি কোটি ভাৰতীয়ই। প্ৰতিগৰাকী ভাৰতীয়ৰ আশা বিশ্ব ক্ৰীড়াৰ মানচিত্ৰত আকৌ এবাৰ গৌৰৱেৰে উৰি উঠক ত্ৰিৰংগ পতাকা।

### ডেৰ শতাধিক খেলুৱৈৰ অংশগ্ৰহণ

## ৰাজ্যিক পাঞ্জা চেম্পিয়নশ্বিপ আৰম্ভ



**বিশেষ সংবাদদাতা**

**নগাঁও,২২ জুলাই ঃ** অসম আৰ্ম ৰেষ্টলিং এচোছিয়েশ্যনৰ উদ্যোগত আৰু নগাঁও জিলা সমিতিৰ সহযোগত আজিৰে পৰা দুদিনীয়াকৈ নগাঁও চহৰৰ ঐতিহ্যমণ্ডিত জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত আৰম্ভ হৈছে ৪৪ সংখ্যক সদৌ অসম আৰ্ম ৰেষ্টলিং চেম্পিয়নশ্বিপ। আজি পুৱা ৰাজ্যিক সমিতিৰ পতাকা উত্তোলন কৰে ৰাজ্যিক সমিতিৰ অধ্যক্ষ মুনীন্দ্ৰ শইকীয়াই আৰু জিলা সমিতিৰ পতাকা উত্তোলন কৰে জ্যেষ্ঠ সাংবাদিক তথা অভ্যৰ্থনা সমিতিৰ সভাপতি কনক হাজৰিকাই। ইয়াৰ পাছতে জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত চেম্পিয়নশ্বিপখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে নগাঁৱৰ বিধায়ক ৰূপক শৰ্মাই। বন্তি প্ৰজ্বলন কৰি বিধায়ক ৰূপক শৰ্মাই কয়-অসমৰ ক্ৰীড়া ক্ষেত্ৰখনত নগাঁৱৰ এটা সুকীয়া নাম আছে। শেহতীয়াকৈ নগাঁও চহৰত কেইবাখনো ৰাজ্যিক পৰ্যায়ৰ খেল অনুষ্ঠিত হোৱাৰ পাছত আৰ্ম ৰেষ্টলিং চেম্পিয়নশ্বিপ অনুষ্ঠিত কৰাৰ বাবে এই সন্থাক ধন্যবাদ জ্ঞাপন কৰিছোঁ। এই অনুষ্ঠানতে নগাঁও জিলাৰ উপায়ুক্ত নৰেন্দ্ৰ শ্বাহ, অতিৰিক্ত আৰক্ষী অধীক্ষক নিৰূপম হাজৰিকা, নগাঁৱৰ পৌৰপতি অম্বিকা মজুমদাৰ, উপ-পৌৰপতি সীমান্ত বৰা, পৌৰসভাৰ কাৰ্যবাহী বিষয়া প্ৰীতম ৰাজা শৰ্মা, এচোছিয়েশ্যনৰ সভাপতি ৰাহুল দেৱ কলিতা, সম্পাদক দেৱজিৎ শৰ্মা আৰু নগাঁও জিলা সমিতিৰ সভাপতি অভিজিত কুমাৰ নাথ উপস্থিত থাকে। ৰাজ্য খনৰ বিভিন্ন জিলাৰ প্ৰায় ডেৰ শতাধিক খেলুৱৈ আৰু দুকুৰি বিষয়া তথা ৰেফাৰীয়ে অংশগ্ৰহণ কৰা চেম্পিয়নশ্বিপখন কাইলৈ সামৰণি পৰিব।

## জয়শ্ৰী ক্লাব চেম্পিয়ন

**অগ্ৰদূত ব্যুৰ, বঙাইগাঁও, ২২ জুলাই ঃ** বঙাইগাঁৱৰ চাপৰাকাটা আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত নিজা খেল পথাৰত চলি থকা চন্দ্ৰ মোহন ৰায় সোঁৱৰণী লীগ ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত ফাইনেল খেলত পোপৰাগাঁৱৰ কৰেবাৰী জয়শ্ৰী ক্লাবে ২-০ গ'লত নোৱাপাৰাৰ যুৱক সংঘক পৰাস্ত কৰি চূড়ান্ত বিজয়ীৰ সন্মান লাভ কৰে । প্ৰতিযোগীতাৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে বিজয়ী দলৰ ৰাহুল বৰ্মনে । আজি খেল পৰিচালনা কৰে অমৃত সিংহ , ভাস্কৰ নাথ , প্ৰফুল্ল ৰায় আৰু ৰাজু নাৰায়ণ দেৱে । যোৱা ছয় জুলাইৰ পৰা অনুষ্ঠিত হোৱা প্ৰতিযোগিতাত এইবেলি মুঠ আঠটা দলে অংশ গ্ৰহণ কৰিছিল ।




## ৰাষ্ট্ৰীয় কেৰমত সফলতা যুগল কিশোৰ দত্তৰ

**অগ্ৰদূত বাৰ্তা**

**চিনামৰা, ২২ জুলাই ঃ** মুম্বাইত ১৫-১৭ জুলাইলৈ অনুষ্ঠিত হোৱা পঞ্চম ৰত্নাগিৰি কেৰম প্ৰতিযোগিতাত উত্তৰ পূৰ্বাঞ্চলৰ পৰা একমাত্ৰ প্ৰতিযোগীৰূপে অংশ গ্ৰহণ কৰি তৃতীয় স্থান পাবলৈ সক্ষম হৈছে যোৰহাটৰ যুগল কিশোৰ দত্তই । ১০ জন আন্তৰাষ্ট্ৰীয় তথা ৩০জন ৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলৱৈয়ে অংশ গ্ৰহণ কৰা প্ৰতিযোগিতা খনিত আন্তৰাষ্ট্ৰীয় পৰ্যায়ৰ স্থানপ্ৰাপ্ত প্ৰতিযোগীক পৰাস্ত কৰি স্থান লাভ কৰিবলৈ সক্ষম হোৱা যুগল কিশোৰ দত্ত যোৰহাট ক্লাবৰোডৰ স্বৰ্গীয় বিপন দত্ত আৰু তৰালী দত্তৰ পুত্ৰ।

## মঙলদৈ ক্ৰীড়া সন্থাৰ কাৰ্যনিৰ্বাহকত সংবিধান নমনা শীৰ্ষ বিষয়া লজ্জিত

**অগ্ৰদূত বাৰ্তা**

**মঙলদৈ, ২২ জুলাই ঃ** ঐতিহ্যমণ্ডিত মঙলদৈ ক্ৰীড়া সন্থাৰ কাৰ্যনিৰ্বাহক সমিতিৰ একাংশ শীৰ্ষস্থানীয় বিষয়ববীয়াই বিগত কাৰ্যকালত সন্থাৰ সংবিধানক ভৰিৰে গচকি বহু অনিয়ম সংঘটিত কৰাৰ গুৰুত্বপূৰ্ণ অভিযোগ উত্থাপিত হৈ অহাৰ পাছত সদ্য অনুস্থিত কাৰ্যনিৰ্বাহক সভাত তীব্ৰ বাক্যবানৰ বিনিময় হয় । সন্থাৰ কে'তবোৰ অক্ৰীড়াসুলভ কাৰ্যকলাপৰ বিষয়ে ইতিমধ্যে বিভিন্ন প্ৰচাৰ মাধ্যম আৰু সচেতন মহলৰ মাজত চৰ্চিত হৈ অহাৰ পৰিপ্ৰেক্ষিতত এই সভাখনক লৈ ক্ৰীড়ামহলত যথেষ্ট কৌতূহলৰ সৃষ্টি হৈছিল । অভিযোগ মতে ২০২১ ৰ ২৪ অক্টোবৰতেই চাৰিবছৰীয়া কাৰ্যকালৰ ম্যাদ উকলা সমিতিখনে ছমাহৰ অতিৰিক্ত কাৰ্যকাল সংবিধানৰ ধাৰা ভংগ কৰি বঢ়াই লৈছিল। আচলতে কাৰ্যকাল বৃদ্ধি কৰিবলৈ হ'লে সাধাৰণ সভা অনুষ্ঠিত কৰি গৰিষ্ঠসংখ্যক সদস্যৰ সন্মতি লোৱাৰ প্ৰয়োজন আছিল । আনহাতে অসাংবিধানিকভাবে কাৰ্যকাল বৃদ্ধি কৰাৰ পাছতো যোৱা ২৪ এপ্ৰিলত সেই সময়ো উকলি গ'ল । কিন্তু সাধাৰণ সভা অনুষ্ঠিত নকৰি সমিতিৰ একাংশই নিকৃষ্ট ৰাজনীতিৰে পুনৰ চকী দখলৰ অযথা প্ৰয়াস কৰি ক্ৰীড়াৰ পৰিবেশ বিনষ্ট কৰিছে বুলিও গৰিষ্ঠসংখ্যক সদস্যই অভিযোগ কৰিছে। তাৎপৰ্যপূৰ্ণ যে শচীন চহৰীয়াৰ স্মৃতিত পতা দৰং জিলা আন্তঃবিদ্যালয় ক্ৰিকেটখন বিগত তিনি বছৰে পতা নাই। বিগত প্ৰায় তিনি বছৰে কোনো কাৰ্যনিৰ্বাহক সভা অথবা সাধাৰণ সভা অনুষ্ঠিত নকৰাৰ লগতে কোনো আয়-ব্যয়ৰ হিচাব সমিতিখনে দাখিল কৰা নাই । গতিকে এই সময়চোৱাত গুৰুত্বপূৰ্ণ সিদ্ধান্তসমূহ কোনে ল'লে, কেনেকৈ ল'লে, কেতিয়া ল'লে বুলিও সন্থাৰ ভিতৰচ'ৰাত চৰ্চা চলিছে। আনহাতে, বিভিন্ন বিভাগৰ ৰাজ্যিক পৰ্যায়ৰ সভাবোৰলৈ উক্ত ইভেণ্টৰ অ-আ নজনা ব্যক্তিক মঙলদৈৰ প্ৰতিনিধি হিচাবে প্ৰেৰণ কৰি হাঁহিয়াতৰ পাত্ৰ হোৱা বুলিও অভিযোগ উঠিছে । ইপিনে আন খেলবোৰ নস্যাৎ কৰি কেৱল ধনৰ বাবদ 'ক্ৰিকেট কেন্দ্ৰিক' হৈ উঠা বুলিও সমালোচনাৰ জোঁৱাৰ উঠিছে । এনে অৱস্থাতে সুদীৰ্ঘ দুবছৰ সাত মাহৰ মূৰত (২০১৯ ৰ ২১ ডিচেম্বৰৰ পাছত) সন্থাৰ সভাপতি গুৰুজ্যোতি দাসৰ সভাপতিত্বত অনুষ্ঠিত হোৱা কাৰ্যনিৰ্বাহক সভাত সৰৱ ভূমিকা পালন কৰে ঘাইকৈ সাধাৰণ সম্পাদক অনুপম ডেকা, জ্যেষ্ঠ বিষয়ববীয়া বিচিত্ৰ কুমাৰ মেধি, প্ৰদীপ তালুকদাৰ, কমৰুল হক, হিমাঞ্জন শৰ্মা, বীৰেন দাস, প্ৰদীপ তালুকদাৰ, প্ৰণৱ বৰুৱা, বিদ্যুত কুমাৰ বৰুৱা, প্ৰসন্ন শইকীয়া, আব্দুল খালেক, প্ৰকাশ ডেকা, সম্ভু দেৱনাথ আদিয়ে । সভাত বৰ্তমানৰ সমিতিখনে কাৰ্যভাৰ গ্ৰহণ কৰাৰ দিন-বাৰক লৈ, সংবিধানখন বহুতেই দেখাই নোপোৱাক লৈ, বৰ্তমানৰ সমিতিখনৰ বৈধতাক লৈ, দুজনমানে সভাপতি-সম্পাদকক বিপথে পৰিচালিত কৰাক লৈ, কাৰ্যনিৰ্বাহকৰ অনুমোদন নোহোৱাকৈ লাখ-লাখ টকা ব্যয় কৰাক আদিক লৈ তীব্ৰ যুক্তিবানৰ বিনিময় ঘটে । সভাত জ্যেষ্ঠ বিষয়ববীয়া দুজনমানে অজানিতে হোৱা বুলি ভুলৰ মাৰ্জনা পৰ্যন্ত বিচৰা বুলি জনা গৈছে । অৱশেষত সমাগত দুৰ্গাপূজাকে ধৰি বিভিন্ন দিশ চালিজাৰি অহা ১৬ অক্টোবৰত সাধাৰণ সভা অনুষ্ঠিত কৰা আৰু তাৰ পূৰ্বে 'এ' ডিভিজন, ছুপাৰ ডিভিজন ফুটবল লীগৰ লগতে অম্বা মেধি সোঁৱৰণি সৰ্বভাৰতীয় ফুটবল প্ৰতিযোগিতাখন ষ্টেডিয়ামৰ ভিতৰতে অনুস্থিত কৰা আদি সিদ্ধান্ত গ্ৰহণ কৰা হয়।

### যোৰহাট 'এ' ডিভিজন ফুটবল লীগ

## বৰভেটা স্প'ৰ্টছ ক্লাব ছেমিত

**যোৰহাট, ২২ জুলাই ঃ** যোৰহাট এ ডিভিজন ফুটবল লীগ প্ৰতিযোগিতাত আজি এ গ্ৰুপৰ খেলত বৰভেটা স্পৰ্টচ ক্লাবে ৰেডিয়েন্ট ক্লাবক ৯-০ গ'লত পৰাভূত কৰি লীগৰ সম্পূৰ্ণ পইন্ট লাভ কৰিবলৈ সক্ষম হোৱাৰ লগতে বৰভেটাই এ গ্ৰুপৰ প্ৰথমটো দল ৰূপে ছেমি ফাইনেলত উপনীত হৈছে। বৰভেটা স্পৰ্টচ ক্লাবে লীগৰ চাৰিখন খেলত অংশ গ্ৰহণ কৰি তিনিখন খেলত জয়ী আৰু এখন ড্ৰ খেলি সৰ্বমুঠ ১০ পইন্ট সংগ্ৰহ কৰি ছেমি ফাইনেলত স্থান নিশ্চিত কৰে। আজিৰ খেলত বৰভেটা স্পৰ্টচ ক্লাবৰ হৈ লোহিত হেমৰম , জিন্টু চাওৰা , ডাব্লিউ. এম. মিঠাই, এন. এচ. সিং আদি বড়া অ. আৰ. সিঙে গ'ল কৰিবলৈ সক্ষম হয় । আজি খেল পৰিচালনা কৰে অনিল শইকীয়াই । লাইনত সুমন্ত দত্ত আৰু ৰাজীৱ শইকীয়া চতুৰ্থ পৱন পাঠক। ২৩ জুলাই খেল ঃ যোৰহাট টাউন ক্লাব বনাম অল ষ্টাৰ ক্লাব।



আফ্ৰিকাৰ বৰ্ষ শ্ৰেষ্ঠ ফুটবলাৰৰ ট্ৰফী গ্ৰহণ মানেৰ।

### নুৰুল আমিন প্ৰাইজমানি প্ৰথম ডিভিজন আন্তঃক্লাব ফুটবল

## অম্লান গোষ্ঠী-ৰেডিয়েল ক্লাবৰ খেল ড্ৰ

**অগ্ৰদূত বাৰ্তা, বেবেজীয়া, ২২ জুলাই ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত পূৰ্ণগতিত চলি থকা নুৰুল আমিন প্ৰাইজমানি প্ৰথম ডিভিজন আন্তঃক্লাব ফুটবল লীগ সম্প্ৰতি আকৰ্ষণীয় পৰ্যায়ত উপনীত হৈছে। এই লীগৰ আজি অনুষ্ঠিত অম্লান গোষ্ঠী বনাম ৰেডিয়েল ক্লাবৰ মাজৰ গুৰুত্বপূৰ্ণ খেলখন ১-১ গ'লত ড্ৰ হয়। তুমুল প্ৰতিদ্বন্দিতামূলক খেলখনত ৰেডিয়েল ক্লাবৰহৈ বলোৰাম ৰাভাই গ'লটো দিয়াৰ বিপৰীতে অম্লান গোষ্ঠীৰ হৈ ব্ৰজেন মুছাহাৰীয়ে সমতাসূচক গ'লটো দিয়ে। আজিৰ খেলখন পৰিচালনা কৰাত ৰেফাৰী শৈলেন ভূঞাক সহায় কৰে কল্যাণ বৰুৱা, শোণিত কুমাৰ বৰা আৰু ৰয়েল ইছলামে। খেলখনত অম্লান গোষ্ঠীৰ ভূমিধৰ কছাৰী আৰু ৰেডিয়েল ক্লাবৰ চিন্তামনি পাটৰ যুটীয়াভাৱে শ্ৰেষ্ঠ খেলুৱৈৰূপে পৰিগণিত হয়।



## বিলাসনন্দন চ'ৰা



# টকাৰ মূল্য কমা নাই

**দিল্লীৰ** বাদশ্বাহে কিছুমান কথাা মুঠেই বিশ্বাস নকৰে। যিয়ে যিমানেই কৈ নাথাকক কিয়, বাদশ্বাহৰ স্পষ্ট উত্তৰ—এইবোৰ মিছা কথা। মিছা বুলি এনেয়ে কৈ দিয়ে। প্ৰতিটো মিছাৰ সপক্ষে তেওঁৰ হাতত সবল যুক্তি থাকে, কাৰণ থাকে। আমি সকলোৰে এটা কথা খাটাংকৈ জানো যে বাদশ্বাহে কেৱল মিছা কথা নকয়। তেওঁ যি কয়, সেয়া মিছাক সঁচা কৰি কয় বা সঁচাক মিছা কৰি সেই মিছাখিনিক পুনৰ সঁচা যেন কৰি কয়। এইবোৰ বাদশ্বাহৰ নিজস্ব ষ্টাইল। এদিন সভাসদসকলে গভীৰ চিন্তাৰে বাদশ্বাহক ক'লে— 'জাহাপনা!'

ঃ কি হ'ল?
ঃ আমাৰ টকাটোৰ দাম দিনক দিনে কমি আহিছে।
ঃ কোনে কৈছে?
ঃ মাৰ্কেটৰ পৰা খবৰ আহিছে জাহাপনা।
ঃ কি খবৰ আহিছে?
ঃ খবৰ আহিছে যে এক ডলাৰৰ বিপৰীতে টকাৰ দাম আশী টকা পাৰ হৈছে।
ঃ তাৰমানে টকাৰ দাম বাঢ়িছে।
ঃ নহয় জাহাপনা? কমিছে।
ঃ আগেয়ে ৬৫ৰ পৰা ৭০ টকা আছিল।
ঃ এতিয়া কিমান হৈছে?
ঃ ৮০ টকাৰ বেছি হৈছে।
ঃ নহয় জাহাপনা, ইয়াক টকাৰ মূল্য কমা বুলি কয়।

বাদশ্বাহে পিছে বিশ্বাস নকৰিলে— 'নাই, হ'বই নোৱাৰে। টকাৰ মূল্য মুঠেই কমা নাই।'

ঃ জাহাপনা, সকলো অৰ্থনীতিবিদে কিন্তু টকাৰ মূল্য কমাক লৈ উদ্বেগ প্ৰকাশ কৰিছে।
ঃ কৰিব পাৰে।
ঃ তেওঁলোকে কি কৈছে জানে?
ঃ কি কৈছে?
ঃ কৈছে যে এনেকৈ টকাৰ মূল্য কমি গৈ থাকিলে বস্তুৰ দাম বাঢ়ি গৈ থাকিব।
ঃ বাজে কথা কৈছে।



ঃ ইণ্ডিয়াৰ অৱস্থাও বোলে শ্ৰীলংকাৰ দৰে হ'ব।
ঃ নহয়, মিছা কথা।
ঃ কিয় নহয়?
ঃ কাৰণ শ্ৰীলংকাৰ প্ৰধানমন্ত্ৰী-ৰাষ্ট্ৰপতি আটায়ে ফৰেইনলৈ পলাই গৈছে। মই কিন্তু নপলাওঁ। মই ফৰেইন ট্ৰ্যাৰলৈহে যাম।
ঃ কিন্তু জাহাপনা....
ঃ কোনো কিন্তু নাই। মই মানি নলওঁ।
ঃ কি মানি নলয় জাহাপনা?
ঃ মই মানি নলওঁ যে টকাৰ মূল্য কমিছে।
ঃ কিন্তু জাহাপনা, আপোনাৰ এই কথা অৰ্থনীতিবিদসকলেতো মানি নলয়।
ঃ মানি নল'লে নহ'ব নহয়। যিয়ে মানি নলয় তাক আমি দেছদ্ৰোহী বুলি ঘোষণা কৰিম।
ঃ জেলতো ভৰাই থ'ব নেকি?
ঃ দৰকাৰ হ'লে তাকো কৰিব লাগিব।
ঃ কিন্তু জাহাপনা, ৰাইজক কি ক'ব?
ঃ ৰাইজেও সুধিব নেকি?
ঃ সুধিব পাৰে জাহাপনা!
ঃ ৰাইজে এশ টকাৰ ওপৰত তেল কিনি থকা নাই জানো?
ঃ আছে জাহাপনা।
ঃ চাউলৰ পৰা চবজীলৈকে সৰ বস্তুৰে দাম বঢ়া নাই জানো?
ঃ বাঢ়িছে জাহাপনা।
ঃ বহু বহু দামত সেইবোৰ কিনি থাকিব লগা হোৱা নাই জানো?
ঃ হৈছে।
ঃ ৰাইজৰ কঁকাল ভাঙি যোৱা নাই জানো?
ঃ ভঙাত ভাঙিছে জাহাপনা।
ঃ তাৰ পাছতো প্ৰশ্ন কৰিবনে?
ঃ কৰিব পাৰে জাহাপনা।
ঃ যদি কৰে, মই প্ৰমাণ কৰি দেখুৱাই দিম যে টকাৰ মূল্য কমা নাই।
ঃ কেনেকৈ?
ঃ মই দুখন ষ্টেটৰ কথা ক'ম— মহাৰাষ্ট্ৰ আৰু মধ্য প্ৰদেশ। টকাৰ মূল্য কমা হ'লে এই দুখন ষ্টেট আমাৰ হ'লহেঁতেন নেকি?

# বিশ্ব-বিপৰ্যয়ৰূপে চিহ্নিত হ'ব মাংকী পক্স!

ক্ৰমাৎ উদ্বেগ বৃদ্ধি পাইছে মাংকী পক্সৰ বাবে। বিশ্ব স্বাস্থ্য সংস্থা (হু)ৰ বিশেষ আপদকালীন কমিটীয়ে আজি দ্বিতীয়বাৰলৈ এই সন্দৰ্ভত বৈঠকৰ আয়োজন কৰে। মাংকী পক্সক বিশ্ব-বিপৰ্যয়ৰূপে চিহ্নিত কৰা হ'ব নে নাই, এই সন্দৰ্ভতে বৈঠকত আলোচনা হয়। ক'ভিডৰ ক্ষেত্ৰত সমগ্ৰ পৃথিৱীলৈ বিপৰ্যয় নামি আহিছে। ধনী-দুখীয়া সকলো দেশতে সমানে মৃত্যু মিছিল দেখা গৈছিল। যদিও মাংকী পক্সৰ ক্ষেত্ৰত ছবিখন কিছু পৃথক।



**সমকামী-উভকামী পুৰুষেই সৰ্বাধিক আক্ৰান্ত হৈছে**

নিউজ ব্যুৰ'
**লণ্ডন, ২২ জুলাই ঃ** ক্ৰমাৎ উদ্বেগ বৃদ্ধি পাইছে মাংকী পক্সৰ বাবে। বিশ্ব স্বাস্থ্য সংস্থা (হু)ৰ বিশেষ আপৎকালীন কমিটীয়ে আজি দ্বিতীয়বাৰলৈ এই সন্দৰ্ভত বৈঠকৰ আয়োজন কৰে। মাংকী পক্সক বিশ্ব-বিপৰ্যয়ৰূপে চিহ্নিত কৰা হ'ব নে নাই, এই সন্দৰ্ভতে বৈঠকত আলোচনা হয়। উল্লেখ্য যে ক'ভিডৰ ক্ষেত্ৰত সমগ্ৰ পৃথিৱীলৈ বিপৰ্যয় নামি আহিছি। ধনী-দুখীয়া সকলো দেশতে সমানে মৃত্যু মিছিল দেখা গৈছিল। যদিও মাংকী পক্সৰ ক্ষেত্ৰত ছবিখন কিছু পৃথক। আফ্ৰিকা মহাদেশে ইতিমধ্যেই ইয়াক মহামাৰী বুলি ঘোষণা কৰিছে। জৰুৰী পৰিস্থিতিৰূপে চোৱা হৈছে এই সংক্ৰমণক। অথচ ইউৰোপ, উত্তৰ আমেৰিকা আৰু আন দেশসমূহত মাংকী পক্সৰ তুলনামূলকভাৱে কম ক্ষতিকাৰক ৰূপটোহে দেখা গৈছে। একাংশ বিশেষজ্ঞই জনাইছে যে এইবোৰ স্থানত পৰিস্থিতি বিশেষ গুৰুতৰ নহয়।

বিশেষজ্ঞই জনাইছে যে মধ্য আৰু পশ্চিম আফ্ৰিকাৰ কিছু অংশত মাংকী পক্স কে'বা দশক ধৰিয়ে আছে। গ্ৰামীণ অঞ্চলত বন্য জন্তুৰ পৰা মানুহৰ দেহলৈ সংক্ৰমণ ঘটা দেখা যায়। ইউৰোপ, উত্তৰ আমেৰিকা আৰু আন দেশসমূহত বিগত মে'ৰ পৰা মাংকী পক্সৰ সংক্ৰমণ দেখা গৈছে প্ৰধানকৈ সমকামী আৰু উভকামী পুৰুষৰ মাজত। স্পেইন আৰু বেলজিয়ামৰ দৰে ধনী দেশত এই ৰোগ বিয়পিছে যৌন সম্পৰ্কৰ মাধ্যমেৰে। বিশেষজ্ঞই সন্দেহ কৰিছে যে এই বাবেই হয়তো ধনী আৰু দৰিদ্ৰ দেশসমূহত ৰোগৰ চৰিত্ৰৰ মাজত তাৰতম্য দেখা গৈছে। উল্লেখ্য যে সমগ্ৰ বিশ্বতে মাংকী পক্সত সংক্ৰমিতৰ সংখ্যা কমেও ১৫ হেজাৰ। ইয়াৰ ভিতৰত আফ্ৰিকাতে সবাতোকৈ সংকটজনক পৰিস্থিতি। এই ক্ষেত্ৰত অভিযোগ উঠিছে যে অধিকাংশ প্ৰতিষেধককেই গৈছে আমেৰিকা, ব্ৰিটেইন, কানাডা আৰু আন ধনী দেশসমূহলৈ। আফ্ৰিকাই এটাও প্ৰতিষেধক লাভ কৰা নাই, অথচ তাতেই মহামাৰীয়ে দেখা দিছে। আফ্ৰিকাত ইতিমধ্যেই ৭০ৰ অধিক ৰোগীৰ মৃত্যু হৈছে। ইয়াৰ বিপৰীতে ধনী দেশসমূহত এই পৰ্যন্ত এজনৰো মৃত্যু হোৱা নাই।

ব্ৰিটেইনৰ ইষ্ট এংলিয়া বিশ্ববিদ্যালয়ৰ ঔষধ বিভাগৰ অধ্যাপক তথা 'হু'ৰ প্ৰাক্তন পৰামৰ্শদাতা পল হাণ্টাৰে কয়, 'আফ্ৰিকাৰ যি অৱস্থা, তাৰ লগত ইউৰোপ, আমেৰিকাৰ কোনো মিল নাই।' ৰাষ্ট্ৰসংঘয়ো জনাইছে যে আফ্ৰিকাৰ বাহিৰত য'ত য'ত সংক্ৰমণ ঘটিছে, তাৰ ১৯ শতাংশ হৈছে পুৰুষৰ। ইয়াৰো ৯৮ শতাংশ ক্ষেত্ৰত দেখা গৈছে যে সেই সংক্ৰমিত পুৰুষসকলে আন কোনো পুৰুষৰ স'তে যৌন সম্পৰ্ক স্থাপন কৰিছিল। তাৰ পাছতে সংক্ৰমণ হৈছে। অৱশ্যে বিশেষজ্ঞসকলে লগতে জনাইছে যে যৌন সম্পৰ্কই একমাত্ৰ সূত্ৰ নহয়, কোনো মাংকী পক্স আক্ৰান্ত ৰোগীৰ কাষলৈ আহিলেও সংক্ৰমিত হ'ব পাৰে। তথাপি যিহেতু বিষয়টোত সমকামী সম্পৰ্কৰ উল্লেখ্যযোগ্য যোগ আছে, তাৰ ফলতে পৰিস্থিতি আৰু জটিল হৈছে। এই সন্দৰ্ভত 'হু'ৰ প্ৰাক্তন পৰামৰ্শদাতা হাণ্টাৰে কয়, 'সমকামীসকলৰ বহুতেই নিজৰ যৌন পৰিচয় গোপন কৰি ৰাখিব খোজে। এইসকলৰ আকৌ অনেকেই বিবাহিত। পত্নী আছে, পৰিয়াল আছে। তেওঁলোকেও আনকি সংশ্লিষ্ট লোকজনৰ সমকামী পৰিচয় সম্পৰ্কে জ্ঞাত নহয়। ফলত বহুতেই এই ৰোগ শৰীৰতে গোপন কৰিছে, আনকি পৰীক্ষাও কৰাবলৈ সন্মত নহয়। ফলত সংক্ৰমিতক চিহ্নিত কৰাটো কঠিন হৈ পৰিছে।' ইয়াৰ উপৰি এইবোৰ ক্ষেত্ৰত শৰীৰত ঘা কম হৈছে। হ'লেও যৌনাংগতহে হৈছে। বহুতেই ঢাকি ৰাখিছে, কাকো নজনালে বোজাও কঠিন হৈছে। ফলত অজানিতেই এই ৰোগ বিয়পি আছে। ইফালে, আফ্ৰিকাৰ ছবিখন একেবাৰে ভিন্ন। সংক্ৰমিতৰ শৰীৰত বিভিন্ন স্থানত ঘা হৈছে। বহুতৰে ঘৰৰ পৰা ওলাব নোৱৰা অৱস্থাৰ সৃষ্টি হৈছে। ৰোগৰ ভয়াৰহতাও বহু বেছি। ফলত গোপন কৰাৰো উপায় নাই। অৱশ্যে সকলো ক্ষেত্ৰতে দেখা গৈছে যে বন্য জন্তুৰ পৰাই ৰোগীৰ দেহলৈ সংক্ৰমণ বিয়পিছে। আফ্ৰিকাৰ স্বাস্থ্য বিশেষজ্ঞসকলে অৱশ্যে জনাইছে যে সীমিত সংখ্যক পৰীক্ষাহে হৈছে, সেয়ে সমকামৰ বিষয়টো তেওঁলোকৰ দৃষ্টিগোচৰ হোৱা নাই।

**নিৰ্ধাৰিত সময়তকৈয়ো বহু পলমকৈ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰাত ব্যৰ্থ নিৰ্মাণকাৰী প্ৰতিষ্ঠান**

# ২০২৩ৰ জানুৱাৰীতহে মুকলি হ'ব কলীয়াভোমোৰাৰ দ্বিতীয়খন দলং

বিশেষ সংবাদদাতা
নগাঁও, ২২ জুলাই ঃ ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কাৰ্য চলি থকা কলীয়াভোমোৰাৰ দ্বিতীয়খন দলঙৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হোৱাৰ পথত। অতি শীঘ্ৰেই যাতায়তৰ বাবে মুকলি কৰাটো সম্ভৱ নহ'লেও আগন্তুক ২০২৩ৰ জানুৱাৰীত যাতায়াতৰ বাবে মুকলি কৰা হ'ব কলীয়াভোমোৰাৰ দ্বিতীয়খন সেতু। ইতিমধ্যে দলংখনৰ নিৰ্মাণ কাৰ্য প্ৰায় ৯৮ শতাংশ সম্পূৰ্ণ হৈ উঠিছে। ব্ৰহ্মপুত্ৰৰ ওপৰৰ কলীয়াভোমোৰা দলঙৰ সমান্তৰালকৈ নিৰ্মিত এই দলংখনে যাতায়াত ব্যৱস্থাৰ লগতে দেশৰ সুৰক্ষা বাহিনীৰ বাবে বাবে অধিক গুৰুত্বপূৰ্ণ হৈ পৰিব। কিয়নো দেশৰ সুৰক্ষা বাহিনীয়ে আন্তঃৰাষ্ট্ৰীয় সীমাত উপনীত হ'বলৈ ৰেল যোগাযোগ ব্যৱস্থাৰ পাছতেই এই ঘাইপথ আৰু দলং স্থলপথ যাতায়াত ব্যৱস্থাৰ অন্যতম গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে। ১৯৮৭ৰ এপ্ৰিলত কলীয়াভোমোৰা দলং যাতায়াতৰ বাবে মুকলি কৰাৰ



পাছত সুদীৰ্ঘ প্ৰায় তিনিটা দশকৰ অধিক সময় সুচল যাতায়াত ব্যৱস্থাত ভূতপূৰ্ব অৰিহণা যোগাই অহা এই কলীয়াভোমোৰা দলঙৰ বহন ক্ষমতাৰ প্ৰতি লক্ষ্য ৰাখি দ্বিতীয়খন দলঙৰ প্ৰকল্প আৰম্ভ কৰা হয়। চুলুং-ডোলাবাৰী সংযোগী এই দলংখনৰ মুঠ দৈৰ্ঘ্য ৩.০৪০ কিলোমিটাৰ আৰু এই দলঙখনৰ মুঠ খুঁটা ২৬টা। ৫৮৮.৯৫ কোটি টকা ব্যয় সাপেক্ষে দলংখন নিৰ্মাণ কাৰ্য চলোৱা এই দলংখনৰ কাম প্ৰায় সম্পূৰ্ণ হৈছে। কলিয়াবৰ তিনিআলিৰ পৰা চুলুং হৈ ডোলাবাৰীলৈ ৩৭(ক) নম্বৰ ৰাষ্ট্ৰীয় পথৰ দৈৰ্ঘ্য হৈছে ১৩.০৯ কিলোমিটাৰ। অসমৰ মেগা চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ প্ৰকল্পৰ অধীনত নিৰ্মিত এই দলংখন নিৰ্মাণ কৰিছে মেছাৰ্চ গেমন ইণ্ডিয়া লিমিটেড আৰু মেছাৰ্চ এছ ছিংগলা কনষ্টাকচন প্ৰাইভেট লিমিটেডে। চি পি ডব্লিউ ডিৰ নিৰীক্ষণত এই দলং নিৰ্মাণৰ কাম চলিছিল। দুই লেনযুক্ত এই দলংখন চলিত বৰ্ষৰ এপ্ৰিলত অৰ্থাৎ যোৱা ব'হাগ বিহুৰ পাছতেই মুকলি হোৱাৰ সম্ভাৱনাৰ কথা চিপিডব্লিউডিৰ এক সূত্ৰই প্ৰকাশ কৰিছিল যদিও সেয়া হৈ নুঠিল।

উল্লেখ্য যে বিগত ২০১৪ৰ ২৯ নৱেম্বৰত আধাৰশিলা স্থাপন কৰা হৈছিল কলীয়াভোমোৰাৰ দ্বিতীয়খন দলঙৰ গুৰুত্বপূৰ্ণ কথা এয়ে যে নিৰ্মাণৰ দায়িত্ব লাভ কৰা গেমন ইণ্ডিয়া লিমিটেড আৰু এছপি শিংলা কনষ্ট্ৰাকচন প্ৰাইভেট লিমিটেড নামৰ প্ৰতিষ্ঠানে ২০১৮তে দলংখনৰ কাম সম্পূৰ্ণ হ'ব বুলি কৈছিল। আনহাতে, প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে মুখ্যমন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰি থকাৰ সময়ত ১১ মে', ২০১৯ত দলঙৰ নিৰ্মাণৰ কাম পৰিদৰ্শন কৰি ২০২০ৰ ডিচেম্বৰত কাম সম্পূৰ্ণ হ'ব বুলি ঘোষণা কৰিছিল। কিন্তু নিৰ্ধাৰণ কৰা সময়ৰ ভিতৰত দলংখনৰ নিৰ্মাণ সম্পূৰ্ণ কৰাত ব্যৰ্থ হয় নিৰ্মাণকাৰী প্ৰতিষ্ঠান। অথচ দলংখনৰ নিৰ্মাণ কাৰ্য ২০১৮ৰ ভিতৰতে সম্পূৰ্ণ হৈ উঠিব লাগিছিল। ২০২৩ৰ জানুৱাৰীতহে এই দলংখন মুকলি কৰাৰ সম্ভাৱনা আছে বুলি ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ এক সূত্ৰৰ পৰা জানিব পৰা গৈছে।

# গুৰুজনাৰ জন্মস্থান বটদ্ৰৱাত ইছলাম ধৰ্মাৱলম্বী কণমানি ছাত্ৰীৰ সত্ৰীয়া নৃত্যৰ প্ৰশিক্ষণ



**বিশেষ সংবাদদাতা**
**নগাঁও, ২২ জুলাই ঃ** ধৰ্মীয় অসহিষ্ণুতাই ভয়ংকৰ ৰূপ ধাৰণ কৰাৰ সময়তে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ পবিত্ৰ জন্মস্থান বটদ্ৰৱাত জিলিকি উঠিছে সমন্বয়ৰ আন এক নিদৰ্শন। হিন্দু- মুছলমানৰ মাজত একাংশ উগ্ৰ ধৰ্মান্ধই সাম্প্ৰদায়িক বিষবাষ্প বিয়পায় আহাৰ সময়ত নগাঁও জিলাৰ বটদ্ৰৱাৰ ডুমডুমীয়াৰ জেঙনিৰ এজনী কণমানি ইছলাম ধৰ্মালম্বী ছোৱালীয়ে সত্ৰীয়া নৃত্য শিক্ষাৰ প্ৰতি আগ্ৰহী হৈ বটদ্ৰৱাত গ্ৰহণ কৰিছে গুৰুজনাৰ সৃষ্ট সত্ৰ সংস্কৃতিৰ শিক্ষা। ব্ৰহ্মপুত্ৰৰ চৰাঞ্চলৰ নিবাসী ডুমডুমীয়াৰ জেঙনিৰ শিক্ষক তথা কলা অনুৰাগী ব্যক্তি আব্দুছ ছালাম চৌধুৰীৰ কন্যা চতুৰ্থ শ্ৰেণীত অধ্যয়নৰত ছুহানা চৌধুৰীয়ে গ্ৰীষ্ম বন্ধৰ সময়ছোৱাত বটদ্ৰৱা প্ৰেছ ক্লাবৰ উদ্যোগত বটদ্ৰৱা শ্ৰীমন্ত শংকৰদেৱ গৱেষণা প্ৰতিষ্ঠানত অনুষ্ঠিত হৈ থকা সত্ৰীয়া নৃত্যৰ প্ৰশিক্ষণ গ্ৰহণ কৰিছে। এইগৰাকী কণমানিৰ গুৰুজনাৰ সত্ৰ সংস্কৃতিৰ নৃত্য-গীত আৰু অংকীয়া ভাওনাৰ প্ৰতি থকা অনুৰাগ তথা আগ্ৰহৰ বিষয়ে জানিব পাৰি নিজৰ পিতৃ-মাতৃয়েও জনাইছে সঁহাৰি। বটদ্ৰৱাৰ শিল্পী জগন্নাথ কলিতাৰ তত্ত্বাৱধানত শিল্পী নিতুমণি দেৱী আৰু লক্ষেশ্বৰ শইকীয়া বায়নৰ ওচৰত এইগৰাকী ইছলাম ধৰ্মৰ কণমানিয়ে সত্ৰীয়া নৃত্য-গীতৰ শিক্ষা গ্ৰহণ কৰিছে। পোন প্ৰথমতে ইউটিউবত সত্ৰীয়া নৃত্য চাই চাই গুৰুজনাৰ সৃষ্টিশীল সংস্কৃতিৰ জ্ঞান অন্বেষণৰ প্ৰতি আগ্ৰহী কণমানি ছুহানা চৌধুৰীয়ে অদূৰ ভৱিষ্যতেও গুৰুজনাৰ সংস্কৃতি চৰ্চা আৰু অনুশীলন অব্যাহত ৰাখিব বুলি নিজৰ অভিমত ব্যক্ত কৰে।

# ঢেকিয়াজুলিত মহিলা আত্মসহায়ক গোটৰ ১০ হেজাৰ ত্ৰিৰংগা পতাকা তৈয়াৰ কৰি ঘৰে ঘৰে বিতৰণৰ পদক্ষেপ

অগ্ৰদূত বাৰ্তা
ঠেলামৰা, ২২ জুলাই ঃ আগন্তুক ৭৫ সংখ্যক স্বাধীনতা দিৱসৰ প্ৰস্তুতি আৰম্ভ হৈছে। স্বাধীনতাৰ ৭৫ বছৰ উপলক্ষে আজাদিকী অমৃত মহোৎসৱ ইতিমধ্যে আৰম্ভ হৈছে। কেন্দ্ৰীয় চৰকাৰে আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি ইতিমধ্যে বিভিন্ন ধৰণৰ বৰ্ণিল কাৰ্যসূচী ৰূপায়ণ হৈছে। আজাদী কা অমৃত মহোৎসৱ উপলক্ষে সমাগত স্বাধীনতা দিৱসত ঘৰে ঘৰে ত্ৰিৰংগা পতাকা উৰুৱাবলৈ চৰকাৰে আহ্বান জনাইছে। ইয়াক লৈ ৰাজ্য চৰকাৰখন ইতিমধ্যে তৎপৰ হৈছে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ১৩ আগষ্টৰ পৰাই পদূলিয়ে পদূলিয়ে ত্ৰিৰংগা পতাকা উৰুৱাবলৈ আহ্বান জনাইছে ৰাজ্যবাসীক। ইয়াৰ অংশৰূপে শোণিতপুৰ জিলাৰ ঢেকিয়াজুলি উন্নয়ন খণ্ড অঞ্চলৰ মাজৰৌমাৰীত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ উদ্যোগত অগ্নিগড় মণ্ডল সংগঠনৰ দ্বাৰা মহিলাসকলে অঞ্চলটোৰ ১০ হেজাৰ লোকৰ ঘৰে ঘৰে গৈ ত্ৰিৰংগা পতাকা তুলি



দিবলৈ পদক্ষেপ গ্ৰহণ কৰিছে। অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অগ্নিগড় মণ্ডল সংগঠনৰ তৎপৰতাত গ্ৰাম্য সংগঠনৰ মহিলা আত্মসহায়ক গোটৰ মহিলাই সৰু-বৰ ত্ৰিৰংগা পতাকা তৈয়াৰ কৰি অতি কম মূল্যত অঞ্চলটোৰ ঘৰে-ঘৰে ত্ৰিৰংগা পতাকা প্ৰতিটো পৰিয়ালক তুলি দিয়াৰ লগতে। সহজতে ত্ৰিংৰগা পতাকা গাঁৱৰ ৰাইজে ক্ৰয় কৰিব পাৰে তাৰ বাবে পাঁচখন বিপণী খুলি ত্ৰিৰংগা পতাকা বিক্ৰীৰ ব্যৱস্থা লৈছে। আনহাতে, অঞ্চলটোৰ শিক্ষানুষ্ঠান, অনুষ্ঠান-প্ৰতিষ্ঠানত, ব্যৱসায়ী প্ৰতিষ্ঠানত অতি কম মূল্যত ত্ৰিৰংগা পতাকা দিয়াৰ ব্যৱস্থা লৈছে। এই সন্দৰ্ভত অগ্নিগড় মণ্ডল সংগঠনৰ জীৱিকা সখী পূৰৱী বৰাই সাংবাদিকৰ আগত কয় যে ভাৰত চৰকাৰে আজাদী কা অমৃত মহোৎসৱৰ উপলক্ষে স্বাধীনতা দিৱসত ঘৰে ঘৰে ত্ৰিৰংগা পতাকা উত্তোলনৰ যি কাৰ্যসূচী গ্ৰহণ কৰিছে তাক লৈ আমি আনন্দিত আৰু আদৰণি জনাইছো। অসম চৰকাৰৰ নিৰ্দেশ মৰ্মে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানক যি দায়িত্ব অৰ্পণ কৰিছে। সেই অনুসৰি গ্ৰামাঞ্চলত কম মূল্যত সহজতে ত্ৰিৰংগা পতাকা যাতে প্ৰতিটো পৰিয়াল লাভ কৰিব পাৰে তাৰ বাবে আমি মাজৰৌমাৰী অগ্নিগড় মণ্ডল সংগঠনৰ উদ্যোগত ত্ৰিৰংগা পতাকা বিক্ৰীৰ বাবে পাঁচটা বিপণী মুকলি কৰা হৈছে। পাঁচখন বিপণীৰ জৰিয়তে পাঁচখন পঞ্চায়ত অঞ্চলত ১০ হেজাৰ পৰিয়ালৰ ঘৰে ঘৰে গৈ তিৰংগা পতাকা তুলি দিয়াৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি উল্লেখ কৰে। এই সন্দৰ্ভত গ্ৰামীণ জীৱিকা অভিযানৰ ঢেকিয়াজুলি উন্নয়ন খণ্ডৰ খণ্ড সমন্বয়ক অসীম কুমাৰ নাথে কয়, 'হৰ ঘৰ ঝাণ্ডা' এই শ্ল'গানৰে আমাৰ আত্মসহায়ক গোটৰ সদস্যসকলে গাঁৱে গাঁৱে এই কেইদিন সজাগতা কৰাৰ লগতে প্ৰতিটো পৰিয়ালক ত্ৰিৰংগা পতাকা কম মূল্যত তুলি দিব বুলি প্ৰকাশ কৰে। মুঠৰ ওপৰত স্বাধীনতাৰ ৭৫ বছৰ উপলক্ষে আয়োজিত আজাদীকা অমৃত মহোৎসৱৰ বাবে ঢেকিয়াজুলিত এইসকল মহিলাই ১০ হেজাৰ ত্ৰিৰংগা পতাকা সাজু কৰিছে বিক্ৰীৰ বাবে। ঘৰে ঘৰে গৈ হাতত ত্ৰিৰংগা পতাকা তুলি দি ৰাইজৰ মাজত কৰিব সজাগতা।

# মদাহী পুত্ৰৰ অত্যাচাৰত অতিষ্ঠ পিতৃয়ে ঘপিয়াই হত্যা কৰিলে পুত্ৰক

বিশেষ সংবাদদাতা
নগাঁও, ২২ জুলাই ঃ মদাহী পুত্ৰৰ অত্যাচাৰত অতিষ্ঠ হৈ এজন পিতৃয়ে নিজ পুত্ৰ সন্তানক দাৰে ঘপিয়াই হত্যা কৰা এক ঘটনাই নগাঁৱত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। এই ঘটনাটো যোৱা নিশা সংঘটিত হৈছে নগাঁও জিলাৰ কামপুৰৰ দাঁতি-কাষৰীয়া বৰকলাত। পিতৃৰ দাৰ ঘাপত মৃত্যু হোৱা যুৱকজনৰ নাম বিজেন্দ্ৰ সিং (৩৭)। আনহাতে, হত্যাকাৰী পিতৃৰ নাম চামচেৰ সিং (৭০)। কামপুৰৰ কাষৰীয়া বৰকলাৰ চামচেৰ সিঙৰ পুত্ৰ বিজেন্দ্ৰ সিঙে নিতৌ অত্যধিক সুৰাপান কৰি আহি ঘৰখনত অত্যাচাৰ চলাইছিল। যোৱা নিশাও চামচেৰ সিঙৰ পুত্ৰ বিজেন্দ্ৰ সিঙে অত্যাধিক সুৰাপান কৰি আহি ঘৰখনৰ সদস্যসকলক অতিষ্ঠ কৰি তুলিছিল। চামচেৰ সিঙৰ পুত্ৰ বিজেন্দ্ৰয়ে বহুদিন ধৰি সুৰাপান কৰি নিজৰ ঘৰখনৰ লোকসকলৰ উপৰি ওচৰ চুবুৰিয়াকো অতিষ্ঠ কৰি আহিছিল। যোৱা নিশাও বিজেন্দ্ৰ সিঙে সুৰাপান কৰি ঘৰত তাণ্ডৱ চলোৱাৰ লগতে বৃদ্ধ পিতৃক এখন দা লৈ আক্ৰমণ কৰিবলৈ উদ্যত হোৱাত পিতৃ চামচেৰে আত্মৰক্ষাৰ বাবে এখন দাৰে পুত্ৰক ঘপিয়াই নিজ ঘৰতে হত্যা কৰে। ইফালে আজি ৰহা আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ হত্যাকাৰী পিতৃ চামচেৰ সিঙক গ্ৰেপ্তাৰ কৰে। লগতে যুৱকজনৰ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

# মিছ ইউনিভাৰ্ছ বিকিনি প্ৰতিযোগিতাত সোণৰ পদক ডিব্ৰুগড়ৰ নিকিৰ


## থাইলেণ্ডত অনুষ্ঠিত প্ৰতিযোগিতাত সুনাম অৰ্জন

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ২২ জুলাই ঃ** আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ শৰীৰচৰ্চা প্ৰতিযোগিতাত ভাৰতলৈ সুনাম কঢ়িয়াই আনিলে ডিব্ৰুগড়ৰ প্ৰতিভাৱান খেলুৱৈ নিকি দুৱৰাই। থাইলেণ্ডৰ পৰা ডিব্ৰুগড়ত উপস্থিত মহিলা শৰীৰচৰ্চাবিদ গৰাকী। থাইলেণ্ডত অনুষ্ঠিত মিচ ইউনিভাৰ্ছ বিকিনি মডেল প্ৰতিযোগিতাত ভাৰতক প্ৰতিনিধিত্ব কৰি সোণৰ পদকেৰে 'মিছ ইউনিভাৰ্ছ'ৰ খিতাপ জয় কৰিবলৈ সক্ষম হোৱা নিকি দুৱৰাক ডিব্ৰুগড়ত বিপুল আদৰণি জনোৱা হয়। কে'বাটাও ভাগত অনুষ্ঠিত এই আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাত বিকিনি কেলেণ্ডাৰ গাৰ্ল শাখাত কে'বাখনো দেশৰ বহু প্ৰতিদ্বন্দ্বীক পিছ পেলাবলৈ সক্ষম হয়। থাইলেণ্ডৰ পৰা আজি ডিব্ৰুগড়ত উপস্থিত হোৱা নিকিক উষ্ম আদৰণি জনায় বহু শুভাকাংক্ষীয়ে।

ডিব্ৰুগড়ৰ নিকি দুৱৰাই এই প্ৰতিযোগিতাৰ বাবে নিজকে বহু প্ৰত্যাহ্বান আৰু কষ্টৰ মাজেৰে সাজু কৰিছিল। নিতৌ পুৱা-গধূলি কে'বাঘণ্টা জীমত কষ্ট কৰাৰ লগতে কঠোৰ ডাইট কণ্ট্ৰ'ল কৰিছিল নিকিয়ে। ডিব্ৰুগড় মিলন নগৰৰ দেৱজিৎ পাঠকৰ পত্নী নিকি দুৱৰাই মিষ্টাৰ ইউনিভাৰ্ছ অশোক কলিতাৰ তত্ত্বাৱধানত প্ৰশিক্ষণ গ্ৰহণ কৰিছিল। চৰকাৰী অৰ্থ সাহায্য লাভ নকৰাকৈ সুহৃদ ব্যক্তিৰ দান-বৰঙণিৰে নিকিয়ে এই আন্তঃৰাষ্ট্ৰীয় খেলখনত অংশগ্ৰহণৰ সুযোগ লাভ কৰিবলৈ সক্ষম হৈছিল। আনহাতে, নিকিৰ সাফল্যত উৎফুল্লিত হৈ পৰিছে ডিব্ৰুগড়বাসী।

# মানাহৰ ভূঞাপাৰা ৰেঞ্জত বনৰীয়া হাতীৰ শোকাবহ মৃত্যু

অগ্ৰদূত বাৰ্তা
শালবাৰী, ২২ জুলাই ঃ মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ ভূঞাপাৰা ৰেঞ্জৰ দাঁতি-কাষৰীয়া কৰেবাৰী গাঁৱৰ সমীপত আজি পুৱা এটা প্ৰাপ্তবয়স্ক মাইকী বনৰীয়া হাতীৰ শোকাবহ মৃত্যু ঘটে। উল্লেখ্য যে ৰাষ্ট্ৰীয় উদ্যানখনৰ বাউণ্ডেৰীত স্থাপন কৰা সৌৰশক্তিচালিত ফেন্সিঙত বিদ্যুৎ প্ৰবাহিত হৈ হাতীটোৰ মৃত্যু ঘটে। মৃত হাতীটোৰ শুঁৰডাল ফেন্সিঙৰ তাঁৰত ওলমি থকাও প্ৰত্যক্ষ কৰা হৈছে। মানাহৰ বন্যপ্ৰাণী বাহিৰলৈ ওলাই নাযাবৰ বাবে ৰাষ্ট্ৰীয় উদ্যানখনৰ বাউণ্ডেৰীসমূহত এনে ছ'লাৰ ফেন্সিঙৰ ব্যৱস্থা পূৰ্বৰে পৰাই আছে আৰু এই সৌৰশক্তিচালিত ফেন্সিঙত পূৰ্বে বন্যপ্ৰাণীৰ মৃত্যু হোৱাৰো কোনো উদাহৰণ নাই, সেয়েহে দুৰ্ভাগ্যজনকভাৱে শ্বৰ্ট চাৰ্কিটৰ ফলত উচ্চ ক্ষমতাৰ সৌৰবিদ্যুৎ প্ৰবাহিত হোৱাৰ ফলতেই হাতীটোৰ মৃত্যু হোৱা বুলি সন্দেহ প্ৰকাশ কৰিছে বিভাগীয় সহকাৰী সঞ্চালক জেচিম আহমেদ আৰু চিকিৎসক প্ৰভাত বসুমতাৰীয়ে। ইতিমধ্যে মৃত হাতীটোৰ মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰিছে মানাহৰ বন বিভাগে।



**PHYSIOTHERAPY CENTRE**
H.No-51, Basisthapur Bye lane 4,
Survey, Beltola

Contact for all kinds of pain, Spine problem, movement problem, joint stiffness etc. for best treatment by our experienced Physiotherapists.

Contact No- 70021-60730, 7002316720

**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com